● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

আমাক ভাল জীৱন বা বেয়া জীৱন দিয়া হোৱা নাই। ই আমাৰ ওপৰতহে নিৰ্ভৰ কৰে আমি জীৱনটোক কেনেদৰে নিৰ্মাণ কৰো।

ৱাৰ্ড ফলী
*লেখক-প্ৰেৰণাদায়ক বক্তা*




৭ কৰ'নাৰ ফলত হ্ৰাস পালে দুবছৰ আয়ুস
১৩ আজিৰে পৰা ভাৰত-অষ্ট্ৰেলিয়া মহিলাৰ দিবা-নৈশ টেষ্ট
৪ মোদীৰ আমেৰিকা ভ্ৰমণৰ উল্লেখনীয় দিশ

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ৩৫০তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ১৩ আহিন ১৪২৮ ভাস্কৰাব্দ ৩০ ছেপ্টেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 30 September 2021 মূল্য ঃ ৭.০০ টকা

■ সুঁতিৰ সিপাৰে টিনপাত আবৰি কটাইছে দিন ■ মুকলি আকাশৰ তলত চলিছে জীৱনযাত্ৰা
■ দল-সংগঠন-ৰাজনীতিকৰ ভূমিকাত অসন্তুষ্টি ■ পূৰ্ণগতিত আগবাঢ়িছে কৃষি প্ৰকল্পৰ কাম

# ধলপুৰত উচ্ছেদিতৰ অনিশ্চিত জীৱন




*সুঁতিৰ পাৰত এইদৰে টিনপাতৰ ভেজা দি অথবা মুকলি আকাশৰ তলতে চলিছে উচ্ছেদিতৰ জীৱন যাত্ৰা, ধলপুৰত বুধবাৰে।*

ষ্টাফ ৰিপ'ৰ্টাৰ

**ধলপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** 'অইন বছৰবোৰত শৰতৰ আগমনত ধলপুৰ জিলিকি উঠিছিল। চাক্ষুষ দৃষ্টিৰে ঢুকি নোপোৱা পাৰাপাৰহীন ধলপুৰৰ বালিচৰত ফুলিছিল কঁহুৱা। বতাহত হালি-জালি নাচিছিল। কঁহুৱাৰ নাচৰ তালে তালে গছ-লতা বননিয়ে জুৰিছিল শৰতৰ গান। পূবে সুউচ্চ ধলপুৰ পাহাৰ, য'ত আছে ধলপুৰ শিৱ ধাম। ধামৰ গাতে লাগি আছে সুবিশাল মহাবাহু ব্ৰহ্মপুত্ৰ। উত্তৰে সুঁতি, দক্ষিণেও সুঁতি। তাৰ মাজতেই অৱস্থিত ধলপুৰ নম্বৰ এক, দুই আৰু তিনি। শৰতৰ ৰাতি জোনাক ওলালে কঁহুৱা বনৰ সুৱাসত বুঢ়া ব্ৰহ্মপুত্ৰইও অনন্য ৰূপ লৈছিল। শুনিছিলো বোঁৱতী ব্ৰহ্মপুত্ৰৰ কুলু কুলু মাত। জোনাক ওলালে নদীৰ বুকুত বান্ধি থোৱা হাত নাওখনে সাৰ পাইছিল। উচ্ছেদৰ আগত এইবোৰ চায়েই দিন, মাহ, বছৰ কটাইছিলো। এতিয়া সকলো শেষ হ'ল! এতিয়া আমি সুঁতিৰ সিপাৰে আছো। আগতে আমাৰ ঘৰখন ১১ জনীয়া সদস্যৰে আছিল। এতিয়া ঠাইৰ অভাৱত প্ৰায় ১০ হেজাৰ মানুহ এটা পৰিয়ালৰ *১০ পৃষ্ঠাত চাওক*

## নিৰ্দলীয় হৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ সিদ্ধান্ত ল'লে ইমানুৱেলে

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** 'যদি বিজেপিয়ে মোক উপ-নিৰ্বাচনত তামুলপুৰ সমষ্টিত প্ৰাৰ্থিত্ব নিদিয়ে তেন্তে মই নিৰ্দলীয়ভাৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়াম।' এই ভাষ্য ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সদস্য তথা *আঠ পৃষ্ঠাত চাওক*

## মাটিৰ দালাল অধিবক্তা-কংগ্ৰেছ নেতাক গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা

**কৰিমগঞ্জ, ২৯ ছেপ্টেম্বৰ ঃ** ৰাজ্যজুৰি ভূ-মাফিয়া আৰু মাটিৰ দালালৰ বিৰুদ্ধে অভিযান অব্যাহত আছে আৰক্ষীৰ। কৰিমগঞ্জ আৰক্ষীয়ে আজি মাটিৰ দালালিত জড়িত থকাৰ অভিযোগত কবিৰ আহমেদ নামৰ অধিবক্তাজনক গ্ৰেপ্তাৰ কৰে। জিলাৰ ফকিৰা বজাৰত আৰক্ষীয়ে *১০ পৃষ্ঠাত চাওক*

## থানাতে মূৰত গুলীয়াই আত্মহত্যা কৰিলে জোৱানে

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**গোলাঘাট/ফৰকাটিং, ২৯ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ ঘিলাধাৰী আৰক্ষী থানাত কৰ্মৰত এজন এএছআৰএফৰ জোৱানে আজি ৰাইফলৰে মূৰত গুলীয়াই আত্মহত্যা কৰে। আত্মহত্যা কৰা জোৱানজন হাইলাকান্দিৰ মনোৰঞ্জন সিন্‌হা (৫৭)। পুৱতি নিশা প্ৰায় চাৰি বজাত থানাৰ বেৰেকত গুলিৰ শব্দত আন জোৱানসকল সচকিত হৈ পৰে। থানাত সংঘটিত *আঠ পৃষ্ঠাত চাওক*

## কাইলৈৰ পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পুনৰ মুকলি

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী ২৯ ছেপ্টেম্বৰ ঃ** অহা এক অক্টোবৰৰ পৰা পৰ্যটকৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰা হ'ব। উল্লেখ্য যে কাজিৰঙা ৰেঞ্জ, কঁহৰা ৰেঞ্জ আৰু পশ্চিম ৰেঞ্জত পৰ্যটকে কেৱল জীপ ছাফাৰিহে কৰিব পাৰিব। প্ৰথম অৱস্থাত পৰ্যটকৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখন আংশিকৰূপত খোলা হ'ব বুলি পশ্চিম অসম বন্যপ্ৰাণী সংমণ্ডলৰ বন সংমণ্ডল বিষয়াই জনাইছে।



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৪° |
| ডিব্ৰুগড় | ৩৩° | ২৪° |
| দিল্লী | ৩২° | ২৩° |
| কলকাতা | ২৮° | ২৬° |
| মুম্বাই | ৩০° | ২৬° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ২৭° | ২০° |
| শ্বিলং | ২২° | ১৭° |

২৯ ছেপ্টেম্বৰ, ২০২১

## চেঙা তেল



*যিমান লাগে এতিয়াই লৈ লওক, তাকো সুলভ মূল্যত! পৰিস্থিতি ঠিক হৈ গ'লে একো নাপাব!*

■ অসম চৰকাৰ আৰু এইচ পি চি এলৰ ইউনিয়ন-সংস্থাৰ প্ৰতিনিধিৰ স'তে চুক্তি সম্পন্ন

## কাগজ কলৰ আৱাস ত্যাগ কৰিলে আৰম্ভ হ'ব কৰ্মচাৰীৰ বাবে ৫৭০ কোটিটকীয়া পেকেজ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** সম্প্ৰতি নিলামৰ প্ৰক্ৰিয়াত থকা হিন্দুস্তান পেপাৰ কৰ্প'ৰেছন লিমিটেড (এইচ পি চি)ৰ অধীনৰ জাগীৰোড আৰু কাছাৰৰ পাচগ্ৰামৰ কাগজ কল দুটাৰ কৰ্মচাৰীসকলৰ দুৰ্দশাৰ অন্ত পেলাবলৈ ৰাজ্য চৰকাৰৰ ৫৭০ কোটিটকীয়া সাহায্য পেকেজৰ প্ৰস্তাৱত সন্মতি দিছে বন্ধ হৈ পৰা কল দুটাৰ ইউনিয়ন আৰু সংস্থাসমূহে। যোৱা নিশা ২-৩০ বজালৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ স'তে কৰ্মী ইউনিয়ন আৰু কৰ্মচাৰী সংস্থাৰ বৈঠকত দুয়োপক্ষ ঐক্যমতত উপনীত হোৱাত এলানি সিদ্ধান্ত গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰী শৰ্মাই আলোচনাৰ অন্তত টুইটাৰত কয় যে অৱশেষত এইচ পি চিৰ শ্ৰমিক আৰু কৰ্মচাৰীসকলৰ দীৰ্ঘদিনীয়া অনাদায় দৰমহা আৰু *১০ পৃষ্ঠাত চাওক*

■ এশজন তৰুণ বিষয়া শ্ৰমিকক চৰকাৰী চাকৰি দিয়া হ'ব ■ পাচগ্ৰামৰ ৫০জনে-জাগীৰোডৰ ৪৬জনে কলকাতা মুখ্য কাৰ্যালয়ৰ চাৰিজনেই লাভ কৰিব চাকৰি ■ পাচগ্ৰামৰ কৰ্মচাৰীয়ে ২৮মাহৰ, জাগীৰোডৰ কৰ্মচাৰীয়ে ২৬মাহৰ দৰমহা লাভ কৰিব ■ কৰ্মচাৰী-শ্ৰমিকৰ কল্যাণৰ বাবে ১০ কোটি টকাৰ কৰপাছ পুঁজি গঠন

■ অব্যাহত থাকিব উচ্ছেদ অভিযান ঃ বিহালী-গহপুৰত মুখ্যমন্ত্ৰী

## বেদখলকাৰীসকল আৰক্ষী যোৱাৰ পূৰ্বে নিজেই আঁতৰি যাওক ঃ শৰ্মা



অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি/গহপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** 'ৰাজ্যত অব্যাহত থাকিব উচ্ছেদ অভিযান। যিসকলে জানে তেওঁলোক উচ্ছেদিত হ'ব, সেইসকলে আৰক্ষী যোৱাৰ আগতে নিজেই তাৰ পৰা আঁতৰি যোৱা উচিত।' এই ভাষ্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। আজি বিশ্বনাথ জিলাৰ গহপুৰ আৰু বিহালীত অনুষ্ঠিত কে'বাটাও কাৰ্যসূচীত ভাগ লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদ মাধ্যমৰ আগত *১০ পৃষ্ঠাত চাওক*

■ এপিডিচিএলৰ নিযুক্তি পৰীক্ষাত কেলেংকাৰি ■ বাছনি সমিতিৰ অধ্যক্ষসহ তিনি শীৰ্ষ বিষয়াক মুখামুখিকৈ জেৰা তদাৰকী শাখাৰ

## তদানীন্তন অধ্যক্ষ পিপাৰছেনিয়াক জেৰাৰ অনুমতি দিয়া নাই চৰকাৰে

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** যোগ্য প্ৰাৰ্থীক বঞ্চিত কৰি ধনৰ বিনিময়ত চাকৰিৰ মুকলি বেহা আৰম্ভ কৰা অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ অধ্যক্ষৰ বিশেষ কৰ্তব্যৰত বিষয়া দীপাংকৰ দিহিঙীয়া, মুখ্য মহাপ্ৰবন্ধক আতাউৰ ৰহমানসহ ১১জন লোক মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ জালত পৰাৰ পাছতে বিদ্যুৎ বিভাগৰ বহু গোপন অধ্যায় পোহৰলৈ অহাটো প্ৰায় নিশ্চিত হৈ পৰিছে। বিগত বিজেপি চৰকাৰৰ কাৰ্যকালত বিদ্যুৎ বিভাগৰ মন্ত্ৰীৰ দায়িত্বত থকা বৰ্তমানৰ সাংসদ *আঠ পৃষ্ঠাত চাওক*



## অক্টোবৰৰ পৰা লামডিং সংৰক্ষিত বনাঞ্চলত চলিব উচ্ছেদ অভিযান

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰৰ ধলপুৰ গৰুখুঁটিৰ পাছত লামডিং সংৰক্ষিত বনাঞ্চলত অহা অক্টোবৰৰ পৰা তিনিটা পৰ্যায়ত চলিব বেদখলকাৰী উচ্ছেদৰ বৃহৎ অভিযান। উক্ত বনাঞ্চলত বেদখলৰ সন্দৰ্ভত ইতিমধ্যে অসম চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ক তথ্য জমা দিয়াৰ লগতে উচ্ছেদৰ বাবে কি ধৰণৰ পৰিকল্পনা কৰিছে তাৰো সবিশেষ দাখিল কৰিছে। চৰকাৰে ন্যায়ালয়ক দাখিল কৰা তথ্য অনুসৰি, লামডিং সংৰক্ষিত *১০ পৃষ্ঠাত চাওক*

■ তালিবান নিযুক্ত স্নাতক উপাচাৰ্যৰ নিৰ্দেশ ■ 'সৰ্বপ্ৰথম ইছলাম, তাৰ পাছতহে আন কথা'

## মহিলাৰ বাবে কাবুল বিশ্ববিদ্যালয়ৰ দুৱাৰ বন্ধ

■ নিউজ ব্যুৰ'

**কাবুল, ২৯ ছেপ্টেম্বৰ ঃ** আফগানিস্তানৰ সৰ্ববৃহৎ বিশ্ববিদ্যালয়ত যুৱতীৰ প্ৰৱেশ নিষিদ্ধ কৰিলে তালিবানে। কেৱল ছাত্ৰীয়ে নহয়, শিক্ষয়িত্ৰী বা আন মহিলা কৰ্মীয়েও কাবুল বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰিব নোৱাৰিব। আজি এই নিৰ্দেশনা জাৰি কৰিলে কাবুল বিশ্ববিদ্যালয়ৰ নৱ নিযুক্ত উপাচাৰ্য আশ্ৰফ গৈৰাটকে।



উপাচাৰ্যই নিৰ্দেশনাটোত এইদৰে উল্লেখ কৰিছে, 'যেতিয়ালৈকে দেশত ইছলামিক পৰিৱেশ এটা গঢ় লৈ নুঠে, তেতিয়ালৈকে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে আমি মহিলাক ইয়াত প্ৰৱেশ কৰিব দিব নোৱাৰো। সৰ্বপ্ৰথম ইছলাম, তাৰ পাছতহে আন কথা।' উল্লেখ্য যে কিছুদিন পূৰ্বে তালিবানে বিশিষ্ট শিক্ষাবিদ মহম্মদ ওছমান বাবুৰিক উপাচাৰ্য পদৰ পৰা *১০ পৃষ্ঠাত চাওক*

■ বিশেষ আদালতত এপিএছচি কেলেংকাৰি ■ পুনৰ ২২ ৰাজপত্ৰিত বিষয়াৰ জালিয়াতি ধৰা পৰিছে ■ অচিৰে জাৰি কৰা হ'ব চমন

## অভিযুক্ত ৭৪ জনৰ বিৰুদ্ধে অভিযোগ আৰোপ প্ৰক্ৰিয়া আৰম্ভ আদালতৰ

কাৰাগাৰৰ পৰা ভিডিঅ'যোগে উপস্থিত মুখ্য অভিযুক্ত ৰাকেশ পাল

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** অধ্যক্ষ ৰাকেশ পালৰ আমোলত সংঘটিত ৰাজ্য কঁপোৱা অসম লোকসেৱা আয়োগ (এপিএছচি)ৰ নিযুক্তি প্ৰক্ৰিয়া কেলেংকাৰিত অভিযুক্তসকলৰ বিৰুদ্ধে আজিৰ পৰা অভিযোগ আৰোপ (চাৰ্জ ফ্ৰেম) প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। *আঠ পৃষ্ঠাত চাওক*



চলিত বছৰতে ভূমিষ্ঠ হোৱাৰ পাছতে দুটাকৈ সংগঠনৰ আত্মসমৰ্পণ

## এটা মাত্ৰ হস্তনিৰ্মিত গ্ৰেণেড জমা দি ১২ ইউএলবি সদস্যৰ আত্মসমৰ্পণ



বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**টংলা/ওদালগুৰি, ২৯ ছেপ্টেম্বৰ ঃ** কিছুদিন পূৰ্বে বিটিআৰত আত্মপ্ৰকাশ কৰা ইউএলবি নামৰ সশস্ত্ৰ সংগ্ৰঠনটোৰ ১২জন সদস্যই আজি ওদালগুৰি জিলাৰ ডিমাকুছি আৰক্ষী থানাৰ অন্তৰ্গত বাদলপাৰা চাহ বাগিচাত আত্মসমৰ্পণ কৰে। জিলাৰ অতিৰিক্ত *১০ পৃষ্ঠাত চাওক*

নাহৰকটীয়া চাচনীত স্থানীয় ৰাইজৰ তৎপৰতাত প্ৰাণৰক্ষা ঃ অভিযোগ অস্বীকাৰ আৰক্ষীৰ

পূজা-পাতলৰ জৰিয়তে গোপন অভিসন্ধি কৰি অৱশেষত জালত পৰিল তিনি পুত্ৰসহ মাতৃ

## কিশোৰীসহ তিনি মহিলাক নৰবলিৰ চেষ্টা

■ অভিযুক্তৰ ভিতৰত আছে জিলাৰ আছু নেতাও

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ২৯ ছেপ্টেম্বৰ ঃ** আধুনিক সভ্য সমাজক লজ্জানত কৰি এগৰাকী কিশোৰীসহ তিনিগৰাকী মহিলাক পূজা-পাতলৰ নামত এটা পৰিয়ালে নৰবলি দিবলৈ চেষ্টা চলোৱাৰ ঘটনাই নাহৰকটীয়া অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নাহৰকটীয়াৰ চাচনীৰ দুই নম্বৰ টিংৰাই গাঁৱত সংঘটিত হৈছে এই ঘটনা। গাঁওখনৰ টুটুমণি হাজৰিকাৰ পৰিয়ালটোৱে অন্ধবিশ্বাসৰ বলি হৈ ঘৰৰ ওচৰৰে তিনিগৰাকী মহিলা আৰু চাচনীৰ এগৰাকী কিশোৰীক ঘৰত অচেতন কৰি নৰবলি দিয়াৰ চেষ্টা চলাওঁতে ৰাইজে আটক কৰি আৰক্ষীক গতাই দিয়ে। *১০ পৃষ্ঠাত চাওক*



## উপ-নিৰ্বাচনক লৈ অখিলক সমালোচনা সাংসদ ভূঞাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** একাংশ বিৰোধী দলেই বিজেপিবিৰোধী ঐক্য ভংগৰ সুযোগ উলিয়াই লোৱা বুলি আজি মন্তব্য কৰে ৰাজ্যসভাৰ সাংসদ তথা আঞ্চলিক গণ মৰ্চাৰ সভাপতি অজিত *১০ পৃষ্ঠাত চাওক*

## গোসাঁইগাঁও-তামুলপুৰত উপ-নিৰ্বাচনৰ প্ৰাৰ্থী সাজু কৰিছে ইউপিপিএলে



কোকৰাঝাৰত দুদিনীয়া কাৰ্যনিৰ্বাহকত ৰণকৌশল প্ৰস্তুত

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৯ ছেপ্টেম্বৰ ঃ** 'আগন্তুক উপ-নিৰ্বাচনত গোসাঁইগাঁও আৰু তামুলপুৰ বিধানসভা সমষ্টিত ইউপিপিএলে প্ৰাৰ্থী প্ৰক্ষেপ কৰিব।' বিটিআৰৰ সদৰ কোকৰাঝাৰ চহৰৰ চান্দামাৰীস্থিত বড়োফা সাংস্কৃতিক প্ৰকল্পত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত শাসক দল *১০ পৃষ্ঠাত চাওক*

■ উচ্ছেদত হিংসাত্মক ঘটনাৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ দ্বাৰা তদন্তৰ দাবী পাঁচ দলীয় মৰ্চাৰ ■ ভূমি হস্তান্তৰৰ ষড়যন্ত্ৰ পদ্ম হাজৰিকাৰ

## ছবিঘাকৈ মাটি দিয়াৰ মুখ্যমন্ত্ৰীৰ ঘোষণাৰ বিপৰীতে গা এৰা দিয়া মনোভাব প্ৰশাসনৰ



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰৰ গৰুখুঁটিত উচ্ছেদৰ নামত আৰক্ষীয়ে নৃশংস অত্যাচাৰ আৰু গুলিচালনা কৰাৰ অভিযোগ কৰি এই ঘটনাৰ উচ্চ ন্যায়ালয়ৰ কৰ্মৰত ন্যায়াধীশৰ দ্বাৰা তদন্তৰ দাবী জনাইছে ৰাজ্যৰ পাঁচটা ৰাজনৈতিক দলে। আজি ইয়াত এক সংবাদমেলত দলকেইটাৰ *১০ পৃষ্ঠাত চাওক*

দৈনিক
# অগ্ৰদূত
গুৱাহাটী, ৩০ ছেপ্টেম্বৰ, ২০২১ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## ৰাইজ সজাগ নহ'লে ভূমি বেদখলকাৰীৰ কৱলতে থাকিব

**ওদালগুৰিত শিক্ষাৰ্থীৰ মাজত চাইকেল বিতৰণ বিধায়ক-উপ-মুখ্য কাৰ্যবাহী গোবিন্দ বসুমতাৰীৰ**

বিশেষ সংবাদদাতা

**ওদালগুৰি, ২৯ ছেপ্টেম্বৰ ঃ** 'আসন্ন উপ-নিৰ্বাচনত বিটিচিত দুটাকৈ সমষ্টি গোসাইগাঁও আৰু তামুলপুৰত মিত্ৰজোঁটৰ হৈ ইউপিপিএলএ প্ৰাৰ্থী প্ৰদানৰ লগতে ভৱানীপুৰ সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থীক সহায় কৰিব।' এই ভাষ্য বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ আঠ পৃষ্ঠাত চাওক




## নকল সোণৰ বিস্কুটসহ তেজপুৰত গ্ৰেপ্তাৰ এক

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ আৰক্ষীয়ে কালি তেজপুৰৰ দিকৰাই জানৰ কিটাব আলীৰ পুত্ৰ আলী ইছলামক (২৪) গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে নকল সোণেৰে বহু লোকক প্ৰৱঞ্চনা কৰি অহা চক্ৰটোৰে জড়িত ইছলামৰ পৰা আৰক্ষীয়ে ৮২০ গ্ৰাম ওজনৰ তিনিখন নকল সোণৰ বিস্কুট উদ্ধাৰ কৰে। ইপিনে, শোণিতপুৰ আৰক্ষীয়ে পযেকৰ ভিতৰত জিলাখনত নকল সোণ চক্ৰ সন্দৰ্ভত চাৰিবাৰ অভিযান চলায়।

## শোণিতপুৰত ক'ভিডত তিনিজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** শোণিতপুৰত আজি ১০ জন লোকৰ দেহত ক'ভিডৰ উপস্থিতি ধৰা পৰাৰ বিপৰীতে তিনিজন ক'ভিড আক্ৰান্তৰ মৃত্যু হৈছে। দীৰ্ঘদিনৰ এক শ্বাসৰুদ্ধকৰ পৰিৱেশৰ পাছত শোণিতপুৰত ক'ভিডৰ সংক্ৰমণ হ্ৰাস পোৱাৰ তথ্য চৰকাৰীভাৱে প্ৰকাশ কৰা হৈছে যদিও জিলাখনত কৰ'নাত আক্ৰান্তৰ মৃত্যু অব্যাহত আছে। আজি চৰকাৰীভাৱে প্ৰকাশিত তথ্য অনুসৰি, জিলাখনৰ জামুগুৰিহাট পাতালৰচুক নিবাসী ৰূপজ্যোতি বৰা (৪২), তেজপুৰৰ নিকামূল নিবাসী কল্পনা সাহা (৫৮) আৰু তেজপুৰ বালিপুখুৰী তিনিআলিৰ পানীৰাম কেওট (৭৭)ৰ ক'ভিডত মৃত্যু হৈছে। বৰ্তমান শাৰদীয় দুৰ্গোৎসৱৰ পৰিৱেশ আৰম্ভ হোৱাৰ লগতে অক্টোবৰত শিক্ষানুষ্ঠানসমূহত শ্ৰেণী আৰম্ভ কৰাৰ বাবে অনুমতি দিয়াৰ সময়তে সৰ্বাসাধাৰণৰ মাজতো কৰ'না প্ৰতিৰোধী আঠ পৃষ্ঠাত চাওক

■ মান্দাকাটাত শিলভজা উদ্যোগত ৰাইজে ওলোমালে তলা

## প্ৰশাসনৰ বিৰুদ্ধে ক্ষুব্ধ ৰাইজ



অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২৯ ছেপ্টেম্বৰ ঃ** ৰাইজৰ প্ৰতিবাদত প্ৰশাসনে গুৰুত্ব প্ৰদান নকৰাত আজি ক্ষুব্ধ ৰাইজে জালুকবাৰী সমষ্টিৰ সৰুবাকাত থকা শিলভজা উদ্যোগ 'ৰাণা কনষ্ট্ৰাকছন এণ্ড ইঞ্জিনিয়াৰ্ছ প্ৰাইভেট লিমিটেড'ত তলা লগাই দিয়ে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সমষ্টিত থকা প্ৰদূষণ সৃষ্টিকাৰী উদ্যোগটো বন্ধ কৰিবলৈ ৰাইজে দীৰ্ঘদিন ধৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে জিলা উপায়ুক্তকো তদন্তৰ বাবে আহ্বান জনাই উদ্যোগটো বন্ধৰ বাবে স্মাৰকপত্ৰ প্ৰদান কৰিছিল ৰাইজে। কিন্তু ইয়াৰ পাছতো প্ৰশাসনে কোনো গুৰুত্ব নিদিয়াত আজি বিয়লি পাঁচ বজাত শিলভজা উদ্যোগটোত ৰাইজে তলা লগাই দিয়ে। কামৰূপ জিলাৰ মান্দাকাটা গাঁও পঞ্চায়তৰ অন্তৰ্গত সৰুবাকাত থকা শিলভজা উদ্যোগটোৰ পৰা নিৰ্গত ধোঁৱা আৰু দুৰ্গন্ধই জীৱকুলৰ লগতে জনসাধাৰণৰ জীৱনলৈয়ো প্ৰৱল ভাবুকি আনিছে বুলি প্ৰশাসনক অভিযোগ দাখিল আঠ পৃষ্ঠাত চাওক

■ তেজপুৰত কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ মন্ত্ৰী ইউ জি ব্ৰহ্ম ■ শোণিতপুৰৰ বৰছলা সমষ্টিৰ অংগনৱাড়ী কেন্দ্ৰত উপস্থিত হৈ ঘোষণা ■ বেদখলকাৰীৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি পুনৰ সকীয়নি

# উপ-নিৰ্বাচনত কংগ্ৰেছে এখনো আসন নাপায়

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** 'অসমৰ ছয় বিধানসভা সমষ্টিৰ আগন্তুক উপ-নিৰ্বাচনত কংগ্ৰেছে এখনো আসন নাপায়। বিজেপি, অগপ আৰু ইউপিপিএলৰ মাজত মিত্ৰতা অব্যাহত থাকিব।' এই ভাষ্য অসম চৰকাৰৰ বস্ত্ৰ, তাঁত, ৰেচম, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী দপ্তৰৰ মন্ত্ৰী ইউজি ব্ৰহ্মৰ। আজি তেজপুৰৰ আৱৰ্ত ভৱনত সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে মাজুলীৰ উপ-নিৰ্বাচনৰ অধিসূচনাও আজি-কালিৰ ভিতৰত নিৰ্বাচন আয়োগে জাৰি কৰাৰ আশা আছে। তদুপৰি বিটিআৰৰ তামুলপুৰ আৰু গোসাঁইগাঁৱত ইউপিপিএলে প্ৰাৰ্থিত্ব আগবঢ়াব বুলি তেওঁ সদৰী কৰে। পুৱা শোণিতপুৰ জিলাৰ বৰছলা সমষ্টিৰ অন্তৰ্গত আৰু গাভৰু সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ ঘটুৱা অংগনৱাড়ী কেন্দ্ৰত উপস্থিত হোৱা মন্ত্ৰীজনে দৰং জিলাৰ গৰুখুঁটি অঞ্চলৰ পৰা উচ্ছেদিতসকলৰ বিষয়টো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৰুত্বসহকাৰে পৰ্যালোচনা কৰি আছে বুলি উল্লেখ কৰে। ৰাষ্ট্ৰীয় পোষণ মাহ চলি থকাৰ সময়তে মন্ত্ৰীজনে অংগনৱাড়ী কেন্দ্ৰটোত শিশুৰ উচ্চতা আৰু ওজন লোৱা ব্যৱস্থা প্ৰত্যক্ষ কৰি ক্ষন্তেক আলাপ কৰা মন্ত্ৰী ব্ৰহ্মই শেহতীয়াকৈ জিলাখনৰ বৰছলাকে ধৰি অসমৰ কেতবোৰ স্থানত পুনৰ চৰকাৰী মাটি বেদখল কৰা বিষয়টোকে ধৰি সকলো চৰকাৰী মাটিৰ বেদখলকাৰীৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি কয়। উল্লেখ্য যে ১৯২৬ তে স্থাপিত ঘটুৱা প্ৰাথমিক বিদ্যালয় চৌহদত স্থাপিত ঘটুৱা অংগনৱাড়ী কেন্দ্ৰ পৰিদৰ্শনৰ পাছত মন্ত্ৰীজনে বিদ্যালয়খনো পৰিদৰ্শন কৰি শৈক্ষিক অৱস্থাৰ অগ্ৰগতিৰ বুজ লয়। ৰাজ্য চৰকাৰে প্ৰধানমন্ত্ৰীৰ জলজীৱন আঁচনিৰ অধীনত ঘটুৱা প্ৰাথমিক বিদ্যালয়কো সামৰি লোৱাত সন্তোষ প্ৰকাশ কৰি দেশৰ প্ৰতিটো পৰিয়ালৰ বাবে প্ৰধানমন্ত্ৰীৰ জলজীৱন আঁচনিৰ অধীনত বিশুদ্ধ খোৱাপানী যোগান ধৰা বিষয়টো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এক ডাঙৰ সপোন আছিল বুলি কয়। আনহাতে, অঞ্চলটোৰ শিক্ষক বিহীন বড়ো মাধ্যমৰ ১৮ খন প্ৰাথমিক বিদ্যালয়ৰ বিষয়টো মুখ্যমন্ত্ৰীক অৱগত কৰিব বুলি তেওঁ সদৰী কৰে। আজি বিদ্যালয় পৰিদৰ্শনৰ সময়ত জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলে তেওঁক সংগ দিয়ে।

## সমাজসেৱী মজিবুদ্দিন আহমেদৰ বিয়োগ



অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৯ ছেপ্টেম্বৰ ঃ** মঙলদৈ বিধানসভা সমষ্টিৰ সমাজসেৱী মজিবুদ্দিন আহমেদৰ আজি সন্ধিয়া ৭-১৫ বজাত মৃত্যু হয়। সমগ্ৰ পশ্চিম মঙলদৈৰ প্ৰতিটো অনুষ্ঠানৰ স'তে আজীৱন জড়িত লোকজন কিছুদিনৰ পৰা বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ আছিল। আধুনিক ডাঁহীৰ গঢ়োতা লোকজনৰ বিয়োগত ডাঁহী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক ড° শচীন চহৰীয়া, প্ৰতিষ্ঠাকালীন প্ৰৱক্তা হিতেশ হাজৰিকা, মঙলদৈৰ বিধায়ক বসন্ত দাস প্ৰমুখ্যে বিভিন্ন ব্যক্তি, দল-সংগঠনে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ চাৰিগৰাকী কন্যা আৰু এজন পুত্ৰ এৰি যায়।




*বৃহৎ নদীবান্ধৰ বিৰুদ্ধে লখিমপুৰত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ অৱস্থান ধৰ্মঘট, বুধবাৰে।*

## আজিৰে পৰা মুকলি কৰি দিয়া হ'ব ওৰাং ৰাষ্ট্ৰীয় উদ্যান

বিশেষ সংবাদদাতা

**মঙলদৈ, ২৯ ছেপ্টেম্বৰ ঃ** পৰ্যটক তথা দৰ্শনাৰ্থীসকলৰ বাবে অহা ৩০ ছেপ্টেম্বৰৰ পৰা মুকলি কৰা হ'ব ওৰাং ৰাষ্ট্ৰীয় উদ্যান। ক'ভিড-১৯ নিমৰ নীতি-নিৰ্দেশনা মানি দৰ্শনাৰ্থীসকলে উদ্যানখন পৰিদৰ্শন কৰিব পাৰিব বুলি মঙলদৈ বন সংমণ্ডলৰ বন্যপ্ৰাণী বিষয়াই এক জাননীত উল্লেখ কৰিছে। বিবৃতিটোত উল্লেখ কৰিছে যে বানপানীৰ ফলত ৰাষ্ট্ৰীয় আঠ পৃষ্ঠাত চাওক

■ বৰষুণ পৰিলেই আলাই আথানিৰ সন্মুখীন পথচাৰী ■ তিনিআলিৰ পথৰ দুয়োকাষে নাই পৰিকল্পিত নলা ■ ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি নাই কৰ্তৃপক্ষৰ

## কৃষ্ণাইৰ বিধ্বস্ত ঘাইপথে জীয়াতু ভোগাইছে ৰাইজক

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ২৯ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয় ঘাইপথ নে জলাশয়? গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ শেহতীয়া অৱস্থা দেখিলে যিকোনো লোকৰ মনতে জাগি উঠিব এই প্ৰশ্ন— এয়া সঁচাই ৰাষ্ট্ৰীয় ঘাইপথ নে মাছ পোহা পুখুৰী। কাৰণ অতি ব্যস্ত ৰাষ্ট্ৰীয় ঘাইপথটোৰ কৃষ্ণাই তিনিআলিত বৰ্তমানে একাঁঠু পানী। এজাক বৰষুণ পৰিলেই কৃষ্ণাইৰ ৰাষ্ট্ৰীয় ঘাইপথছোৱা এনেদৰে ৰূপান্তৰিত হয় জলাশয়লৈ। বহু আবেদন-নিবেদনৰ অন্তত কেইদিনমান পূৰ্বে পথটো মেৰামতি কৰা হ'ল যদিও কৃষ্ণাই তিনিআলিৰ পথৰ দুয়োকাষে পৰিকল্পিত নলাৰ ব্যৱস্থা নথকাত এতিয়া এজাক বৰষুণ পৰিলেই কৃষ্ণাইৰ পাঞ্জাৱ নেছনেল বেংকৰ সন্মুখৰ পৰা বিকি বুক চেণ্টাৰলৈকে ৰাষ্ট্ৰীয় ঘাইপথটো ৰূপান্তৰিত হয় জলাশয়লৈ। ইতিমধ্যে এই জলাশয়ত পৰি বহু লোক আহত হোৱাৰ লগতে পথটোৰে অহা-যোৱা কৰা যানবাহনৰ চকাৰ পৰা গেলাপানী ছিটিকি অনেক পথচাৰী আলাই আথানীৰো সন্মুখীন হৈছে। ঘাইপথটোৰ এনে কদৰ্য অৱস্থা দূৰ কৰাৰ বাবে ইতিমধ্যে আছু, আমছু আদিকে ধৰি বহু দল-সংগঠনে দাবী জনাই আহিছে যদিও স্থানীয় দল-সংগঠন তথা সাধাৰণ ৰাইজৰ হেজাৰ দাবীয়েও গা লৰাব পৰা নাই ৰাষ্ট্ৰীয় আঠ পৃষ্ঠাত চাওক

## জলজীৱন আঁচনিত ঠিকাৰ নামত গোৱালপাৰাত বিধায়কৰ কমিছনৰাজ

**ষড়যন্ত্ৰৰ অভিযোগ জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ঠিকাদাৰ সন্থাৰ**

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৯ ছেপ্টেম্বৰ ঃ** চৰকাৰে বিভাগীয় উন্নয়নমূলক কাম-কাজৰ স'তে স্থানীয় বিধায়কসকলক জড়িত কৰাৰ ব্যৱস্থা কৰিছে। ইয়াৰে সুযোগ লৈ গোৱালপাৰা জিলাৰ একাংশ বিধায়কে বিভিন্ন বিভাগৰ ঠিকা আৱণ্টনৰ নামত কমিছনৰ মুকলি বজাৰ সৃষ্টি কৰা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ জলজীৱন মিছনৰ কাম দিয়াৰ নামত জিলাখনৰ দুগৰাকী কংগ্ৰেছী বিধায়কে দীৰ্ঘদিনৰ পৰাই কমিছনৰাজ চলোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। শেহতীয়াভাৱে কংগ্ৰেছী বিধায়ক দুজনৰ লগতে শাসকীয় দলৰ একাংশ নেতায়ো কাম দিয়াৰ নামত কোটি কোটি টকা কমিছন সংগ্ৰহ কৰা বুলি গুৰুতৰ অভিযোগ উত্তাপিত হৈছে। এই বিষয়ে অৱগত হোৱাৰ পাছত কমিছন আদায়কাৰী সকলাক একপ্ৰকাৰ নাকী লগাই বৃহৎ পেকেজৰ জৰিয়তে বিভাগীয় ঊৰ্ধ্বতন কৰ্তৃপক্ষই ঠিকাদাৰক কামৰ আৱণ্টনৰ ব্যৱস্থা কৰিছে। তথ্য মতে তৃতীয় পৰ্যায়ত জিলাখনৰ ২৩১ টা আঁচনিৰ নামত প্ৰায় চাৰিশ কোটি টকা আৱণ্টন দিয়া হৈছে। কিন্তু বৃহৎ পেকেজৰ জৰিয়তে চৰকাৰে জলজীৱন মিছনৰ কামত স্থানীয় ঠিকাদৰক বঞ্চিত কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰা বুলি গোৱালপাৰা জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ঠিকাদাৰ সন্থাই গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। সন্থাৰ সভাপতি জিন্নাহ চৌধুৰীয়ে কয় যে ডাঙৰ ডাঙৰ পেকেজ কৰি চৰকাৰ জলজীৱন মিছনৰ কাম ঠিকাদাৰক আৱণ্টন দিব বিচাৰিছে। কিন্তু ডাঙৰ ডাঙৰ পেকেজ কৰিলে থলুৱা তথা গোৱালপাৰাৰ স্থানীয় ঠিকাদাৰসকলৰ কাম লোৱাৰ সক্ষমতা নাই। যি সময়ত আঠ পৃষ্ঠাত চাওক

## ভৱানীপুৰ মহাবিদ্যালয়ত পাঠদান উপায়ুক্তৰ

বিশেষ সংবাদদাতা

**পাঠশালা, ২৯ ছেপ্টেম্বৰ ঃ** বজালি জিলাৰ ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাত আজি পাঠদান কৰে উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰীয়ে। মহাবিদ্যালয়খনত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক তেওঁ পাঠদান কৰে। আগন্তুক চূড়ান্ত বৰ্ষতে ভালফলাফল অৰ্জন কেনেকৈ কৰিব পাৰিব সেই সম্পৰ্কে উপায়ুক্তই পৰামৰ্শ আগবঢ়ায়।

## হাউলীত ব্যৱসায়ীসকলৰ বাবে ১৫দিনীয়া প্ৰশিক্ষণ আৰম্ভ

অগ্ৰদূত বাৰ্তা

**হাউলী, ২৯ ছেপ্টেম্বৰ ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত হাউলীস্থ বৰপেটা কৃষি বিজ্ঞান কেন্দ্ৰ আৰু জিলা কৃষি বিভাগৰ যুটীয়া উদ্যোগত হাউলীস্থিত কৃষি বিজ্ঞান কেন্দ্ৰত কালিৰে পৰা জিলাখনৰ নিৰ্বাচিত ২৫জন কৃষি সামগ্ৰী ব্যৱসায়ীসকলৰ বাবে ১৫দিনীয়া এক প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে। শস্য বিজ্ঞান বিশেষজ্ঞ পিংকুধৰ বৰ্মনৰ পৌৰোহিত্যত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে জিলা কৃষি সঞ্চালক অৰুণ হাজৰিকা আৰু মহকুমা কৃষি বিষয়া পৰীক্ষিত বায়নে। উদ্বোধনী ভাষণত জিলা কৃষি সঞ্চালক অৰুণ হাজৰিকাই কৃষি সামগ্ৰী ব্যৱসায়ীসকলক নিজৰ ব্যৱসায় সততাৰে আৰু নিষ্ঠাৰে আগবঢ়াই নিবলৈ আহ্বান জনায়। বৰপেটা জিলাত কৃষি সামগ্ৰী বিশেষকৈ সাৰৰ অনিয়ম আৰু বেমেজালি থকাৰ কথা ভাষণ প্ৰসংগত উল্লেখ কৰে। আনহাতে, কৃষি বিষয়া পৰীক্ষিত বায়নে চৰকাৰৰ দ্বাৰা পৰিকল্পিত এই প্ৰশিক্ষণে অভিজ্ঞ পাৰদৰ্শী ব্যক্তিসকলে আঠ পৃষ্ঠাত চাওক

## কংগ্ৰেছে গৰুখুঁটিৰ উচ্ছেদৰ বিৰোধিতা কৰাটো অস্বাভাৱিক নহয় ঃ হাজৰিকা



**■ গৰুখুঁটিৰ উচ্ছেদ অভিযানৰ হিংসাত্মক ঘটনাৰ প্ৰতিবাদত গৌৰীসাগৰত অগপৰ অৱস্থান ধৰ্মঘট**

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ২৯ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰে 'অসমৰ বিভিন্ন ঠাইত অবৈধ নাগৰিকৰ বেদখল উচ্ছেদ কৰাৰ সময়ত মাত নমতা কংগ্ৰেছে গৰুখুঁটিৰ উচ্ছেদৰ সময়ত সৰৱ হৈ পৰা কাৰ্যই তেওঁলোক যে প্ৰকৃতাৰ্থত অবৈধ বিদেশীৰ ৰক্ষক সেই কথা পৰিষ্কাৰ কৰিছে। ম্যানমাৰৰ ভগনীয়া ৰহিংগীয়া সকলকো অসমত সংস্থাপিত কৰিব লাগে বুলি দাবী উত্থাপন কৰা কংগ্ৰেছে গৰুখুঁটিৰ উচ্ছেদ অভিযানৰ বিৰোধিতা কৰাটো কোনো অস্বাভাৱিক নহয়।' দৰং জিলাৰ ছিপাঝাৰৰ গৰুখুঁটিৰ অবৈধ বেদখলকাৰীক উচ্ছেদৰ বিৰুদ্ধে হোৱা হিংসাত্মক ঘটনাৰ প্ৰতিবাদত আজি গৌৰীসাগৰ অগপৰ আমগুৰি বিধান পৰিষদৰ আঠ পৃষ্ঠাত চাওক

## আদৰ্শ কে এ চি গঠনৰ পোষকতা মুখ্য কাৰ্যবাহী সদস্যৰ



অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ অঞ্চলত কোচ ৰাজবংশী জনগণৰ লগতে অন্যান্য জাতি গোষ্ঠীৰ লোকে শিক্ষা, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক আদি দিশত পিছপৰি আহিছে। এই অঞ্চলৰ জনগণৰ উন্নয়নৰ উদ্দেশ্য গঠিত স্বায়ত্তশাসিত পৰিষদে ৰাইজৰ উন্নয়ন সাধিব বুলি ব্যক্ত কৰিছে নৱ গঠিত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য গোকুল বৰ্মনে। আঠ পৃষ্ঠাত চাওক

■ শিক্ষাবিদ নন্দলাল বৰগোহাঁই স্মৃতিচাৰণ সভা ■ 'উচ্চ শিক্ষা ৰাষ্ট্ৰীয় শিক্ষা নীতি ঃ ২০২০ আৰু সমাজ' বক্তৃতানুষ্ঠান

## অসমৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন হ'ব

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৯ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় জিলাত শিক্ষাৰ প্ৰসাৰ আৰু বিকাশৰ ক্ষেত্ৰত যিকেইগৰাকী শিক্ষাবিদে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল তেওঁলোক অন্যতম শিক্ষাবিদ নন্দলাল বৰগোহাঁই। সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক হোৱাৰ লগতে মহাবিদ্যালয়খনৰ পৰা অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰাৰ পাছত চিটি মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি শিক্ষা প্ৰসাৰত বিশেষ ভূমিকা পালন কৰিছিল। তদুপৰি ডিব্ৰুগড় জিলাৰ বিভিন্ন প্ৰান্তত কে'বাখনো শিক্ষানুষ্ঠান খুলি শিক্ষাবিদ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। এইজন প্ৰাক্তন অধ্যক্ষ তথা শিক্ষাবিদৰ নামতে নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয় হিচাপে স্বীকৃতি প্ৰদান কৰা মহাবিদ্যালয়খনত শিক্ষাবিদজনৰ স্মৃতিচাৰণৰ উদ্দেশ্যে আজি 'উচ্চ শিক্ষা, ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ আৰু সমাজ' শীৰ্ষক এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত বক্তৃতা প্ৰদান কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ জ্যেষ্ঠ অধ্যাপক তথা ভাৰপ্ৰাপ্ত পঞ্জীয়ক ড° জিতেন হাজৰিকাই ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ওপৰত তথ্যসহ আঠ পৃষ্ঠাত চাওক

■ শান্তিস্বৰূপ ভাটনাগৰ বঁটা বিজয়ীক ৰাজহুৱা সম্বৰ্ধনা
■ বিজ্ঞানীসকলো একো একোজন সমাজকৰ্মী ঃ ড° শইকীয়া

## সমাজৰ হিত সাধন কৰা গৱেষণাইহে সমাজলৈ পৰিৱৰ্তন আনিব পাৰে



ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৯ ছেপ্টেম্বৰ ঃ** সন্মানীয় শান্তিস্বৰূপ ভাটনাগৰ বঁটা লাভ কৰি ৰাজ্যৰ লগতে যোৰহাটলৈ গৌৰৱ কঢ়িয়াই অনা চি এছ আই আৰ যোৰহাটস্থিত উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (নেইষ্ট)ৰ বিজ্ঞানী ড° বিনয় কুমাৰ শইকীয়াক আজি যোৰহাট প্ৰেছ ক্লাবত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সামাজিক- সাংস্কৃতিক সংগঠন স্বাভিমান যোৰহাটৰ উদ্যোগত অনুষ্ঠিত সম্বৰ্ধনা সভাত শতাধিক দল-সংগঠন আৰু ব্যক্তিয়ে বিজ্ঞানীজনক ফুলৰ থোপা, গামোচা, চেলেং, সঁফুৰা, গ্ৰন্থৰ টোপোলা আদিৰে উপচাই সম্বৰ্ধনা জ্ঞাপন কৰে। ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি সমাজকৰ্মী শান্তনু পূজাৰীয়ে ড° বিনয় কুমাৰ শইকীয়াই লাভ কৰা শান্তি স্বৰূপ ভাটনাগৰ আঠ পৃষ্ঠাত চাওক

## গৃহৰক্ষী বাহিনীৰ পদ কৰ্তনৰ বিৰুদ্ধে সৰৱ প্ৰশিক্ষণপ্ৰাপ্ত সন্থা

অগ্ৰদূত বাৰ্তা

**দোতমা, ২৯ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ গৃহ বিভাগে অসমৰ গৃহৰক্ষী বাহিনীৰ ৬০ শতাংশ পদ কৰ্তন কৰাৰ বিৰুদ্ধে আজি সন্ধিয়া সৰৱ হৈ পৰে সদৌ অসম প্ৰশিক্ষণপ্ৰাপ্ত গৃহৰক্ষী সন্থাৰ কোকৰাঝাৰ জিলা সমিতি। আজি সন্ধিয়া সন্থাৰ কোকৰাঝাৰ জিলা সমিতিয়ে গোহাঁইগাঁও মহকুমা ভাওৰাগুৰিস্থিত ভি চি ডিৰ প্ৰেক্ষাগৃহত আয়োজিত এক সংবাদমেলত সন্থাৰ জিলা জীতেন চন্দ্ৰ বৰ্মনে কয় যে অসমত ২৫ হেজাৰ গৃহৰক্ষী জোৱান আছে। চৰকাৰে ১৯৬২ তে পৰা গৃহৰক্ষী বাহিনী জন্ম দিছিল। তেতিয়াৰে পৰা চৰকাৰৰ লগত গৃহৰক্ষী বাহিনীয়ে কাম কৰি আছে বুলি জিলা সভাপতি বৰ্মনে কয়। তেওঁ গৃহ বিভাগৰ প্ৰত্যাহ্বান জনাই কয়, 'আপোনালোকে শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বহি গৃহৰক্ষী বাহিনীৰ পদ কৰ্তন কৰাৰ চিন্তা নকৰি প্ৰত্যক্ষভাৱে গৃহৰক্ষী বাহিনীৰ কামসমূহ পৰিদৰ্শন কৰক।' চৰকাৰে এক লাখ চাকৰি দিয়াৰ চিন্তা-চৰ্চা কৰাৰ সময়তে গৃহৰক্ষী বাহিনীৰ প্ৰতি আঠ পৃষ্ঠাত চাওক

■ বৰুৱাবামুণগাঁৱৰ পানী যোগান আঁচনিত উপস্থিত ৰাজহমন্ত্ৰী যোগেন মহন ■ বুজ ল'লে আঁচনিৰ

## প্ৰতিটো পৰিয়ালক বিশুদ্ধ খোৱা পানী যোগান ধৰিবলৈ নিৰ্দেশ



অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰীৰ সপোনৰ আঁচনি 'জলজীৱন আঁচনি'ৰ যোগেদি প্ৰতিটো পৰিয়াললৈ নল যোগে বিশুদ্ধ খোৱা পানী যোগান নিশ্চিত কৰিবলৈ গোলাঘাট জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া-কৰ্মচাৰীক আজি নিৰ্দেশ দিয়ে ৰাজহমন্ত্ৰী যোগেন মহনে। গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ অন্তৰ্গত বৰুৱাবামুণগাঁৱৰ সমীপৰ কমাৰ-কছাৰীগাঁও পানী যোগান আঁচনিত আজি দুপৰীয়া ৰাজহ মন্ত্ৰী মহনে উপস্থিত হৈ প্ৰতি ঘৰ মানুহে বিশুদ্ধ পানী সেৱন কৰাৰ সুবিধা চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰি পানী যোগান আঁচনিসমূহত কৰ্মচাৰী নিযুক্তিৰ বিষয়তো কাৰ্যকৰী হ'ব বুলি কয়। তেওঁ পুনৰ কয় যে বিশুদ্ধ খোৱা পানীৰ অভাৱত গ্ৰামাঞ্চলৰ লোকসকল বিভিন্ন শাৰীৰিক অসুস্থতাত ভুগি আহিছে। প্ৰধানমন্ত্ৰীয়ে এই কথা উপলব্ধি কৰিয়েই এনে এখন আঠ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ১৩ আহিন ১৪২৮ভাস্কৰাব্দ ৩০ ছেপ্টেম্বৰ ২০২১

# বৈষম্য আঁতৰ হ'বনে?

**সম্প্ৰতি** আমাৰ সমাজত সংঘটিত হত্যা-হিংসা, দুৰ্নীতি, ধৰ্ষণ আদি ভয়াবহ ধৰণে বৃদ্ধি পোৱাৰ মূলতে আমাৰ শিক্ষা ব্যৱস্থাৰ ব্যৰ্থতা। অন্যান্য দেশতো এনে দুষ্কাৰ্য কম- বেছি পৰিমাণে সংঘটিত হয় যদিও আমাৰ দেশত ই মহামাৰীৰ ৰূপ ধাৰণ কৰিছে। যিখন সমাজৰ বিশ্ববিদ্যালয়ৰ ডিগ্ৰীধাৰী লোকসকলেই পশুতকৈও অধম কাৰ্যকলাপত ব্ৰতী হয়, তেনে এখন সমাজৰ লোকক শিক্ষিত আখ্যা দিব পাৰিনে? যি সময়ত বহুতেই আনুষ্ঠানিক শিক্ষা লাভৰ পৰা বঞ্চিত হৈ আছিল, তেতিয়াও সমাজত বৰ্তমানৰ লেখিয়াকৈ দুষ্কাৰ্য সংঘটিত হোৱা নাছিল; কিন্তু সাম্প্ৰতিক কালৰ শিক্ষিত সমাজত সংঘটিত পশু সুলভ কাৰ্যকলাপে স্পষ্ট কৰি দিছে যে শিক্ষা লাভৰ দ্বাৰা নৈতিক চৰিত্ৰৰ উত্তৰণ ঘটা নাই। বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষা প্ৰাপ্তিয়ে যদিহে মূল্যবোধৰ শিক্ষা প্ৰদান নকৰে, তেন্তে তেনে শিক্ষা লাভৰ পৰা সমাজৰ কি উপকাৰ হ'ব? দাৰ্শনিক ব্ৰাৰ্টাণ্ড ৰাছেলে কৈছিল— 'বহুল অৰ্থত শিক্ষাৰ উদ্দেশ্য দুটাৰ প্ৰথমটো লিখা-পঢ়াকে আৰম্ভ কৰি কিছুমান কৌশল শিকোৱা আৰু দ্বিতীয়টো হ'ল— মানুহক সু-নাগৰিক হ'বলৈ উপযোগী কৰি গঢ়ি তোলা। ইয়াৰ অৰ্থ নাগৰিকৰ সচেতনতাইহে মানুহক সামাজিক কৰি গঢ়ি তোলে আৰু সমূহীয়া স্বাৰ্থৰ বাবে কাম কৰিবলৈ ব্যক্তিক অনুপ্ৰাণিত কৰে।' কিন্তু আমাৰ শিক্ষা ব্যৱস্থাৰ কেৰোণৰ হেতুকে শিক্ষিতসকল অধিক ব্যক্তি কেন্দ্ৰিক হৈছে আৰু তাৰ ফলস্বৰূপে ৰাজহুৱা ধন আত্মসাৎ কৰি নিজ স্বাৰ্থ পূৰণৰ প্ৰৱণতা প্ৰকট হৈ উঠিছে। যি শিক্ষাই মানুহক সামাজিক কৰি তোলাৰ বিপৰীতে ব্যক্তিকেন্দ্ৰিকহে কৰি তোলে, তেনে শিক্ষা যে অৰ্থহীন সেই কথা সৰ্বপল্লী ৰাধাকৃষ্ণণে এনেদৰে কৈছিল— 'পদাৰ্থ বিজ্ঞান, ৰসায়ণ, অভিযান্ত্ৰিক আৰু কাৰিকৰী কৌশলৰ উৎকৰ্ষ সাধন কৰা মানেই জাতীয় শিক্ষা নহয়, আমাৰ ঐতিহ্যৰ প্ৰমূল্যবোৰ ছাত্ৰ-ছাত্ৰীয়ে সৰ্বান্তকৰণে গ্ৰহণ কৰিব পৰাটোহে জাতীয় শিক্ষা।' জুলিয়ান হাক্সলিয়ে কৈছিল যে কুৰি শতিকাত জ্ঞানৰ বিস্ফোৰণ ঘটিছে; কিন্তু এই জ্ঞান সমাজ গঢ়াৰ সলনি যদিহে ধ্বংসাত্মক কামতহে প্ৰয়োগ হয়, তেন্তে সমাজ যে আদিম যুগৰ বৰ্বৰতাৰ পৰা মুক্ত হ'ব পৰা নাই, সেইটোৱে প্ৰমাণ কৰে।

বিজ্ঞান-প্ৰযুক্তি আৰু শেহতীয়াকৈ ইণ্টাৰনেটৰ সংযোজনে শিক্ষাৰ আমূল পৰিৱৰ্তন ঘটাইছে; কিন্তু পৰম বিস্ময়ৰ কথা এইটোৱেই যে এফালে কিছু সংখ্যক ছাত্ৰই ইণ্টাৰনেটৰ শেহতীয়া উদ্ভাৱনসমূহৰ সদ্ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছে; আনহাতে, গ্ৰামাঞ্চলৰ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ ন্যূনতম সা-সুবিধাখিনিও লাভ কৰিবলৈ সক্ষম হোৱা নাই। এনে বৈষম্য আঁতৰ নোহোৱালৈকে শিক্ষাৰ সুসম বিকাশ সম্ভৱ হ'ব পাৰে কেনেকৈ? আমাৰ সংবিধানত সকলো শিশুৰ বাবেই শিক্ষালাভৰ নিশ্চয়তা দিয়া হৈছে। দৰাচলতে প্ৰতিজন ব্যক্তিৰ দক্ষতাৰ বিকাশ আৰু প্ৰয়োগৰ ওপৰতেই দেশৰ সমৃদ্ধি নিৰ্ভৰ কৰে। আমাৰ নেতাসকলেহে কেৱল সকলোৱে সম-অধিকাৰ লাভ কৰা বুলি প্ৰচাৰ চলাই আহিছে; কিন্তু যদিহে আৰ্থিক অনাটনৰ হেতুকে ল'ৰা-ছোৱালীয়ে শিক্ষানুষ্ঠানলৈ যাবলৈ সক্ষম নহয়, তেন্তে এই ইণ্টাৰনেটৰ যুগতো আমি মধ্যযুগৰ অন্ধকাৰতেই থকাৰ কথা স্বীকাৰ কৰি ল'ব লাগিব। শেহতীয়া পৰিস্থিতিত পৰিলক্ষিত হৈছে যে কৰ'নাৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়সমূহ বন্ধ থকা হেতুকে অনলাইন পাঠদান চলিছে যদিও গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত সম্বলৰ অভাৱত তাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। কেন্দ্ৰীয় চৰকাৰেই হওক, অথবা ৰাজ্য চৰকাৰেই হওক অত্যাধুনিক শিক্ষা যাতে দেশখনৰ সকলো প্ৰান্তলৈকে সমানে সম্প্ৰসাৰিত হয় তাৰ ব্যৱস্থা কৰাটো নিতান্তই উচিত; কিন্তু বিত্তীয় অনাটনৰ অজুহাত দেখুৱাই শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত অৱহেলা দেখুওৱা হৈছে। গ্ৰামাঞ্চলৰ প্ৰায়ভাগতে আধুনিক শিক্ষা পদ্ধতি দূৰৰেই কথা, বহুতো বিদ্যালয়ৰেই অৱস্থা জৰাজীৰ্ণ। এনেকুৱা অবাঞ্চিত বৈষম্য এখন স্বাধীন দেশত চলি থকাটো লজ্জাৰ কথা নহয়নে? প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰতেই যদিহে এনেধৰণৰ বৈষম্য অব্যাহত থাকে, তেন্তে দেশৰ সামগ্ৰিক শিক্ষাৰ বিকাশ সম্ভৱ হয় কেনেকৈ?

## খোলা মঞ্চ

# ৭৫ বছৰীয়া স্বাধীনতাই আমাক কি দিলে?



**ব্ৰিটিছৰ** পৰা ভাৰতক মুক্ত কৰি স্বাধীনতা সংগ্ৰামীসকলে যি স্বৰাজ দেশলৈ আনিলে সেই স্বাধীনতাই আমাক একো নাই দিয়া বুলি একমাত্ৰ নিৰাশাবাদী আৰু স্বাৰ্থপৰ সকলেহে ক'ব পাৰে। আমাৰ শিক্ষা, সাহিত্য, স্বাধীন চিন্তা এই সকলোবোৰ স্বাধীন ভাৰততে বিকশিত হৈছে। এপদ এপদকৈ সুদীৰ্ঘ দিনবোৰত আমাৰ ৰাজহুৱা সম্পদ, শিক্ষানুষ্ঠান, মেডিকেল কলেজ আদি গঢ়ি উঠিল। যিখিনি নাই হোৱা বা নাই পোৱা বুলি আমি দুখ কৰিছো সেইখিনি আমাৰ নিজৰ মানুহেৰে গঠিত, নিজৰ চৰকাৰে কৰি ল'ব লাগিব। ব্ৰিটিছৰ আমাৰ প্ৰতি যি গোলামী মানসিকতা, শোষণৰ মনোবৃত্তি সেইখিনি আমি আঁতৰ কৰি ল'ব লাগিব। আমাৰ এটা দোষ আছে যে অমুকে কি দিলে, তমুকে কি দিলে? কংগ্ৰেছে অত বছৰে কি কৰিলে? যদি একো কৰাই নাই, ৭৫ বছৰীয়া স্বাধীনতাই আমাক কি দিলে বুলি আটাহ পাৰো, তেনেহ'লে যোৱা ছবছৰত যে এইখন চৰকাৰে ৰাজহুৱা সম্পদবোৰ পুঁজিপতিক বিক্ৰী কৰি আছে সেইবোৰ স্বাধীনতাৰ পাছৰ চৰকাৰে গঢ়া সম্পদ নহয় নেকি? স্বাধীনতাই দিয়া বাক্ স্বাধীনতা, গণতান্ত্ৰিক অধিকাৰ আজি খৰ্ব কৰিছে স্বয়ং চৰকাৰে। কোটি কোটি টকাৰ দুৰ্নীতি হৈছে, নেতাবোৰৰ বেংক বেলেন্স বাঢ়ি গৈছে, এইবোৰ স্বাধীনতাই দিয়া আশীৰ্বাদ। এইখন দেশত ভূমিহীন ৰাজনীতিবিদো দুই-তিনি বছৰতে কোটিপতি হৈছে- স্বাধীনতাৰ আশীৰ্বাদতে। সাধাৰণ মানুহ ন্যায়ৰ পৰা, সমতাৰ পৰা বঞ্চিত। ৰাষ্ট্ৰ বা ৰাজ্যিক নেতা, চৰকাৰৰ ভুল পদক্ষেপৰ বাবেহে। স্বাধীনতাৰ ৭৫ বছৰ আগতে আমাৰ কি আছিল— সেইটো মনত পেলোৱাটো প্ৰয়োজন। ভাৰতে স্বৰাজ লাভ কৰাৰ পৰৱৰ্তী দিনবোৰত তিলতিলকৈ আমাৰ সম্পদবোৰ গঢ়ি উঠিছে। তেতিয়াৰ নেতাসকল দূৰদৰ্শী আছিল। এতিয়াৰ ভোগবাদী, বিলাসী আৰু ধনীক শ্ৰেণীৰ জেপত সোমাই থকা নেতাই অতি ভক্তি দেখুৱাবলৈ গৈ জাতীয় দায়িত্ব, সাধাৰণ ৰাইজৰ প্ৰতি কৰণীয়খিনি পাহৰি গৈছে। ৰাইজক ভোট দিয়া মেচিন বুলি ভবা, পুঁজিপতিৰ স্বাৰ্থত কাম কৰা মানুহৰ মানসিকতা দেখি সাধাৰণ জনতা হতাশ হৈছে। দুৰ্নীতি বাঢ়িছে, কৰ্ম সংস্থাপন কমিছে। জনসংখ্যা বাঢ়িছে, মূল্যবৃদ্ধি উৰ্ধ্বমুখী হৈছে। সাধাৰণ মানুহৰ বাবে ন্যায় পোৱাটো বিলাস আৰু খৰচী হৈছে। এনে অৱস্থাত দৰিদ্ৰ, বঞ্চিত জনগণে স্বৰাজে আমাক কি দিলে বুলি প্ৰশ্ন অহাটো স্বাভাৱিক। সু-শাসন, ন্যায় গণতান্ত্ৰিক মনোভাৱ, সমতা আৰু সাম্প্ৰদায়িক সম্প্ৰীতি অবিহনে স্বৰাজে দিয়া প্ৰকৃত স্বাধীনতাৰ স্বাদ আমি অনুভৱ কৰিব নোৱাৰো। ৭৫ বছৰীয়া স্বাধীনতাই আমাক বহুত দিছে। যাৰ বাবে আজি আমি শিক্ষিত, প্ৰগতিশীল জাতি বুলি গৌৰৱ কৰিব পাৰিছো। যিখিনি পোৱা নাই- সেইখিনি গণতান্ত্ৰিক মনোভাৱেৰে, দূৰদৰ্শীতাৰে নাগৰিক সহযোগত চৰকাৰে কৰিবলৈ চেষ্টা কৰিব লাগিব।

**জুৰি শইকীয়া**, *লেখিকা*

*ফোন ঃ ৯৯৫৪৩৪৯৫৩৫*

# মোদীৰ আমেৰিকা ভ্ৰমণৰ উল্লেখনীয় দিশ

## ভাষণত মোদীয়ে কয় যে যেতিয়া ভাৰত বিকশিত হয়, তেতিয়া বিশ্ব বিকশিত হয়, যেতিয়া ভাৰতত সংস্কাৰ সাধন হয় তেতিয়া সলনি হয় বিশ্ব



**ভাৰতৰ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ২৩ ছেপ্টেম্বৰত চাৰিদিনীয়া ভ্ৰমণসূচীৰে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যাত্ৰা কৰিছে। ২০১৪ত প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰ পাছত মোদীৰ এইটো সপ্তম আমেৰিকা ভ্ৰমণ। প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ প্ৰথম কাৰ্যকালত তেওঁ কৰা বিদেশ ভ্ৰমণক লৈ যথেষ্ট আলোচনা-সমালোচনা হৈছিল— যেন তেওঁ প্ৰমোদ বিনোদনৰ কাৰণেহে বিদেশ ভ্ৰমণলৈ গৈছিল। প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰ আগতে তেওঁৰ গুজৰাটৰ মুখ্যমন্ত্ৰিত্বৰ কালত গোধৰাত হোৱা ৰেলগাড়ীত অগ্নিকাণ্ড আৰু তাৰ পাছত হোৱা হত্যাকাণ্ডক কেন্দ্ৰ কৰি আমেৰিকাই তেওঁৰ আমেৰিকা ভ্ৰমণৰ ওপৰত প্ৰতিবন্ধক লগাইছিল। এতিয়া সেই একেগৰাকী মোদী আমেৰিকাৰ 'ম'ষ্ট ৱেলকাম' ভিজিটৰ।

যি হওক, প্ৰধানমন্ত্ৰীৰ এই আমেৰিকা ভ্ৰমণৰ প্ৰধান উদ্দেশ্য আছিল 'কোৱাড' সন্মিলনত যোগদান কৰা আৰু ৰাষ্ট্ৰসংঘৰ ৭৬ সংখ্যক সাধাৰণ পৰিষদৰ বৈঠকত অংশগ্ৰহণ কৰা। আমেৰিকা যুক্তৰাষ্ট্ৰ, ভাৰতবৰ্ষ, অষ্ট্ৰেলিয়া আৰু জাপান, এই চাৰিখন ৰাষ্ট্ৰৰ মাজত এক চাৰিদেশীয় ষ্ট্ৰেটেজিক গোটবন্ধন গঠনৰ কথা বহুদিন আগৰে পৰা চলি আছিল। তাৰ ফলশ্ৰুতিত ৰাষ্ট্ৰ চাৰিখনৰ মাজত হোৱা এক অনানুষ্ঠানিক বুজাবুজি অনুযায়ী এক চাৰিদেশীয় ষ্ট্ৰেটেজিক গোটবন্ধন গঠন কৰা হৈছিল। Quadrilateral Security Dialogue (QSD) নামেৰে জনাজাত এই গ্ৰুপটো ইতিমধ্যে Quadrilateralৰ প্ৰথম চাৰিটা আখৰেৰে চমুকৈ Quad বা 'কোৱাড' হিচাপে জনাজাত হৈ পৰিছে। প্ৰধানকৈ ভাৰতীয় প্ৰশান্ত সাগৰীয় (ইণ্ডো-পেচিফিক) অঞ্চলত চীনদেশৰ সামৰিক উত্থান তথা আগ্ৰাসনে অনা প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ এই চাৰিদেশীয় গোট গঠন কৰা হৈছিল। যোৱা ১২ মাৰ্চত আমেৰিকাৰ ৰাষ্ট্ৰপতি যোছেফ ৰ'বিনেট বাইডেন (চমুকৈ জ' বাইডেন), অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী স্কট মৰিছন, জাপানৰ প্ৰধানমন্ত্ৰী যোশীহিদে ছুগা আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাজত এক 'ভাৰ্চুৱেল' কোৱাড' সন্মিলন অনুষ্ঠিত হৈ যায়। অতি সম্প্ৰতি আমেৰিকাৰ ৱাশ্বিংটন ডিচিত অনুষ্ঠিত হৈ যোৱা 'কোৱাড' সন্মিলনখন চাৰিওগৰাকী নেতাই মুখামুখিকৈ বহি কৰা প্ৰথমখন 'কোৱাড' সন্মিলন।

প্ৰশান্ত মহাসাগৰেৰে সংলগ্ন দক্ষিণ চীন সাগৰখন চীন দেশে কেৱল নিজৰ বুলি দাবী কৰি আহিছে। তাৰ বিপৰীতে সাগৰখন ব্যৱহাৰ কৰি থকা ওচৰ-পাঁজৰৰ আন দেশেও সাগৰখনৰ ওপৰত নিজৰ প্ৰতিপত্তি বজাই ৰখাৰ চেষ্টা চলাইছে। ইয়াকে লৈ দীৰ্ঘদিন ধৰি ইণ্ডোনেছিয়া, মালয়েছিয়া, ফিলিপাইনছ, ভিয়েটনাম, টাইৱান আৰু ব্ৰুনেই এই দেশ ছখনৰ চীন দেশৰ স'তে বিবাদ চলি আছে। বিবাদৰ কাৰণ হৈছে, সাগৰীয় সীমা নিৰ্ধাৰণ, দ্বীপসমূহকে ধৰি সাগৰীয় অঞ্চলৰ ওপৰত, বিশেষকৈ দুটা বিশেষ দ্বীপপুঞ্জৰ ওপৰত দেশসমূহৰ এক্তিয়াৰ তথা সাৰ্বভৌমত্ব স্থাপনৰ আঁৰিয়াআঁৰি আৰু চীন দেশে সাগৰখনত কৃত্ৰিম দ্বীপ নিৰ্মাণ কৰাৰ বিৰোধিতা। অঞ্চলটোত সামৰিক উপস্থিতিৰ বৃদ্ধি, কৃত্ৰিম দ্বীপ নিৰ্মাণ, নিৰীক্ষণ আদিৰ যোগেদি চীনদেশে প্ৰদৰ্শন কৰা আগ্ৰাসী পদক্ষেপ আন দেশৰ কাৰণে গ্ৰহণযোগ্য হোৱা নাই। কেৱল সাগৰখনৰ ওচৰ-পাঁজৰৰ দেশেই নহয়, পৃথিৱীৰ প্ৰায় সকলো উন্নত আৰু উন্নয়নশীল দেশেই বাণিজ্যিক আৰু সামৰিক স্বাৰ্থত সাগৰখনৰ মাজেৰে মুক্তভাৱে নিজৰ নিজৰ জাহাজৰ চলাচল অক্ষুণ্ণ ৰাখিবলৈ বিচাৰে। লগতে বিশ্ব প্ৰেক্ষাপটত চীনদেশৰ ক্ৰমবৰ্ধমান প্ৰতিপত্তি ৰোধ কৰাৰ বাবেও শক্তিশালী দেশসমূহে নিজ নিজ স্বাৰ্থৰ অনুকূলে গোট গঠন কৰি যাৱতীয় পদক্ষেপ গ্ৰহণ কৰি আছে। দক্ষিণ চীন সাগৰৰ মাজেদি চলা জাহাজসমূহে বছৰি প্ৰায় তিনিৰ পৰা পাঁচ ট্ৰিলিয়ন ইউ এছ ডলাৰ মূল্যৰ সামগ্ৰী কঢ়িয়াই নিয়ে। উক্ত বিবাদে আন্তৰ্জাতিক পৰ্যায়ত গুৰুত্ব লাভ কৰাৰ কাৰণ হৈছে এই বৃহৎ পৰিমাণৰ বাণিজ্যৰ লগত জড়িত স্বাৰ্থ। আমেৰিকাই অঞ্চলটোৰ বিবাদী কোনো ৰাষ্ট্ৰৰ পক্ষ লোৱা নাই যদিও সাগৰখনৰ মাজেৰে সামৰিক জাহাজ চলাই ভাৰত মহাসাগৰ আৰু প্ৰশান্ত মহাসাগৰৰ মাজৰ আৱশ্যকীয় সংযোগী জলাশয় হিচাপে মুক্ত সাগৰীয় পথৰ প্ৰয়োজনীয়তা সাব্যস্ত কৰিছে। আমাৰ 'পূবলৈ চোৱা নীতি'ৰ আধাৰো উক্ত সাগৰৰ ওপৰত প্ৰভুত্ব বিস্তাৰৰ স্পৃহা। যি হওক, ৱাশ্বিংটন ডিচিত অতি সম্প্ৰতি অনুষ্ঠিত হোৱা কোৱাড সন্মিলনে ইণ্ডো-পেচিফিক অঞ্চলত কোনো ধৰণৰ ভাবুকি নোহোৱাকৈ সকলোৰে বাবে মুক্ত যাতায়াত নিশ্চিত কৰাৰ অংগীকাৰ গ্ৰহণ কৰিছে। তাৰ ওপৰত প্ৰতিক্ৰিয়া ব্যক্ত কৰি চীন দেশে এই সিদ্ধান্ত বিফল হ'বই বুলি মত প্ৰকাশ কৰিছে। কোৱাড সন্মিলনে আন্তৰ্জাতিক আইন আৰু নীতি-নিয়মৰ ওপৰত বিশ্বাস ৰাখি সাগৰীয় পথেৰে যাতায়াত কৰাৰ স্বাধীনতা তথা সাগৰৰ ওপৰেৰে বিমান চলোৱাৰ স্বাধীনতাৰ অক্ষুণ্ণতা ৰক্ষা, বাদ-বিবাদৰ শান্তিপূৰ্ণ নিষ্পত্তি, দেশসমূহৰ ভূখণ্ডৰ সুৰক্ষা আৰু গণতান্ত্ৰিক মূল্যবোধৰ পোষকতা কৰা বুলি কোৱাডৰ নেতা চাৰিগৰাকীয়ে যুটীয়াভাৱে ঘোষণা কৰিছে। এই সিদ্ধান্তসমূহৰ বাস্তৱ ৰূপায়ণে কেনে ৰূপ লয় সেই কথা অৱশ্যে এতিয়াই অনুমেয় হোৱা নাই।



**সোঁতৰ বিপৰীতে চিন্তা**

**প্ৰবীণ চৌধুৰী**

প্ৰধানমন্ত্ৰীৰ আমেৰিকা ভ্ৰমণে বিশ্ব প্ৰেক্ষাপটত বিশেষ তাৎপৰ্য বহন কৰিছে। যুটীয়াভাৱে চাৰিখন ৰাষ্ট্ৰৰ মুৰব্বীৰ মাজত 'কোৱাড' সন্মিলন অনুষ্ঠিত হোৱাৰ উপৰি মোদীয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি, অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী আৰু জাপানৰ প্ৰধানমন্ত্ৰীৰ স'তেও পৃথক পৃথককৈ দ্বিপাক্ষিক আলোচনাত মিলিত হৈছিল। প্ৰথম দ্বিপাক্ষিক আলোচনা অনুষ্ঠিত হয় আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ লগত। দেশ দুখনৰ মুৰব্বী দুগৰাকীৰ মাজত আনুষ্ঠানিক আলোচনা আৰম্ভ হোৱাৰ আগেয়ে বাইডেনে তেওঁ আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি হৈ থকা কালত মোদীৰে স'তে হোৱা মধুৰ আলোচনা আৰু ৰসাল ঘটনাৰ স্মৃতি ৰোমন্থন কৰে আৰু দুয়ো অন্তৰংগ আলোচনাত মিলিত হয়। যি হওক, এই বৈঠকে দেশ দুখনৰ মাজৰ বন্ধুত্ব অধিক শক্তিশালী কৰাৰ লগতে এই বন্ধুত্বই গোলকীয় প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ ক্ষেত্ৰত সহায়ক হ'ব বুলি দেশ দুখনৰ মুৰব্বী দুগৰাকীয়ে মন্তব্য কৰে। দুয়োগৰাকী নেতাৰ মাজত আলোচনা হোৱা বিষয়সমূহৰ ভিতৰত আছিল ক'ভিড-১৯ পৰিস্থিতিৰে যুঁজ, জলবায়ু পৰিৱৰ্তন, দ্বিপাক্ষিক বাণিজ্য, বিশ্ব সন্ত্ৰাসৰ স'তে মোকাবিলা, ইণ্ডো-পেচিফিক অঞ্চলৰ সামৰিক তথা ৰাজনৈতিক বিষয় ইত্যাদি। মোদীৰ মতে প্ৰযুক্তি বিদ্যা চালিকা শক্তিলৈ ৰূপান্তৰিত হৈছে আৰু প্ৰতিভা তথা দক্ষতাৰে তাক ব্যৱহাৰ কৰি বৃহৎ গোলকীয় উন্নয়নৰ কথা চিন্তা কৰিব লাগিব। লগতে তেওঁ কৈছে যে দুয়োখন ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত বাণিজ্যই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। দুয়োখন দেশৰ মাজত অৰ্থনৈতিক সহযোগিতাৰ বিষয়ে আলোচনা কৰাৰ লগতে তেওঁলোকৰ মাজত আফগানিস্তান সম্পৰ্কেও আলোচনা অনুষ্ঠিত হয়। আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে ৪০ লাখ ভাৰতীয় আমেৰিকানে প্ৰতিদিনে দেশখনক শক্তিশালী কৰাৰ কথা উল্লেখ কৰি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫০ বছৰীয়া জন্ম জয়ন্তীৰ কথাও উল্লেখ কৰে। (মোৰ মতে 'জাতিৰ পিতা'তকৈ 'ৰাষ্ট্ৰৰ পিতা' বেছি এপ্ৰ'প্ৰিয়েট হ'ব)। আনহাতে, নেতা দুগৰাকী একবিংশ শতিকাৰ তৃতীয় দশকৰ আৰম্ভণিতে মিলিত হোৱাটো অতি গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰি মোদীয়ে দশকটোক আকাৰ প্ৰদান কৰাৰ ক্ষেত্ৰত বাইডেনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মত প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে একেদিনাই আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি ভাৰতীয় মূলৰ কমলা হেৰিছ আৰু আমেৰিকাৰ বিভিন্ন ব্যৱসায় খণ্ডৰ লগত জড়িত পাঁচগৰাকী কৰ্প'ৰেট মুৰব্বীৰ স'তেও আলোচনাত মিলিত হয়। কোম্পানীকেইটাই মোদীক আমাৰ দেশত অধিক ধন বিনিয়োগ কৰাৰ আশ্বাস দিয়ে।

২৫ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰসংঘৰ ৭৬ সংখ্যক সাধাৰণ পৰিষদৰ বৈঠকতো ভাষণ প্ৰদান কৰিছে। পৃথিৱীৰ মুঠ ১৯৫ খন ৰাষ্ট্ৰৰ ভিতৰৰ ১৯৩ খন সদস্য ৰাষ্ট্ৰৰ মুৰব্বী তথা প্ৰতিনিধিৰ সন্মুখত প্ৰদান কৰা ভাষণত মোদীয়ে কয় যে যেতিয়া ভাৰত বিকশিত হয়, তেতিয়া বিশ্ব বিকশিত হয়, যেতিয়া ভাৰতত সংস্কাৰ সাধন হয় তেতিয়া সলনি হয় বিশ্ব। ইয়াৰ দ্বাৰা মোদীয়ে বিশ্বৰ মানচিত্ৰত ভাৰতৰ শক্তিশালী ঐতিহ্যৰ উপস্থিতি সাব্যস্ত কৰাৰ লগতে ভাৰতীয় গণতন্ত্ৰৰ ঐতিহ্য, বিশ্ব সন্ত্ৰাসবাদ নিৰ্মূলৰ প্ৰয়োজনীয়তা আদি অনেক গুৰুত্বপূৰ্ণ দিশৰ ওপৰত আলোকপাত কৰে। পাকিস্তানৰ নাম নোলোৱাকৈ অতি কৌশলেৰে মোদীয়ে প্ৰত্যক্ষভাৱে দেশখনে সন্ত্ৰাসবাদক ৰাজনৈতিক সঁজুলি হিচাপে ব্যৱহাৰ কৰাৰ বিষয়ে ৰাষ্ট্ৰসংঘক অৱগত কৰাৰ লগতে আফগানিস্তান তালিবানৰ দখললৈ যোৱাৰ পৰিপ্ৰেক্ষিতত আফগানিস্তানৰ ভূমিৰ পৰা যাতে সন্ত্ৰাসবাদ সম্প্ৰসাৰণ হ'ব নোৱাৰে তাৰ প্ৰতি সূক্ষ্ম দৃষ্টি ৰাখিবলৈ বিশ্বৰ ৰাষ্ট্ৰসমূহৰ প্ৰতি আহ্বান জনায়। বিশ্বৰ ৰাষ্ট্ৰসমূহৰ সন্মুখত ভাৰতৰ ভাবমূৰ্তি উজ্জ্বল কৰাৰ প্ৰচেষ্টা মোদীৰ ভাষণৰ এক বিশেষ বৈশিষ্ট্য। আমি আমাৰ দেশৰ প্ৰচলিত গণতন্ত্ৰত মূল্যবোধৰ অৱক্ষয়ৰ বিষয়ে সমালোচনা কৰি থকাৰ বিপৰীতে তেওঁ ভাৰতীয় গণতন্ত্ৰক বিশ্ববাসীৰ সন্মুখত উজ্জ্বল ৰূপত প্ৰক্ষেপ কৰাৰ বাবে ৰাষ্ট্ৰসংঘৰ মজিয়া বাছি লৈছে। ১৯৩খন ৰাষ্ট্ৰৰ প্ৰতিনিধিৰ সন্মুখত তেওঁ কৈছে যে আমাৰ দেশৰ বৈচিত্ৰতাই আমাৰ শক্তিশালী গণতন্ত্ৰৰ পৰিচয় আৰু বিভিন্ন ভাষা, উপভাষা, বিভিন্ন জীৱনশৈলী, বিভিন্ন ৰন্ধনশৈলী আদিৰে দেশখন হৈছে প্ৰাণৱন্ত গণতন্ত্ৰৰ উজ্জীৱিত উদাহৰণ। গণতন্ত্ৰৰ বিষয়ে এনে এক ব্যতিক্ৰমী দৃষ্টিভংগীৰ প্ৰকাশ নিশ্চয় লক্ষ্যণীয় আৰু প্ৰশংসনীয়।

অপ্ৰাসংগিক হ'লেও এইখিনিতে মনলৈ অহা কথা এটাৰ উল্লেখ নকৰি নোৱাৰিলো। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নেতা বুলি গণ্য কৰিব নোখোজা ছাত্ৰ সন্থাৰ নেতা, অজিত ভূঞা-অখিল গগৈ আদিৰ দৰে স্থানীয় নেতাক ৰাষ্ট্ৰসংঘত ভাষণ প্ৰদান কৰিবলৈ পঠালে তেওঁলোকে তালৈ যাবলৈ সাহস কৰিব নে? বৰ্তমান সময়ত ৰাষ্ট্ৰসংঘত ভাষণ প্ৰদান কৰাৰ বাবে উপযুক্ত অসমীয়া কোনোবা আছে নে বুলি প্ৰশ্ন কৰিলে মাথোন এগৰাকী লোকৰ কথা মনলৈ আহিব। তোযামোদৰ দোষে চুব বুলি ভাবি নামটো উচ্চাৰণ নকৰিলো যদিও সকলোৱে কথাটো বুজি পাইছেই কিজানি। অসমত অসমীয়াৰ প্ৰভুত্ব বিচাৰি দপ্‌পাই থকা জাতিটোৰ কোনো এজন লোকেই এতিয়ালৈকে ৰাষ্ট্ৰসংঘত ভাষণ প্ৰদান কৰিবলৈ যোগ্য বিবেচিত হোৱা নাই। কথাটোৱে এই দিশত ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অসমীয়া জাতিটোৰ শোকলগা স্থিতিৰ কথা প্ৰকাশ কৰা নাই নে? বিশ্বৰ সকলো ৰাষ্ট্ৰই শুনাকৈ কোৱাৰ মঞ্চ এই ৰাষ্ট্ৰসংঘৰ মজিয়াত কোনোবা এগৰাকী অসমীয়াই ভাষণ দিব বুলি আশা কৰাটোও জাতিটোৰ উত্তৰণৰ এটা লক্ষ্য হ'ব নোৱাৰেনে?

এটা কথা ঠিক যে সৰহভাগ ভাৰতীয়ৰ দৰেই বিশ্ব প্ৰেক্ষাপটতো চীনদেশক ভাল নোপোৱা অনেক লোক আছে। অথচ বিশ্ব প্ৰেক্ষাপটত চীনদেশক ভয় কৰা লোকো আছে অনেক। দৰাচলতে এনে ভীতিগ্ৰস্ততাই 'কোৱাড'ৰ দৰেই গ্ৰুপৰ জন্ম দিছে। দেশসমূহৰ উমৈহতীয়া স্বাৰ্থৰ ভিত্তিত বিশ্বজুৰি কোৱাডৰ দৰে অনেক গ্ৰুপৰ সৃষ্টি হৈছে। ASEAN, G-8, G-20, SAARC, AUKUS আদি তেনে গ্ৰুপৰ উদাহৰণ। এসময়ত ভাৰতৰ উদ্যোগত আৰম্ভ কৰা নন-এলাইণ্ড মুভমেণ্ট অৱশ্যে এতিয়া চৰ্চাৰ শীৰ্ষত থকা নাই। ব্যৱসায়-বাণিজ্যৰ সূচলতা আৰু সামৰিক ঘাটি স্থাপনেৰে নিজৰ প্ৰতিৰক্ষা নিশ্চিত কৰা আৰু বিপদ কালত আনৰ ওপৰত আক্ৰমণ কৰাৰ সূচলতা নিশ্চিত কৰাৰ বাবেই বিশ্বৰ প্ৰভাৱশালী দেশসমূহৰ মাজত আঁৰিয়াআঁৰি চলি থাকে।

আফগানিস্তানত তালিবানৰ পুনৰুত্থান আৰু অলপতে সন্ত্ৰাসবাদী সংগঠনটো দেশখনৰ শাসনত অধিষ্ঠিত হোৱা ঘটনাটোৱে সমগ্ৰ বিশ্বকে জোঁকাৰি গৈছে। ইয়াৰ প্ৰভাৱ কেৱল ৰাজনৈতিক ক্ষেত্ৰখনতে নহয়, অৰ্থনৈতিক ক্ষেত্ৰখনতো বাৰুকৈয়ে পৰিছে। ঘটনাটোক লৈ আমাৰ দেশখনক প্ৰধানকৈ দুটা দিশৰ পৰা উদ্বিগ্ন কৰি তুলিছে। এটা হৈছে তালিবানৰ সন্ত্ৰাসবাদে আমাৰ দেশলৈ অনা সন্ত্ৰাসবাদ সম্প্ৰসাৰণৰ ভাবুকি আৰু ভাৰতবৰ্ষই আফগানিস্তানত কৰা তিনি বিলিয়ন ডলাৰৰো অধিক বিনিয়োগৰ প্ৰতি অহা ভাবুকি।

আনহাতে, অতি সম্প্ৰতি চলা তালিবানৰ চৰ্চাই ছিৰিয়া, লেবানন আদি দেশত সন্ত্ৰাস বিলোৱা 'ইছলামিক ষ্টেট'ৰ কাৰ্যকলাপ, ইজৰাইল আৰু পেলেষ্টাইনৰ মাজৰ সংঘৰ্ষ আদিৰ কথা তল পেলাইছে।

যি হওক, মোদীৰ আমেৰিকা ভ্ৰমণৰ তাৎপৰ্য বিচাৰ এক কঠিন বিষয়। তৎসত্ত্বেও বিশ্ব প্ৰেক্ষাপটত এগৰাকী সবল আৰু বিশ্ব নেতা হিচাপে তেওঁ এক গ্ৰহণযোগ্য স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। ভাৰতীয়সকলৰ বাবে ই নিশ্চয় এক গৌৰৱৰ কথা।

*ফোন ঃ ৮১৩৫৮৪৮৬২৩*

**অৱলোকন**



**চাইৰা ইছলাম বড়া**

# দেশ চাই বেশ

## মানুহ পৰিস্থিতিৰ দাস। যুগৰ পৰিৱৰ্তনক মানি লোৱা হৈছে বুলিয়েই চিৰাচৰিতভাৱে চলি অহা সভ্যতা-সংস্কৃতিক বিসৰ্জন দিব নোৱাৰি

**বিশ্বৰ** সকলো দেশৰ জলবায়ু, কৃষ্টি-সংস্কৃতি অনুসৰি খাদ্যাভ্যাসৰ লগতে পোছাক-পৰিচ্ছদৰো ভিন্নতা দেখা যায়। দৈনন্দিন জীৱনত পৰিৱেশ-পৰিস্থিতি ভেদে আমি পৰিধান কৰা সাজ-সজ্জা যোৰেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। যুগৰ পৰিৱৰ্তন হ'লেও সামাজিক ভেটি শক্তিশালী কৰি ৰখাত পোছাক-পৰিচ্ছদৰ ওপৰতো কেতবোৰ নিয়ম প্ৰচলিত হৈ আহিছে। সমাজ ব্যৱস্থাৰ উৰ্ধ্বত কোনোৱেই নহয়, মন গ'লেই অশোভনীয় পোছাক এযোৰ পৰিধান কৰি জনসাধাৰণৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাটো দুৰ্বল মনৰহে পৰিচায়ক। আপোনাৰ ব্যৱহাৰে আপোনাৰ পৰিচয়ৰ দৰে স্থান-কাল-পৰিস্থিতি অনুসৰি পৰিধান কৰা পোছাকযোৰেও এজন ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ ওপৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কোন ঠাইত, কি পৰিৱেশত কেনেকুৱা পোছাক পিন্ধি যোৱা উচিত এই বিষয়ে কিছু পৰিমাণে হ'লেও সকলোৱে সম্যক জ্ঞান থাকে। প্ৰতিটো পৰিয়ালৰ প্ৰচলিত আচৰণ বিধিৰ লগতে সামাজিক সংস্কাৰৰ মাজত এটি শিশু লালিত-পালিত হয়, সেয়ে ঘৰখনৰ পৰাই আৰম্ভ হোৱা সংস্কাৰবোধৰ জ্ঞানে সৰুৰে পৰাই এজন ব্যক্তিৰ চাল-চলন, আচাৰ-ব্যৱহাৰৰ ওপৰত প্ৰভাৱ পেলোৱাটো স্বাভাৱিক। এনে ক্ষেত্ৰত সংস্কৃতিবান পৰিয়াল এটা সমাজখনৰেই আদৰ্শ স্বৰূপ হৈ পৰে। নিজৰ সামৰ্থৰে যোগাৰ কৰিব পৰা এযোৰ সুন্দৰ পোছাক পৰিধান কৰিবলৈ সকলোৰে ইচ্ছা থাকে, কিন্তু বহু ক্ষেত্ৰত এযোৰ মূল্যৱান পোছাকতকৈ পৰিশিলিত পোচাক এযোৰহে অধিক আকৰ্ষণীয়। বহু লোকে স্থান-কাল-পাত্ৰ পাহৰি নিজৰ ৰুচিবোধক প্ৰাধান্য দি পৰিধান কৰা অদ্ভুত পোছাক এযোৰে ঠাই ভেদে কুসংস্কাৰৰ নমুনাহে প্ৰতিফলিত কৰে। ৰং-বিৰঙী এযোৰ পোচাকে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলেও সেই পোছাক যোৰ পৰিৱেশৰ স'তে খাপ খোৱাটোও নিতান্তই প্ৰয়োজন। অন্যথা লোকচক্ষুত হাঁহিয়াতৰ পাত্ৰও হ'বলগীয়া হয়। সাধাৰণতে অসমৰ সভ্যতা-সংস্কৃতিৰ স'তে সামঞ্জস্য ৰাখি সৰ্বসাধাৰণ সচেতন ৰাইজৰ মাজত পোছাক-পৰিচ্ছদ পৰিধান কৰাৰ ক্ষেত্ৰত খুবেই সতৰ্কতা অৱলম্বন কৰা দৃষ্টিগোচৰ হয়।

সময়ৰ গতিত আধুনিকতাৰ গ্ৰাসত পৰি যুগৰ পৰিৱৰ্তনক মানি ল'লেও সমাজ জীৱনৰ উৰ্ধ্বত কাৰো পক্ষে বহুৱালি কৰাটো অনুচিত। এজন ব্যক্তিৰ অসাধাৰণ ব্যক্তিত্বৰ লগতে পৰিপাটিকৈ পিন্ধা এযোৰ মাৰ্জিত পোছাকে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। মানুহ মাত্ৰেই সৌন্দৰ্যপ্ৰিয়। সকলোৱে ইচ্ছা কৰে নিজকে সজাই-পৰাই এক আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী কৰি তুলিবলৈ। প্ৰতিজন ব্যক্তিৰে ৰুচিবোধৰ তাৰতম্য থাকে। পুৰুষেই হওক বা মহিলায়েই হওক, যিকোনো অনুষ্ঠানলৈ যাবলগীয়া হ'লে পৰিৱেশৰ লগত সামঞ্জস্য ৰাখি তেওঁ পৰিধান কৰা সাজ-পোছাক যোৰৰ প্ৰতি সদা সচেতন হয়। ব্যক্তিত্ব বিকাশত যে ব্যক্তি বিশেষৰ পোছাক-পৰিচ্ছদৰ বাছনিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে এই কথা সৰ্বজনবিদিত। এযোৰ অশালীন পোছাকে মানুহৰ বিকৃত ৰুচিবোধৰ পৰিচয় সহজতে উদঙাই দিয়ে। কোনো লোকেই অপছন্দৰ অশোভনীয় সাজ-পাৰ পৰিধান কৰিবলৈ আগ্ৰহী নহয়। বিশেষকৈ পুৰুষৰ তুলনাত মহিলাসকল সাজ-সজ্জাৰ ক্ষেত্ৰত বেছি সজাগ। মহিলাসকলে প্ৰকৃতিগতভাৱেই নিজকে সজাই পৰাই ভাল পায়। ব্যক্তি বিশেষৰ বয়স ভেদে পোছাকে প্ৰাধান্য পায়, বয়সৰ লগত সংগতি ৰাখি পৰিধান কৰা পোছাক এযোৰে লোকচক্ষুত সন্মান বঢ়াই তোলে। এযোৰ পৰিশীলিত সাজ পোছাক পৰিধান কৰাৰ আঁৰৰ মানুহজনৰ মনটোও নিকা ভাবমূৰ্তিৰ হ'লেহে সৌন্দৰ্য দুগুণে চৰে। অন্তৰ পবিত্ৰ হ'লে স্বতঃস্ফূৰ্তভাৱে প্ৰকাশিত হোৱা নমনীয় ব্যৱহাৰৰ ব্যক্তিজনে যিকোনো পৰিৱেশতে জনপ্ৰিয়তা অৰ্জন কৰে। বৰ্তমান পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণে পোছাকৰ ক্ষেত্ৰতো নৱপ্ৰজন্মক যথেষ্ট পৰিমাণে প্ৰভাৱিত কৰিছে। অন্ধ অনুকৰণৰ গ্ৰাসত পৰি সমাজৰ বাতাৱৰণ উশৃংখল কৰাতকৈ স্বমৰ্যাদা অক্ষুন্ন ৰাখি এটি সুস্থ বাতাৱৰণ গঢ়ি তোলাতহে গুৰুত্ব আৰোপ কৰা উচিত। পৰিৱেশ পৰিস্থিতিৰ অনুকূলে পোছাক পৰিধান কৰাজন সদায়েই আদৰণীয়।

মনটোৱে যত অথন্তৰৰ মূল, মনক স্থিৰ ৰাখিব পাৰিলেই প্ৰচলিত সমাজ ব্যৱস্থাৰ নীতি-নিয়মক কোনেও অতিক্ৰম কৰিব নোৱাৰে। যিকোনো ৰাজহুৱা স্থানত আমি পৰিধান কৰা পোছাকযোৰে এখন ঠাইৰ জাতীয় সংস্কৃতিৰ পৰিচয়ৰ চানেকি দাঙি ধৰে। সেয়ে স্থান, কাল, পৰিস্থিতিৰ ওপৰত সংগতি ৰাখি এযোৰ পোছাক পৰিধান কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া খুবেই প্ৰয়োজন। বিয়া, সভা, ধৰ্মীয় অনুষ্ঠান, শিক্ষানুষ্ঠান, কৰ্মক্ষেত্ৰ নতুবা মৃতকৰ ঘৰলৈ যাওঁতে পৰিৱেশৰ স'তে খাপ খোৱা পোছাক এযোৰহে পৰিধান কৰা হয়। কথাতেই কয়— খাবা নিজৰ পছন্দত, পিন্ধিবা আনৰ পছন্দত। যিহেতু এযোৰ পোছাকে আপোনাৰ ব্যক্তিত্বৰ লগতে আভ্যন্তৰীণ মনটোৰো কিছু আভাস লোকচক্ষুত দাঙি ধৰে। এটা সংযত মনৰ পৰিচয় আপুনি পিন্ধা পোছাক যোৰেও নিশ্চয় বহন কৰে। ঠাই বিশেষে আচহুৱা পোছাক এযোৰে আমাৰ ব্যক্তিত্বৰ টুলুঙা স্বৰূপটো উদঙাই দিয়াত মুখ্য ভূমিকা



পালন কৰে। বহু ক্ষেত্ৰত হাঁহিয়াতৰ পাত্ৰও হ'বলগীয়া হয়। বহু মতগৰ্বী লোকে এইবোৰ সাধাৰণ কথা বুলি ভ্ৰুক্ষেপ নকৰি অমাৰ্জিত সাজ পোছাক পিন্ধি যিকোনো ঠাইত পৰিৱেশ বিনষ্ট কৰাত হাত উজান দিয়াৰ লগতে দৃষ্টিকটুভাৱে আলোচনাৰ বিষয়বস্তু হৈ পৰে। বহুতৰ মতে জানি-বুজিও নিজৰ সস্তীয়া প্ৰচাৰৰ উদ্দেশ্যে স্বইচ্ছাৰে বিসংগতিপূৰ্ণ পোছাক পৰিধান কৰি আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'বলৈও অপচেষ্টা কৰে। এয়াও হয়তো উগ্ৰ আধুনিকতাৰ নামত কিছুমান বেপৰোৱা লোকৰ বহুৱালি মাত্ৰ।

মানুহ পৰিস্থিতিৰ দাস। যুগৰ পৰিৱৰ্তনক মানি লোৱা হৈছে বুলিয়েই চিৰাচৰিতভাৱে চলি অহা সভ্যতা-সংস্কৃতিক বিসৰ্জন দিব নোৱাৰি। আমি বসবাস কৰা সমাজ ব্যৱস্থাই সৰুৰে পৰাই কম-বেছি পৰিমাণে আমাক নিজৰ পোছাক-পৰিচ্ছদ পৰিধানৰ বিষয়ে সতৰ্কতা অৱলম্বন কৰিবলৈ কিছু হ'লেও অভিজ্ঞ কৰি তোলে। সমাজ এখনত প্ৰচলিত নিয়ম উলংঘা কৰাৰ কাৰো অধিকাৰ নাই, নিয়ম বহিৰ্ভূত কথা কাণ্ডই আমাৰ পাৰিপাৰ্শ্বিক পৰিৱেশ বিনষ্ট কৰে। এখন সমাজত চলি থকা নীতিসমূহ মানি চলাটো প্ৰত্যেকজন লোকৰে দায়িত্ব, অন্যথা সমাজ এখনত উচ্ছৃংখলতাই বিৰাজ কৰিব। শিক্ষানুষ্ঠানসমূহক জ্ঞানৰ মন্দিৰ বুলি গণ্য কৰা হয়, মানৱ সম্পদৰ ভৱিষ্যত গঢ়াৰ কমাৰশাল। শিক্ষকসকলৰ তত্বাৱধানত স্কুলৰ আদিপাঠৰ আৰম্ভণিৰ প্ৰথম পৰ্যায়ৰ পৰাই এগৰাকী শিক্ষাৰ্থীক গঢ়ি-পিটি উপযুক্ত শিক্ষা প্ৰদান কৰাৰ লগতে মানৱীয় আচৰণসমূহৰ ওপৰত উপযুক্ত শিক্ষাৰে ভৱিষ্যতৰ এজন সু-নাগৰিক হিচাপে গঢ়ি তোলা হয়। তদুপৰি সমাজ জীৱনৰ সংস্কাৰৰ ওপৰতো উপযুক্ত জ্ঞান প্ৰদান কৰা হয়। শিক্ষানুষ্ঠানসমূহতো নিয়মানুৱৰ্তিতাৰ লগতে শালীনতাবোধ মানি চলাৰ উদ্দেশ্য আগত ৰাখি শ্ৰেণীবিশেষে সকলোৰে বাবে ভিন্ন ধৰণৰ ইউনিফৰ্মৰ পৰিধান কৰাটো বাধ্যতামূলক; কিন্তু সময়ৰ গতিত পূৰ্বৰ দিনৰ তুলনাত বৰ্তমান পৰিৱেশত কৰবাত যেন উগ্ৰ আধুনিকতাৰ কুপ্ৰভাৱ পৰি নিয়ম বহিৰ্ভূত কিছুমান আচহুৱা কাৰ্য-কলাপে আমাক আচম্বিত কৰি তুলিছে। কোনেও জানি-বুজি নলগা জেওঁত লাগি অপদস্ত হ'বলৈ নাযায়। আত্মসন্মানৰ কথা চিন্তা কৰিয়ে হয়তো বিজ্ঞজনেও বহু ক্ষেত্ৰত স্পৰ্শকাতৰ বিষয়সমূহৰ পৰা নিজকে আঁতৰাই ৰখায়ে মংগল বুলি গণ্য কৰে। যিহেতু বলে নোৱাৰা শিলক পৰি নমস্কাৰ। দৈনন্দিন জীৱন ব্যৱস্থাত সংস্কাৰ বুলিও কথা এষাৰ আছে। নিজৰ ঘৰখনৰ পৰাই সংস্কাৰৰ আৰম্ভ হয় যদিও বহুতো অসহিষ্ণু মনৰ যুৱক-যুৱতীয়ে নিজৰ মইৰৰ আঁকোৰগোজ স্বভাৱৰ বাবে অশুদ্ধকো শুদ্ধ বুলি পতিয়ন নিয়াবলৈ অব্যাহত ৰখাৰ অপচেষ্টাক পৰিয়ালৰ লোকসকলেও একেমুখে গৰিহণা দিয়াৰ বাদে উপায়হীন হৈ পৰে। যুগৰ স'তে ফেৰ মাৰিবলৈ যাওঁতে নিজৰ অস্তিত্ব পাহৰি গ'লে সমাজখনৰেই ক্ষতি হোৱাৰ সম্ভাৱনা অধিক। সাজ-পাৰ পৰিধান কৰাৰ ক্ষেত্ৰতো আবেগতকৈ বিবেকক প্ৰাধান্য দিলে নিশ্চিতভাৱে নিজৰ লগতে দহৰো উপকাৰ সাধন হ'ব।

*ফোন ঃ ৯১০১৫১৭৮৪৭*

# কৰ্তৃপক্ষই আকৌ এবাৰ চিন্তা কৰক

**সমগ্ৰ** দেশৰ লগতে ৰাজ্যত বৰ্তমানো ক'ভিড-১৯ মহামাৰীৰ ভয়াৱহতা শেষ হোৱা নাই; কিন্তু ইয়াৰ মাজতে তেজপুৰ বিশ্ববিদ্যালয়ে স্নাতকোত্তৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰীসকলক বিশ্ববিদ্যালয় চৌহদলৈ মাতিছে। অনলাইন ক্লাছৰ পৰিৱৰ্তে শাৰীৰিক পাঠদান কাৰ্যসূচী গ্ৰহণ কৰাৰ উদ্দেশ্যে বিশ্ববিদ্যালয়লৈ বুলি মাতিছে হয়; কিন্তু আজিৰে পৰা দুই-তিনি দিন ধৰি বিশ্ববিদ্যালয়ৰ ভিতৰত থকা কেইখনমান হোষ্টেলত প্ৰতিদিনে সাত-১৪ জন শিক্ষাৰ্থী ক'ভিড-১৯ পজিটিভ পোৱাৰ পাছতো বিশ্ববিদ্যালয় কৰ্তৃপক্ষই হোষ্টেলসমূহ খালী কৰি দিয়াৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰা নাই। উল্লেখ্য বিষয় এইটোৱেই যে বিশ্ববিদ্যালয় চৌহদত প্ৰৱেশ কৰাৰ আগতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ পৰা বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এখন undertaking ফৰ্ম ভৰ্তি কৰিবলৈ কৈছে, য'ত স্পষ্টকৈ লিখা আছে যে বিশ্ববিদ্যালয় চৌহদৰ ভিতৰত ক'ভিডত আক্ৰান্ত হ'লে মই নিজেই (শিক্ষাৰ্থীজন নিজেই) দায়ী, তাৰ বাবে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ কোনো ধৰণৰ হস্তক্ষেপ নাথাকিব। মন কৰিবলগীয়া কথাটো হ'ল যে বিশ্ববিদ্যালয়খনে নিজেই শিক্ষাৰ্থীসকলক বিশ্ববিদ্যালয়লৈ বুলি মাতিছে। তাৰ বিপৰীতে আকৌ শিক্ষাৰ্থীসকলে নিজৰ লগতে নিজৰ নিজৰ অভিভাৱকৰ স্বাক্ষৰ প্ৰদান কৰি চুক্তিবদ্ধ হ'বলৈ বাধ্য কৰোৱাটো সঁচাই চিন্তনীয় বিষয়। কোনো অভিভাৱকে নিজৰ সন্তানক ক'ভিড-১৯ মহামাৰীত আক্ৰান্ত হোৱাটো নিবিচাৰে। বিশ্ববিদ্যালয় ভিতৰছোৱাত প্ৰতিদিনে ক'ভিড পজিটিভ শিক্ষাৰ্থী পোৱাটো বিচাৰযোগ্য বিষয় বুলি ক'ব বিচাৰো আৰু লগতে সজাগ সচেতন অভিভাৱক হিচাপে বিশ্ববিদ্যালয় কৰ্তৃপক্ষলৈ মোৰ অনুৰোধ যে আপোনালোকে ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ লগত খেলা কৰি স্বাস্থ্যলৈ অমানিশা মাতি নানিব। ছাত্ৰ-ছাত্ৰীৰ ক'ভিড-১৯ পজিটিভ পোৱাৰ পাছতো বিশ্ববিদ্যালয় কৰ্তৃপক্ষই কিয় শিক্ষাৰ্থীসকলক ঘৰলৈ যাব দিয়া নাই সেয়া সন্দেহৰ আৱৰ্তত; কিন্তু সজাগ আৰু দায়িত্বশীল অভিভাৱক হিচাপে অকল ময়েই নহয় মোৰ লগত বাকীবোৰ সচেতন অভিভাৱককেও মত পোষণ কৰিব। গতিকে বিষয়টো বিশ্ববিদ্যালয় কৰ্তৃপক্ষই চালি-জাৰি চোৱাটো দৰকাৰ; কিয়নো কোনোবা শিক্ষাৰ্থীৰ স্বাস্থ্যৰ প্ৰতি হেঙাৰ আহিলে তাৰ বাবে দায়ী কোন হ'ব তাৰ নিশ্চয়তা বিশ্ববিদ্যালয় কৰ্তৃপক্ষই দিব পাৰিবনে?

অ ভি ম ত

**সজাগ অভিভাৱক**



কোকিলকণ্ঠী লতা মংগেস্কাৰৰ স'তে ড° ভূপেন হাজৰিকা।

## প্ৰিয়ম তোমাৰ সিপাৰে মোৰ আন কোনো পৃথিৱী নাই

# ড° ভূপেন হাজৰিকাৰ জীৱন ভিত্তিক এখন উপন্যাস

### একাধিক নাৰীৰ লগত সম্পৰ্ক থাকিলেও শিল্পীজন প্ৰিয়মৰ আজীৱন প্ৰেমিক

**ড° আনন্দ বৰমুদৈ**

**মানুহ** এজনৰ জীৱনৰ ঘটনা, কাৰ্য আৰু চিন্তাৰ লিখিতৰূপেই জীৱনী। কাৰোবাৰ জীৱনক লৈ যিজনে উপন্যাস লিখে লিপিবদ্ধ তথ্যৰ আধাৰতে সৃজনীশীল কল্পনাৰে নতুন কথা যোগ দিবও পাৰে। এনেদৰে নতুনকৈ যোগ দিয়া কথাক নিশ্চয় সম্ভাৱনীয়তা সূত্ৰই সমৰ্থন কৰিব লাগিব। জীৱনীয়েই হওক বা জীৱনীমূলক উপন্যাসেই হওক ব্যক্তি এজনৰ জীৱনক চিত্ৰিত কৰিবলৈ যাওঁতে তেওঁৰ যুগ আৰু সেই যুগৰ সমাজ জীৱনো উদ্ভাসিত হয়। জীৱনী গ্ৰন্থত এসময়ত মানুহগৰাকীৰ জীৱনৰ প্ৰশংসনীয় দিশবোৰৰ কথাহে উল্লেখ কৰা হৈছিল। লিটল ষ্ট্ৰেচিৰ এমিনেণ্ট ভিক্তৰি য়ানচৰ পাছৰ পৰাহে ইংৰাজী সাহিত্যত জীৱনীত দোষে-গুণে মানুহক দাঙি ধৰাৰ পৰম্পৰা আৰম্ভ হৈছিল। জীৱনী গ্ৰন্থত জীৱনীকাৰে যিমান সাৱধানতাৰে তথ্য আৰু সত্য ঘটনাৰ ওপৰত নিৰ্ভৰ কৰিলেও তেওঁৰ সৃজনী কল্পনাই সিবিলাকক সামান্য পৰিমাণে হ'লেও প্ৰভাৱিত কৰে। জীৱনীমূলক উপন্যাস লিখাজনৰ কল্পনাই ঘটনা, তথ্য আদিৰ ওপৰত কিছু পৰিমাণে মুকলি বিচৰণ কৰাৰ সুবিধা পায়। কিন্তু বিখ্যাত মানুহৰ জীৱনক লৈ উপন্যাস লিখাত জটিলতাও আছে। তেওঁৰ জীৱনৰ সৰু- ডাঙৰ প্ৰায় সকলো কথাই পাঠকৰো জনা থাকে। সংবাদ মাধ্যমেই সাধাৰণতে সেইবোৰ কথা পাঠকক অৱগত কৰি ৰাখে। ঔপন্যাসিকে পাঠকে জনা কথাবোৰকে কৈ থাকিলে পাঠকে আমনি পায় আৰু নতুন কথা আৱিষ্কাৰ কৰাও সহজ নহয়। ঔপন্যাসিকজনে বিখ্যাত মানুহজনৰ জীৱন আৰু কৃতিৰ বিস্তৃত অধ্যয়ন কৰি মানুহজনৰ দীঘলীয়া সাক্ষাৎকাৰ লৈ কিবা নতুন কথা উলিয়াই আনিব পাৰে; কিন্তু মানুহজনৰ মৃত্যুৰ পাছত যি উপন্যাস লিখে, তেওঁৰ সেই সুবিধাটোও নাথাকে।

আধুনিক অসমৰ আটাইতকৈ বিখ্যাত মানুহজন ড° ভূপেন হাজৰিকা। তেওঁৰ নাম আৰু গীত নুশুনা মানুহ অসমৰ চুকে-কোণেও ক'তো এজনো নোলাব। জনপ্ৰিয়তাৰো তেওঁ শীৰ্ষত আছিল আৰু কৰ্মক্ষেত্ৰ আছিল বিশাল। মৃত্যুৰ পাছত একাধিক ঔপন্যাসিকে তেওঁৰ জীৱনক ভিত্তি কৰি উপন্যাস লিখিছে আৰু ডাঃ মাধুৰ্য ঠাকুৰে লিখা উপন্যাসখনৰ শিৰোনাম 'সেউজীয়া উপত্যকা, সোণোৱালী ৰ'দ'। উপন্যাসৰ কাহিনী আৰম্ভ হৈছে শিল্পীজনৰ জীৱনৰ শেষৰ ফালে আৰু এৰি অহা দিনবোৰলৈ তেওঁ উভতি চাইছে। ভিন্ন সময়ত ভিন্ন ঘটনা তেওঁৰ মনলৈ আহিছে আৰু কিছুমান কথা স্বাভাৱিক, তেওঁ পাহৰি গৈছে। অগা-পিছা কৰি আৰু সময়ত কুণ্ডলী পকাই ঘটনা আগবাঢ়িছে। ঔপন্যাসিকে পাঠকে নজনা একো নতুন কথা ক'বলৈ বিচৰা নাই। কিন্তু চিনাকি ঘটনা। পৰিৱেশ আৰু পৰিস্থিতিৰ মাজতে নিজৰ দৃষ্টিকোণ পৰিষ্কাৰ কৰিছে। তেওঁ এই মহান শিল্পীজনক প্ৰিয়মৰ এজন প্ৰেমিক হিচাপে দাঙি ধৰিছে একাধিক নাৰীৰ লগত সম্পৰ্ক থাকিলেও শিল্পীজন প্ৰিয়মৰ আজীৱন প্ৰেমিক। ঔপন্যাসিকে এই কথা কাহিনীৰ একাধিক ঠাইত পুনৰাবৃত্তি কৰি কাহিনীৰ কেন্দ্ৰীয় বিষয় কৰিছে ঃ 'সেই সময়ত তেওঁৰ ভৱিষ্যতৰেই অন্য নাম প্ৰিয়ম। (পৃষ্ঠা ঃ ৩১) হেমেনে তেওঁক কৈছে, 'চোৱা বন্ধু, প্ৰিয়ম আজিও প্ৰিয়ম হাজৰিকা হৈয়ে আছে।' (পৃঃ ৩৩) একেটা অধ্যায়তে আকৌ তেওঁ কৈছে, 'প্ৰিয়মে ৰিটায়াৰ কৰাৰ পাছত সংসাৰখন আকৌ জোৰা লগ্নটো।



' ষষ্ঠ অধ্যায়ত কোৰা হৈছে, 'প্ৰিয়মৰ সিপাৰে কোনো আকাশ নাই, কোনো পৃথিৱী নাই। ' (পৃষ্ঠা ঃ ৫৭) সপ্তম অধ্যায়ত কোৰা হৈছে, 'প্ৰিয়ম তেওঁৰ কাষৰ পৰা, জীৱনৰ পৰা আঁতৰি গ'লেও হৃদয়ৰ পৰা আঁতৰি যোৱা নাই।... প্ৰিয়মক তেওঁ আত্মাৰ সাৰথি অৰ্থাৎ Soulmate বুলিয়েই উল্লেখ কৰিছে।' (পৃষ্ঠা ঃ ৫৯-৬০)

হাওৱা ৰেল ষ্টেছনত প্ৰিয়মক বিদায় দি ঘৰলৈ আহি সেইদিনা তেওঁ হুকহুকাই বহুত সময় কান্দিছিল।

প্ৰিয়ম গুচি যোৱাৰ পাছতো প্ৰিয়মেই তেওঁৰ জীৱনজুৰি থকাৰ কথা কাহিনীৰ কথাকে তৃতীয় পুৰুষত কৰা বৰ্ণনাৰ পৰাহে গম পোৱা যায়। সম্পৰ্কটোক আন ধৰণেৰে বিশ্বাসযোগ্য কৰাৰ চেষ্টা ঔপন্যাসিকে কৰা নাই। এঠাইত কোৰা হৈছে, '... গোটেই হৃদয় জুৰি এগৰাকী নাৰীৰ প্ৰচ্ছায়া অহৰহ অনুভৱ কৰি থাকে। সেইগৰাকী নিশ্চিতভাৱে প্ৰিয়ম।' (পৃষ্ঠা ঃ ১০১) কাহিনীকাৰজনে শিল্পীজনৰ প্ৰিয়মৰ প্ৰতি থকা আবেগত স্ববিৰোধৰ কথাও উল্লেখ কৰিছে।... যিমান আন্তৰিকতাৰে তেওঁক প্ৰিয়মে ভাল পাইছিল তেওঁৰ ভালপোৱাত সিমান আন্তৰিকতা, সততা নাছিল— প্ৰাণ আৰু আত্মাৰে ভাল পোৱা নাছিল। আন এঠাইত শিল্পীজনে পুনৰাবৃত্তি কৰি কৈছে, 'প্ৰিয়ম তোমাৰ সিপাৰে মোৰ আন কোনো পৃথিৱী নাই।' (পৃষ্ঠা ঃ ১৩৯) এই উক্তিটোৰ কথা কাহিনীকাৰেহে আমাক জানিবলৈ দিছে।

শিল্পীজনৰ লগত প্ৰিয়মৰ সম্পৰ্কটোৰ বিষয়ে প্ৰিয়মে ভায়েক কৈলাশক কৈছে, 'মোৰ সম্পৰ্কটো ভগা নাই, মই তেওঁক সমানেই ভাল পাওঁ আজিও।' এই সম্পৰ্কটোৰ সাৰাংশ এটা কাহিনীকাৰে নিজৰ দৃষ্টিৰ পৰা প্ৰিয়মৰ সংলাপৰ ৰূপত দাঙি ধৰিছে, '... তেওঁৰ জীৱনটো হ'ব— উত্তৰ-পূব ভাৰতৰ এখন সাংস্কৃতিক দলিল, ইতিহাস। হয়তো তেওঁ ভাল বা দায়িত্বশীল স্বামী বা দেউতাক নহয়, জোৰ কৰি সেয়া কৰিবলৈ গ'লে যেন... ভিতৰৰ শিল্পীজনৰ অপমৃত্যু ঘটিব। তই নিজেই দেখিবি এদিন মানুহৰ হৃদয়ে হৃদয়ে তেওঁৰ ঘৰ থাকিব।' (পৃষ্ঠা ঃ ১৪৫)

শিল্পীজনৰ লগত প্ৰিয়মৰ সম্পৰ্কক অমৰ প্ৰেমৰ সম্পৰ্ক কৰিবলৈ যোৱাৰ বাবে ঔপন্যাসিকে শিল্পীজনৰ লগত ৰূপালীৰ সম্পৰ্কটো শিল্পীজনে নিবিচৰা এটা অবাঞ্ছিত সম্পৰ্ক হিচাপে দেখুওৱা হৈছে। ৰূপালী বয়সত তেজতকৈও সৰু। কলিকতাত থাকোতেই এদিন শিল্পীয়ে ৰূপালীক কৈছে, শুনা, তুমি ঘৰলৈ মানে মুম্বাইলৈ যোৱাগৈ। কাম-কাজ শিকি নিজকে প্ৰতিষ্ঠা কৰা আৰু বিয়া-বাৰু কৰোৱা। যিহেতু মোৰ বিবাহ বিচ্ছেদ হোৱা নাই.. মোৰ কাষত থাকিলেও মই পত্নী বুলি চিনাকি দিব নোৱাৰিম।' এই বুলি কোৱাৰ কেইদিনমানৰ পাছৰ ঘটনা

এইদৰে বৰ্ণনা কৰা হৈছে, 'সাগৰ সংগমত সাঁতুৰি-নাদুৰি ক্লান্ত নোহোৱা মানুহজনে ৰূপালীৰ দেহৰ ঢৌৰে ঢৌৰে সাঁতুৰি-নাদুৰি ক্লান্ত হৈ পৰিছিল। সেই সময়ত তেওঁৰ প্ৰিয়মলৈ মনত পৰা নাছিল।' তেওঁ প্ৰেছক জনাইছে যে ৰূপালী তেওঁৰ ব্যৱসায়ৰ অংশীদাৰ আৰু তোলনীয় কন্যাসম। নিজৰাপাৰৰ ঘৰত তেওঁ কৈছে যে ৰূপলী তেওঁৰ ব্যক্তিগত সচিব।

ৰূপালীয়ে শিল্পীজনৰ প্ৰতি আগবঢ়োৱা সেৱাতকৈ তেওঁ সৃষ্টি কৰা বাধাৰ ওপৰতহে ঔপন্যাসিকে অধিক গুৰুত্ব দিছে। ৰূপালীৰ উপস্থিতিয়ে আন মানুহৰ লগত সম্পৰ্ক কিদৰে সলনি কৰি শিল্পীজনক ক্ৰমে নিঃসংগতাৰ ফালে নিছে সেই কথাত গুৰুত্ব দিয়া হৈছে। ৰূপালীয়ে শিল্পীৰ বেংকৰ পাছ বুক, চেকবহী আদি নিয়ন্ত্ৰণ কৰিছে, তেওঁৰ ঘৰত পুতেকৰ প্ৰৱেশো নিষিদ্ধ কৰিছে, কামত অবাঞ্ছনীয় হস্তক্ষেপ কৰিছে ইত্যাদি অনেক অভিযোগ ৰূপালীৰ বিৰুদ্ধে অনা হৈছে।

কাহিনীৰ শেষৰ ফালে শিল্পীজনৰ চৰিত্ৰৰ যিবোৰ বিশিষ্টতাত পোহৰ পেলোৱা হৈছে সিবোৰে তেওঁক এজন ৰোমাণ্টিক স্বভাৱৰ শিল্পী হিচাপে দাঙি ধৰে। তেওঁৰ অনুভৱৰ বিষয়ে কোৱা হৈছে, 'প্ৰিয়ম কাষত থকা হ'লে হয়তো তেওঁ ইমান অথৰ্ব, ইমান নিঃসংগ

> **প্ৰিয়মে ভায়েক কৈলাশক কৈছে, মোৰ সম্পৰ্কটো ভগা নাই, মই তেওঁক সমানেই ভাল পাওঁ আজিও**

নহ'লহেঁতেন।' (পৃষ্ঠা ঃ ২০০) পি বি শ্যেলীয়ে To A Skylark কবিতাত লিখিছিল। We loak befere and after/ And pine for what is not' প্ৰিয়মৰ বিষয়ে আৰু কোৱা হৈছে, 'প্ৰিয়ম আঁতৰি যোৱাৰ পৰাই সৃষ্টি হোৱা শূন্যতা তেনেকৈয়ে আছে।' (পৃষ্ঠা ঃ ২০৩) শিল্পীজনৰ দৃষ্টিকোণৰ পৰা কাহিনীকাৰে আমাক জানিবলৈ দিছে, 'তেওঁৰ চিন্তা আৰু সৃজনী কল্পনাক বাস্তৱায়িত কৰিবলৈ প্ৰিয়মে হৃদয় আৰু আত্মাৰে কাম কৰিছিল...। প্ৰিয়ম আছিল এক অসাধাৰণ নাৰী।... তেওঁৰ একমাত্ৰ প্ৰেৰণাৰ উৎস আছিল প্ৰিয়মেই।'

(পৃষ্ঠা ঃ ২০৪)

কাহিনীৰ শেষৰ ফালে চাৰিটামান অধ্যায়ত আকাংক্ষা আৰু প্ৰাপ্তিৰ ব্যৱধানে শিল্পীজনৰ চৰিত্ৰটোক ট্ৰেজিক কৰিছে। উপন্যাসখনৰ একাধিক ঠাইত অদৃষ্টৰ উল্লেখ আছে। এই অদৃষ্ট কিছু পৰিমাণে হ'লেও মানুহৰ নিয়ন্ত্ৰণৰ বাহিৰত আৰু এই অনিয়ন্ত্ৰণীয়তাই জীৱনৰ সাধাৰণ অৱস্থাক কৰুণ কৰে। শিল্পীজনে উপলব্ধি কৰিছে, 'প্ৰিয়মৰ কাষলৈ জীৱনৰ বিয়লি বেলিকা বন্ধুৰ দৰে বা এজন ভিজিটৰৰ দৰে যোৱাৰ পথো তেৱেঁই বন্ধ কৰি দিছে।' (পৃষ্ঠা ঃ ২০৬)বৃত্তীয় গতিত সময় আৰু কাহিনী আগবাঢ়ি গৈ সমাপ্তিৰ আগে আগে কৈশোৰৰ মাতৃৰ সান্নিধ্যলৈ আহি শিল্পীজনৰ এক ধৰণৰ আকাংক্ষাৰ পূৰণ কৰাইছে আৰু তেজৰ লগত হোৱা মিলনৰ যোগেদি তেজে উপলব্ধি কৰা মাক আৰু দেউতাকৰ আবেগিক সম্পৰ্কত কাহিনী শেষ হৈছে।

ড° ভূপেন হাজৰিকাৰ বিশাল ব্যক্তিত্ব আৰু কৰ্মক্ষেত্ৰৰ বাবেই বোধহয় ঔপন্যাসিকে সময়ত তেওঁৰ বিষয়ে অতিশয়োক্তি কৰিছে। 'ডেকা বয়সত বাইশ ঘণ্টালৈকে কাম কৰিছে তেওঁ দিনটোত। (পৃষ্ঠা ঃ ১৩৭) প্ৰিয়মৰ পৰা আঁতৰি থাকিব লগাৰ কাৰণো উপন্যাসত ইংগিত কৰাহে হৈছে, কৰ্মৰ প্ৰয়োজনতে তেওঁৰ প্ৰথম প্ৰেমিকা স্বামীসহ বন্ধুৰ ৰূপত তেওঁৰ আৰু প্ৰিয়মৰ কাষ চাপি আহিছে। যিমানেই প্ৰতিষ্ঠাৰ কাষ চাপি আহিছে সিমানেই প্ৰিয়মৰ পৰা যেন আঁতৰি আহিছে তেওঁ। শিল্পীজনৰ জীৱনৰ সৰু-ডাঙৰ সকলো কথাই কাহিনীকাৰ আৰু পাঠকৰ কাৰণে অৰ্থপূৰ্ণ হ'ব পাৰে। সেউজীয়া উপত্যকা, সোণোৱালী ৰ'দত পুনৰাবৃত্তি কৰি উল্লেখ কৰা কিছুমান কথাই চৰিত্ৰৰ কিবা নতুন বৈশিষ্ট্য অথবা কাহিনীৰ কিবা নতুন মাত্ৰা যোগ দিয়া নাই। শিল্পীজনে খৈনী খোৱাৰ বদ অভ্যাসটোৰ কথাকে উল্লেখ কৰিব পাৰি। পৃষ্ঠা ২৪,৯২ আৰু ১০৪ত খৈনী খোৱাৰ কথা উল্লেখ কৰা হৈছে যদিও পুনৰাবৃত্তিয়ে একো নতুন অৰ্থ তাৎপৰ্য যোগ দিয়া নাই।

উপন্যাসখনত কেতিয়াবা শিল্পীজনৰ বিষয়ে দিয়া তথ্যই এটাই আনটোক বিৰোধিতাও কৰিছে। সতী বেউলা চলচ্চিত্ৰখনৰ সংগীত পৰিচালনাৰ প্ৰসংগত কোৱা হৈছে। তেওঁ চাৰিটা ভাষাত হিন্দী, ইংৰাজী, বাঙালী, আৰু



ভূপেন হাজৰিকাৰ স'তে পত্নী প্ৰিয়ম হাজৰিকা আৰু পুত্ৰ তেজ

অসমীয়াত কলা-কুশলীসকলক নিৰ্দেশ দিয়া দেখি দুজনমানে নিজৰ ভিতৰত আলোচনা কৰিছে ঃ 'চাৰিওটা ভাষাতেই সমানেই আধিপত্য! স্থানান্তৰত শিল্পীজনে এদিন কোনোবা এজনক কৈছে, 'বজাৰ যা কৰ এক বগা। ভতিজাক এজনে তেওঁক শুধৰাই দি কৈছে, 'বৰ্তা, হিন্দী ৰাজ নেভাৰ ইয়ৰ ষ্ট্ৰং পইণ্ট।' (পৃষ্ঠা ঃ ১৬৬)

ড° ভূপেন হাজৰিকাৰ শিল্পীমনৰ বিকাশ আৰু বৃদ্ধিৰ লগত জড়িত জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, ফণী শৰ্মা আদি অগ্ৰজ শিল্পীসকলৰ বৰঙণিৰ কথা উপন্যাখনৰ বিভিন্ন ঠাইত আলোচনা কৰা হৈছে। কাহিনীৰ আৰম্ভণিতে গণনাট্য সংঘৰ বৰঙণিৰ কথা উল্লেখ কৰা হৈছে। উপন্যাসখনৰ দ্বিতীয় অধ্যায়ত শিল্পীজন দ্বিধাগ্ৰস্ত হৈছেঃ— 'যিহৰ বাবে তেওঁ আজিৰ মানুহটো হ'লগৈ সেয়া— সেয়া হৈছে গণনাট্য সংঘ। মই গণনাট্যক নিজে কৰিলো নেকি? ড° ভূপেন হাজৰিকাৰ শিল্পী জীৱনৰ পৰিয়ালৰ আৰ্থিক অৱস্থায়ো কিছু দূৰ প্ৰভাৱিত কৰিছিল। ড° দিলীপ দত্তই ভূপেন হাজৰিকাৰ গীত আৰু জীৱনৰথত এই সমস্যাটোৰ কথা আলোচনা কৰিছে। তেওঁ লিখিছে, 'শ্ৰীনীলকান্ত হাজৰিকাই চাকৰিৰ পৰা অৱসৰ লয় আৰু কেইকুৰিমান টকাৰে স্কুল-কলেজত পঢ়া দহজন ল'ৰা-ছোৱালীৰ এখন সংসাৰ চলাবলগীয়াত পৰে। (পৃষ্ঠা ৮৭) শিল্পীজনৰ পৰিয়ালৰ অৰ্থনীতিৰ এই দিশটো গুৰুত্বসহকাৰে আৰু সাৱধানে ঔপন্যাসিক ডাঃ ঠাকুৰে দাঙি ধৰিছে 'প্ৰাচুৰ্যৰ মাজত ডাঙৰ হোৱা প্ৰিয়মৰ লগত শিল্পীজনৰ সম্পৰ্কক অভাৱ-অনাটনে কিছু প্ৰভাৱিত কৰিছিল। মহান শিল্পীজনৰ শিল্পৰ প্ৰতি দায়বদ্ধতা আৰু পৰিয়ালৰ প্ৰতি দায়বদ্ধতা ঠিক সন্তুলিত অৱস্থাত নাথাকিল। কাহিনীও ৰূপালীয়ে শিল্পীজনৰ প্ৰতি পালন কৰা কৰ্তব্য আৰু দায়িত্ব প্ৰশংসনীয়। জড়াগ্ৰস্ত হৈ শিল্পীজন ৰূপালীৰ ওপৰত অধিক নিৰ্ভৰশীল হৈ পৰিছে আৰু ৰূপালীয়েও



কল্পনা লাজমীৰ স'তে ভূপেন হাজৰিকা

তেওঁৰ দায়িত্ব পালন কৰিছে।

শিল্পীজনৰ জীৱনত আকাংক্ষা আৰু প্ৰাপ্তিৰ ব্যৱধানে কৰুণ কৰা অৱস্থাটোৰ পৰা উপন্যাসৰ শিৰোনাম অনা হৈছে, 'ব'লা প্ৰিয়ম, নতুনকৈ আৰম্ভ কৰো জীৱনটো— এই সেউজীয়া উপত্যকাত সোণোৱালী ৰ'দজাক। পাঠকে অনুভৱ কৰে আৰু ঔপন্যাসিকেও জানে যে প্ৰিয়মৰ লগত নতুনকৈ আকৌ এবাৰ জীৱনটো যাপন কৰাৰ সুযোগ পালেও শিল্পীজনে সেই একেটা জীৱনকে যাপন কৰিব। শিল্পীজনে শেষ মুহূৰ্তত উপলব্ধি কৰিছে— 'কিন্তু এই সকলোবোৰৰ কাৰণে মই— ময়ে জগৰীয়া। ১৯১৭ত প্ৰকাশ পোৱা J.M. Barrie.. Dear Brutus নাটকত চৰিত্ৰবোৰক আকৌ এবাৰ জীৱনটো জীয়াই থকাৰ সুবিধা

---



# বহুতে বহু কথা নজনা নিৰ্মলপ্ৰভালৈ মনত পৰে

## মৰুভূমিৰ তপত বালিত যি নদী শুকাই যায়

**মিঠা সোঁৱৰণ**



**অহল্যা গগৈ**

**গুৱাহাটী** বিশ্ববিদ্যালয়ৰ 'জৱাহৰলাল নেহৰু আসন'ৰ অধ্যাপিকা কবি ড° নিৰ্মলপ্ৰভা বৰদলৈ আছিল সহজে দেখা নোপোৱা এগৰাকী ৰাংঢালি মহিলা। জ্যেষ্ঠজনৰ আশিস ধন্য নিৰ্মলপ্ৰভা বহু বঁটা-বাহনেৰে বিভূষিতা মহিলা আছিল। এই গৰাকী বিদুষী নাৰীৰ সান্নিধ্যলৈ আহিছিলো গুৱাহাটীৰ ছাত্ৰীবাৰীত অৱস্থিত 'হোৱাইট মেম'ৰিয়েল' ছাত্ৰী নিবাসত। মই যেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ত গণিত শাস্ত্ৰৰ ছাত্ৰী ৰূপে ভৰ্তি হৈছিলো, তেতিয়া নিৰ্মলপ্ৰভা অসমীয়া সাহিত্য শ্ৰেণীৰ ছাত্ৰী। খ্ৰীষ্টান মিছনেৰী ছাত্ৰী বাসটোৰ বৈশিষ্ট্য এয়ে যে হিন্দু, খ্ৰীষ্টিয়ান, মুছলমান আৰু উত্তৰ পূৰ্বাঞ্চলৰ বড়ো, নগা, মিজো, খাচীয়া আদি বিভিন্ন জনগোষ্ঠীৰ ছোৱালীয়ে ঘৰুৱা পৰিৱেশত একেটি পৰিয়ালৰ দৰে মিলা-প্ৰীতিৰে বাস কৰে। পকা চুলিৰ আমেৰিকান চুপাৰগৰাকীৰ নাম মিছ বাৰ্ণহাম, যিগৰাকী অনুশাসনৰ দিশত গহীন-গম্ভীৰ আৰু ৰং-ধেমালিৰ সময়ত আৱাসীসকলৰ লগত মিলি যায়। সেইজীয়া ঘাঁহনিৰে গছ, গছনি আৰু ফুলে-জালিৰে ভৰা বিশাল চৌহদটোত ছাত্ৰী আৱাসৰ উপৰি আছিল গিৰ্জাৰে স'তে সংলগ্ন এখন হাস্পতাল, আমেৰিকান নাৰ্ছ আৰু ডাক্তৰৰ সুকীয়া সুকীয়া দেখনিয়াৰ চাং বঙলা, এটা পুখুৰী আৰু এখন প্ৰাইমেৰী স্কুল, পুৱা দোকমোকালিতে আৱাসীসকলৰ প্ৰাৰ্থনা সভা হয়। সভাত নিৰ্মলপ্ৰভাই বাইবেলৰ গীতবোৰ অৰ্গেনত বজাই ধৰ্মীয় উদাৰতাৰে বিভোৰ হৈ পৰে। লগতে নামঘোষা, বৰগীত গাই অৰ্থবোৰ বুজাই দিয়ে, নামঘোষাৰ পৰম্পৰা নিৰ্মলেই প্ৰথম আৰম্ভ কৰিছিল। বিশাল চৌহদৰ গেট খুলি এটা পকা পথেদি আহিলে প্ৰথমেই আমাৰ দুমহলীয়া আৱাসটো পোৱা যায়। এই আৱাসটোত থাকোতেই নিৰ্মল প্ৰভাই লিখি উলিয়াইছিল ৰাষ্ট্ৰপতি পুৰস্কাৰ প্ৰাপ্ত শিশু উপন্যাস 'চিল চিল চিলা, বাগী চিল মিলা' হোষ্টেলৰ আটাইবোৰ সৰু-বৰ আৱাসীয়ে নিৰ্মল প্ৰভাৰ সংবেদনশীল হৃদয়ত বিচাৰি পায় এখনি চেনেহ আৰু সহানুভূতিৰ বিশাল সাগৰ। সকলোৰে অন্তৰ উজাৰি সুখ-দুখৰ সমভাগী হ'বলৈ বিচাৰে। নিৰ্মল প্ৰভাৰ প্ৰতি মোৰ এটা আকৰ্ষণ আছিল যে তেওঁৰ মমতা ভৰা হৃদয়ত বিচাৰি পাওঁ এখনি মাতৃ হৃদয়। কৃষ্ণাংগী মানুহজনীৰ কোমল কণ্ঠস্বৰত যেনেকৈ নিগৰে চেনেহীৰ মাত, সেইদৰে ফুটে অভিযান আৰু ৰোষৰ মাত, চিৰকালে যেন আলসুৱা পৰিৱেশত লালিত-পালিত আৱাসীসকলৰ আবেলিৰ সময় কণ আছিল বিনোদনৰ সময়। ৰিক্সাৰ চৈখন পেলাই ভিৰহীন গুৱাহাটীৰ ৰাস্তাবোৰত মলয়াৰ বা লৈ গা-মন জুৰ পেলাব পাৰি। যি যেনেকৈ ভাল পায় সেইদৰেই আৱাসীসকলে এই বিনোদনৰ সময়খিনি পাৰ কৰে। এনে সময়তে এদিন ৰিক্সাৰ চৈখন পেলাই মই আৰু নিৰ্মলপ্ৰভা বাইদেউ ওলাই গ'লো। উলুবাৰী পাৰ হৈ আমি জনবসতিহীন পথৰ দুয়োকাষে দেখিলো বিস্তীৰ্ণ সেউজীয়া ধাননি পথাৰ। সুনীল আকাশত বেলি মাৰ যোৱাৰ পৰিৱেশ উপভোগ কৰি নিৰ্মল যেন কিবা ভাবত বিভোৰ হ'ল। হঠাৎ মোক প্ৰশ্ন কৰিলে, 'তোমাৰ জীৱনত এনে ঘটনা কেতিয়াবা ঘটিছেনে, যি এতিয়াও অব্যক্ত হৈ আছে?' মই নিমাত হৈ ৰওঁ, যৌৱনে গৰকা মোৰ জীৱন মাত্ৰ আৰম্ভ হৈছেহে। নিৰ্মলে হঠাৎ কৈ উঠিল, 'মৰুভূমিৰ তপত বালিত যি নদী শুকাই যায়, তাৰ বাবে সমাজৰ কোনো দায়বদ্ধতা নাই নেকি?' ইয়াৰ পাছত তেওঁৰ অতীতৰ কৰুণ কাহিনী ক'বলৈ আৰম্ভ কৰিলে। শিৱসাগৰৰ ব্ৰাহ্মণ পৰিয়ালৰ ধৰ্মেশ্বৰ বৰদলৈ-এ নিজ কন্যা মাকনক (নিৰ্মল প্ৰভাৰ মতা নাম) দহ বছৰ বয়সতে ত্ৰিছ বছৰীয়া এজন শিক্ষিত চাকৰিয়াললৈ বিয়া দি পৰিয়ালৰ পৰম্পৰা ৰক্ষা কৰিলে। পঢ়া-শুনাত মেধাৱী মাকনক মেট্ৰিকলৈকে পঢ়াবলৈ সকলোৰে পৰামৰ্শ দিলে। সেয়ে মেট্ৰিক পৰীক্ষা দিয়াৰ পাছতহে শান্তি বিয়া দি দৰা ঘৰলৈ পঠোৱাৰ সিদ্ধান্ত লোৱা হ'ল। এই লৈ দৰা আৰু কইনা ঘৰৰ মাজত মনোমালিন্য সৃষ্টি হ'ল। দৰায়ো চাকৰিলৈ যোৱাৰ নামত মাকনহঁতৰ ঘৰত ৰাতিটো থকাকৈ অহা-যোৱা কৰিবলৈ ল'লে। দিন পাৰ হ'ল। মাকনৰ কিন্তু তাইতকৈ কুৰি বছৰৰ ডাঙৰ মানুহটোক দেখিলেই ভয় লাগে। মাকে তাইক পাণ-তামোলৰ যোগাৰ দি দৰাৰ ওচৰলৈ পঠিয়াই দিয়ে। দৰাই তাইক মৰমৰ মাত দিয়াৰ সলনি 'কলী' বুলি কৈ তাইৰ গাত হাত দিবলৈ আগবাঢ়ে। তাই আঁতৰি পলায়। এদিন সি কোঠাৰ দুৱাৰখন বন্ধ কৰি তাইৰ ওপৰত জঁপিয়াই পৰিল। আৰম্ভ হ'ল শিশু ধৰ্ষণ। ভয় আৰু লাজত তাই নীৰৱে কোঠাৰ পৰা ওলাই আহিল। বুজি নাপালে ইয়াৰ ফলাফল কাকো একো নোকোৱাকৈ দিন পাৰ কৰিলে। লাহে লাহে তাইৰ মাতৃত্বৰ লক্ষণ ফুটি উঠিল। ঘৰত হুলস্থুল লাগিল। স্বামী গৃহলৈ খবৰ পঠিওৱা হ'ল। উত্তৰ আহিল শীঘ্ৰে স্বামীগৃহলৈ পঠিয়াই দিবলৈ। ইতিমধ্যে স্বামীয়ে দ্বিতীয় পত্নী গ্ৰহণ কৰাৰ খবৰ আহিল। দেউতাক ধৰ্মেশ্বৰ বৰদলৈয়ে খঙত জ্বলি পকি নিজ সন্তানক সতিনী খাতিবলৈ নপঠিয়ায় বুলি সিদ্ধান্ত ল'লে। এই অপমানৰ পোতক তুলিবলৈ নিৰ্মলক উচ্চ শিক্ষা দিব বুলি প্ৰতিজ্ঞা কৰিলে। নিৰ্মলৰ বিবাহিত জীৱন সিমানতে ওৰ পৰিল। গৰ্ভস্থ সন্তানৰ ইতিমধ্যে জন্ম হ'ল। কন্যা শিশুটি মাক-দেউতাকে বুকুৰ উম দি লালন-পালন কৰি নিৰ্মলক বায়েক বুলি চিনাকি কৰি দিব বুলি মনতে পাঙিলে। এই সময়তে এম ই পৰীক্ষাত নিৰ্মলে প্ৰথম হৈ বৃত্তি লাভ কৰাৰ খবৰ আহিল। মেধাৱী ছোৱালীজনীয়ে বৃত্তি লাভ কৰাৰ আনন্দত সকলো পাহৰি পঢ়া-শুনাত মন দিলে। বছৰবোৰ পাৰ হ'ল। যথাসময়ত তাই মেট্ৰিক পৰীক্ষাত ষ্টাৰ আৰু লেটাৰ পাই খ্যাতি অৰ্জন কৰিলে। উচ্চ শিক্ষাৰ পোহৰ নোপোৱা শিৱসাগৰৰ গ্ৰাম্য সমাজে কিন্তু সকলো ঘটনাৰ বাবে আঁৰত নানা কথা ৰচিলে। শত্ৰুৱে মুখ টিপি হাঁহি ইতিকিং কৰিবলৈ ধৰিলে। গ্ৰাম্য মহিলা সমাজত নিৰ্মলপ্ৰভাই নাম পালে 'জীয়া বাৰী' বুলি। সেই শব্দটোৱে নিৰ্মলপ্ৰভাৰ পিঠিত তপত লোহাৰ কোব পৰিল যেন লাগিল। সমজুৱা বিয়া সবাহত তাইক শুভ কৰ্মৰ পৰা আঁতৰাই ৰখা হ'ল। ১৯৫০ত তাই সুখ্যাতিৰে আই এ পৰীক্ষাত উত্তীৰ্ণ হোৱাত দেউতাকে বি, এ পঢ়িবৰ বাবে গুৱাহাটীলৈ পঠালে। সন্দিকৈ ছোৱালী কলেজত ছাত্ৰীবাসত থাকি অসমীয়া বিষয়ত অনাৰ্ছ শ্ৰেণীত ভৰ্তি হ'ল। ছাত্ৰীবাসৰ ছোৱালীবোৰৰ মাজত অচিৰেই নিৰ্মলপ্ৰভা জনপ্ৰিয় হৈ উঠিল। সৰুৰে পৰা কবিতা লিখা আৰু নিজে ৰচা গানবোৰ গোৱাৰ অভ্যাসৰ বাবেই তাইৰ কোমল কণ্ঠৰ গানবোৰে সকলোকে মুহিলে। হাঁহি-তামাচাৰ মাজেৰে দিন পাৰ হৈ সময়ত বি এ অনাৰ্ছৰ ফলাফল ওলাল। বেমাৰী অৱস্থাৰে তাই পৰীক্ষাত বহিও প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰিব পাৰিলে। তাইৰ কোমল কণ্ঠৰ গানৰ সুৱাস চৌদিশে বিয়পি পৰি শেষত গুৱাহাটীৰ আকাশবাণী ৰেডিঅ' চেণ্টাৰত 'অকণিৰ মেল', 'মহিলা চ'ৰা' আৰু 'গাঁৱলীয়া ৰাইজ' শিতানৰ প্ৰগ্ৰেমবোৰত যোগ দিয়াৰ সুযোগ মিলিল। ইয়াৰ পাছতেই নিৰ্মলপ্ৰভাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত নামভৰ্তি কৰি ছাত্ৰীবাৰীৰ White Memorial হোষ্টেলত থাকিবলৈ লয়। এই ছাত্ৰী নিবাসতে মই প্ৰথম নিৰ্মল প্ৰভাৰ সান্নিধ্যলৈ আহিব পাৰিলো। মই তেতিয়া বিশ্ববিদ্যালয়ৰ গণিত শাস্ত্ৰত ভৰ্তি হৈছিলো। যা-হওক হোষ্টেলৰ দিনবোৰ ৰং-আনন্দৰ মাজত কটালেও আমাৰ সকলোৰে বিশ্ববিদ্যালয়ৰ দেওনা পাৰ হোৱাই আছিল লক্ষ্য। সেইদৰে আমাৰ লক্ষ্য পূৰণ হোৱাৰ লগে লগেই প্ৰত্যেকজনীয়েই সংসাৰত প্ৰতিষ্ঠিত হোৱাত ব্যস্ত হৈ পৰিলো। মোৰ বিবাহৰ পাছত সন্তান লালন-পালন, কলেজৰ চাকৰি, সমাজসেৱা আদি কামত

> **ভূপেন হাজৰিকা, দীপালী বৰঠাকুৰ আদি অনেক কণ্ঠশিল্পীৰে নিৰ্মলৰ ঘৰ ভৰি পৰিল। ক্ৰমে নিৰ্মলপ্ৰভা হৈ পৰিল এগৰাকী স্বীকৃতি প্ৰাপ্ত গীতিকাৰ। আকাশবাণী ৰেডিঅ'ৰ পৰা অনুৰোধ আহিল গীত ৰচনাৰ বাবে। সেইদৰে চিনেমাৰ প্ৰযোজকসকলেও তেওঁক গীত ৰচিবলৈ খাটনি ধৰিলে।**

নিয়োজিত হৈ আৰু কে'বা ঠাইত ঘূৰি যেতিয়া গুৱাহাটীত নিগাজিকৈ থাকিবলৈ ল'লো, তেতিয়া নিৰ্মলপ্ৰভাক পুনৰ লগ পাবলৈ সুযোগ পালো। তেতিয়ালৈ তেওঁ শিক্ষা সামৰি গুৱাহাটীত থিতাপি লৈছিল। সাহিত্য সমন্ধীয় সভা-সমিতিত প্ৰায়ে লগ পোৱা হ'লো। আমাৰ পূৰ্বৰ ঘনিষ্ঠতা পুনৰ গঢ় লৈ উঠিল। অত বছৰে তেওঁৰ কিন্তু কোনো সলনি নহ'ল। সেই একেই তাহানিৰ নিৰ্মলপ্ৰভা বাইদেউ হৈয়েই থাকিল। ইতিমধ্যে তেওঁ ১৯৫৫ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীত এম এ ডিগ্ৰী লৈ গুৱাহাটীৰ বি বৰুৱা কলেজত প্ৰবক্তা পদত অধিষ্ঠিত হ'ল আৰু এটা ভাড়া ঘৰত থাকিবলৈ লয়। দেউতাকে গুৱাহাটীৰ চানমাৰিত মাটি কিনি এটা ঘৰ সাজিবলৈও সাহায্য দিলে। তেওঁ কলেজৰ চাকৰিৰ উপৰি ভাড়া ঘৰৰ পৰা নিতৌ অহা-যোৱা কৰি ঘৰ সাজিবলৈ ল'লে। সহায় কৰিলে ইঞ্জিনীয়াৰ মোমায়েক চাংকাকতীয়ে। সেই চৌহদতে বেলেগ এটা ঘৰ সাজি এটা প্ৰেছ নিৰ্মলে বহালে। নাম দিলে ইষ্টাৰ্ণ প্ৰেছ। এই প্ৰেছতে তেওঁৰ প্ৰথম কাব্য সংকলন 'বন ফৰিং ৰং' ছপা হৈ ওলাল চানমাৰিৰ ঘৰখন অচিৰেই অসমৰ যশস্বী কণ্ঠ শিল্পী আৰু সুৰকাৰসকলৰ মিলন থলী হৈ পৰিল। এইসকলে নানান গানৰ সুৰ সৃষ্টি কৰি নিৰ্মলৰ কাষ চাপে সুৰৰ লগত কথা দি একোটা গান ৰচিবলৈ। ভূপেন হাজৰিকা, দীপালী বৰঠাকুৰ আদি অনেক কণ্ঠশিল্পীৰে নিৰ্মলৰ ঘৰ ভৰি পৰিল। ক্ৰমে নিৰ্মলপ্ৰভা হৈ পৰিল এগৰাকী স্বীকৃতি প্ৰাপ্ত গীতিকাৰ। আকাশবাণী ৰেডিঅ'ৰ পৰা অনুৰোধ আহিল গীত ৰচনাৰ বাবে। সেইদৰে চিনেমাৰ প্ৰযোজকসকলেও তেওঁক গীত ৰচিবলৈ খাটনি ধৰিলে। দিন বাগৰিল। নিৰ্মলপ্ৰভাৰ সন্তান আইজনীয়ে ইতিমধ্যে মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত নাম ভৰ্তি কৰিলে। সৰু ভাই প্ৰদীপ আৰু 'আইজনী' দুয়ো নিৰ্মলৰ লগত থাকিবলৈ ল'লে। সৰুৰে পৰা নিজ সন্তানক 'বা' বুলি চিনাকি দিয়াৰ পাছত সন্তানৰ সান্নিধ্যত নিৰ্মলৰ মাতৃ হৃদয় উথলি উঠিল। খহি পৰিল ৰহস্যৰ আৱৰণ। আইজনীক নাম দিলে স্বপ্না।ওৰ পৰিল তেওঁৰ হৃদয়ৰ অন্তৰ্নিহিত বেদনা। চাওঁতে চাওঁতে স্বপ্ন-ই বি এছ চি ডিগ্ৰী লৈ চাকৰিত সোমাল। পক্ষাঘাত ৰোগত আক্ৰান্ত পিতৃ ধৰ্মেশ্বৰ বৰদলৈয়ে ভৰ যৌৱনা স্বপ্নাৰ বিয়াখন চাবলৈ হেঁপাহ কৰাত নিৰ্মলে ব্ৰজেন ভট্টাচাৰ্য নামৰ শান্ত স্বভাৱৰ পাত্ৰৰ লগত ধুমধামেৰে বিয়া পাতি দেউতাকৰ হেঁপাহ পূৰণ কৰিলে। কলেজৰ চাকৰিৰ মাজতে নিৰ্মলপ্ৰভাই 'অসমীয়া কবিতাত প্ৰকৃতি' বিষয়ত গৱেষণা কৰি ১৯৭২ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। ইতিমধ্যে তেওঁৰ জীৱনলৈ আহিল এটা পাৰ ভঙা আনন্দৰ দিন। স্বপ্নাই দুটি যমজ সন্তান জন্ম দিলে। আইতাক নিৰ্মলে নাম দিলে ল'ৰা দুটিক জিকি আৰু মিকি। দুয়োগৰাকী মাক-জীয়েক কৰ্মৰত মহিলা হোৱা কাৰণে এনেভাৰে সময় মিলালে যে এজনী কামৰ পৰা আহিলে, সিজনী কামলৈ ওলাই যায়। চাকৰিয়াল জোঁৱাই ব্ৰজেনেও সকলো দিশত সহায়ৰ হাত আগবঢ়ালে। কামৰ মাজতে তেওঁৰ কাব্য সংকলন 'কৰুণতম, কৰুণ প্ৰহৰ' আৰু 'জৰাজীৰ্ণ' প্ৰকাশ হ'ল। ১৯৭৫ত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰবক্তা ৰূপে যোগদান কৰে। ১৯৭৭ ৰ বছৰটোতে তেওঁৰ দ্বিতীয়খন কাব্য সংকলন প্ৰকাশ হয়। ইয়াৰ পাছতেই তেওঁ তিনিখন সৰ্বভাৰতীয় সন্মিলনত সভানেত্ৰীৰূপে যোগদান কৰে। ১৯৮৮ত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱাহৰলাল নেহৰু আসনৰ অধ্যাপিকা হয় আৰু ইউ জি চিয়ে National Lecturer পদেৰে অলংকৃত কৰে। ইয়াৰ পাছত তেওঁ অসম সাহিত্য সভাৰ ১৯৯১-৯২ ৰ অধিবেশনৰ সভানেত্ৰী হোৱাৰ ভাগ্য ঘটে। ইতিমধ্যে তেওঁ আমেৰিকা, জাৰ্মানী আৰু ইংলণ্ডত ছেমিনাৰত যোগ দি অশেষ প্ৰশংসা বুটলে। '১৯৮৩ত সাহিত্য একাডেমী বঁটা লাভ কৰি নিৰ্মলে জাপান।' মালয়চিয়া, চীন আদি দেশৰ কবি সন্মিলনত অংশগ্ৰহণ কৰে। অক্লান্ত পৰিশ্ৰমী, সাহিত্যসেৱীগৰাকীয়ে ইতিমধ্যে 'দেৱী', 'শিৱ' আৰু 'সূৰ্য' নামৰ প্ৰাচ্যতত্ত্বৰ গ্ৰন্থ লিখি উলিয়ায়। 'জলপদ্ম' উপন্যাস লিখি উলিওৱাৰ পাছত প্ৰান্তিক' আলোচনীত তেওঁৰ 'জীৱন-জীৱন বৰ অনুপম' নামৰ আত্মজীৱনী খণ্ড খণ্ডকৈ প্ৰকাশিত হয়। জীৱনত দেশে-বিদেশে অনেক স্থানত সন্মান লাভ কৰা এই গৰাকী ভাগ্যৱতী মহিলাই ১৯৯৩ ত কৰ্ম জীৱনৰ পৰা অৱসৰ লয়। এই জিৰণি লোৱা সময়খিনিতে এই লেখিকাই গুণৱতী মহিলাগৰাকীৰ ঘনিষ্ঠ সান্নিধ্যলৈ আহিছিল। ২০০৪ চন। নিৰ্মলক কাণৰ বিষ এটাই লগ নেৰা হ'ল। এদিন মজিয়াত অজ্ঞান নৈ ঢলি পৰাত হাস্পতাললৈ অনা হ'ল। দুৰ্ভাগ্যক্ৰমে কাণৰ বিষৰ বাবে দুটা ইনজেকচন দিয়াৰ পাছতেই অতকালে ভুগি থকা ডায়েবেটিছ ৰোগটোৰ বাবেই তেওঁৰ দুয়োটা কিড়নীয়ে কাম নকৰা হ'ল। এদিন হাস্পতালৰ বিছনাৰ পৰাই জী-জোঁৱাইক ক'লে— 'আজি নিশাটো তোমালোক মোৰ লগত থাকিব নালাগে। কাইলৈ মই যামেই নহয় ঘৰলৈ'।... পিছদিনা সঁচাকৈয়ে তেওঁ ফিৰি আহিল ঘৰলৈ। কিন্তু আহিল কেৱল তেওঁৰ নিথৰ দেহ। কেইমাহমানৰ আগতে এই লেখিকাক তেওঁৰ জীৱনৰ অলিখিত কৰুণ কথাবোৰ গ্ৰন্থৰূপে লিখি উলিয়াবলৈ কৈ অন্তৰৰ দুখ পাতলাইছিল। মই তেতিয়া কল্পনা কৰিবও নোৱাৰিছিলো ইমান সোনকালে যে তেওঁ চিৰবিদায় ল'ব। বাইদেউৰ জীৱনৰ সত্য কাহিনী লিখি গ্ৰন্থখন প্ৰকাশ কৰি হতাশ হ'লো। বাইদেউ যে নাই হাতে হাতে দিবলৈ! উৰ্ছগা পিঠিত লিখিলো— 'সজালোঁ তোমাক আটক ধুনীয়াকৈ মোৰ কল্পনাৰ ৰঙীন পোহৰেৰে... বাইদেউ, মই কথা ৰাখিলো।'— অহল্যা।

ফোন ঃ



## জাপানৰ প্ৰাক্তন বৈদেশিক মন্ত্ৰী হ'ব দেশৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী

**নিউজ ব্যুৰ', ট'কিঅ', ২৯ ছেপ্টেম্বৰ ঃ** জাপানৰ প্ৰাক্তন বৈদেশিক মন্ত্ৰী ফুমিঅ' কিশ্বিডা শাসনাধিষ্ঠিত দলৰ নেতা নিৰ্বাচিত হ'ল। এই জয়ৰ জৰিয়তে কিশ্বিডা জাপানৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী নিযুক্ত হোৱাৰ পথ প্ৰশস্ত হ'ল। কিশ্বিডাই বৰ্তমানৰ জাপানৰ প্ৰধানমন্ত্ৰী য়'চিহিডে ছুগাৰ স্থান গ্ৰহণ কৰিব। যোৱা বছৰৰ ছেপ্টেম্বৰত ছুগাই জাপানৰ প্ৰধানমন্ত্ৰীৰ দায়িত্ব লাভ কৰাৰ পাছত অলপতে পদত্যাগৰ কথা ঘোষণা কৰিছিল। লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টিৰ নৱ নিৰ্বাচিত নেতা হিচাপে সংসদত অহা সোমবাৰে কিশ্বিডা জাপানৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী নিৰ্বাচিত হোৱাটো নিশ্চিত হ'ল। কিশ্বিডাই দলৰ নেতাৰ পদৰ নিৰ্বাচনত জাপানৰ টিকাকৰণ মন্ত্ৰী তাৰ' ক'ন'ক পৰাভূত কৰে।

## এদিনত মৃত্যুৰ অভিলেখ ৰাছিয়াত, কৰ'নাৰ চতুৰ্থ ঢৌ আৰম্ভ



**নিউজ ব্যুৰ', ম'স্কো, ২৯ ছেপ্টেম্বৰ ঃ** ভাৰতত কৰ'নাৰ তৃতীয়টো ঢৌৰ শংকা প্ৰকট হোৱাৰ সময়তে ৰাছিয়াত আৰম্ভ হ'ল এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণৰ চতুৰ্থটো ঢৌ। যোৱা ২৪ ঘণ্টাত ৰাছিয়াত ক'ভিড-১৯ত আক্ৰান্ত হোৱা ৮৫২ জন লোকৰ মৃত্যু হ'ল। কৰ'নাৰ সংক্ৰমণৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈকে এইটোৱে হৈছে ৰাছিয়াত সৰ্বাধিক মৃত্যুৰ ঘটনা। ইয়াৰ পূৰ্বে দেশখনত যোৱা ২৪ ছেপ্টেম্বৰত ৮২৮ জন লোকৰ প্ৰাণ কাঢ়িছিল কৰ'নাৰ সংক্ৰমণে। কৰ'নাৰ শেহতীয়া ব্যাপক সংক্ৰমণ আৰু মৃতকৰ সংখ্যা বৃদ্ধিয়ে ভ্লাডিমীৰ পুটিন প্ৰশাসনৰ উদ্বেগ বৃদ্ধি কৰিছে। সমগ্ৰ বিশ্বত সম্প্ৰতি কৰ'নাত মৃত্যুৰ নিৰিখত পঞ্চম স্থানত আছে ৰাছিয়া। কিন্তু নতুনকৈ মৃতকৰ সংখ্যা বৃদ্ধিয়ে দেশখনক চিন্তিত কৰি তুলিছে। সম্প্ৰতি ৰাছিয়াত সকলোবোৰ শিক্ষানুষ্ঠান মুকলি কৰা হৈছে। কালি দেশখনত নতুনকৈ ২১ হেজাৰৰ অধিক লোক ক'ভিড-১৯ত সংক্ৰমিত হৈছিল। মূলতঃ 'ডেল্টা' প্ৰজাতিৰ ব্যাপক সংক্ৰমণৰ ফলতে ৰাছিয়াত ক'ভিডৰ সংক্ৰমণৰ চতুৰ্থ ঢৌৰ আগমন ঘটা বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। কৰ'নাৰ নতুন সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ৰুছ প্ৰশাসনে দেশবাসীক মাস্ক পৰিধানৰ বাবে নিৰ্দেশনা জাৰি কৰিছে।

## চোৰাংচোৱাৰ তথ্যৰ পাছত দিল্লীৰ কাৰাগাৰত নিৰাপত্তা বৃদ্ধি অপৰাধীয়ে যুগুত কৰিছিল কাৰাগাৰৰ পৰা পলায়নৰ পৰিকল্পনা

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** দেশৰ ৰাজধানী দিল্লীত তিনিখন কাৰাগাৰৰ নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰা হ'ল। সূত্ৰৰ খবৰ অনুসৰি, কাৰাগাৰৰ প্ৰশাসনে পাঁচ বন্দীয়ে তিহাৰৰ পৰা পলায়নৰ পৰিকল্পনা যুগুত কৰাৰ তথ্য চোৰাংচোৱাৰ জৰিয়তে লাভ কৰাৰ পাছতে কাৰাগাৰৰ নিৰাপত্তা বৃদ্ধিৰ ব্যৱস্থা গ্ৰহণ কৰে। অৱশ্যে এই সন্দৰ্ভত তিহাৰ কাৰাগাৰৰ সঞ্চালকপ্ৰধান সন্দীপ গোৱেলে এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কোনো মন্তব্য প্ৰকাশ কৰিবলৈ অস্বীকাৰ কৰে। সূত্ৰই লগতে জনোৱা অনুসৰি কুখ্যাত গেংষ্টাৰ গোগীৰ সহযোগীয়ে সামাজিক মাধ্যমত চলোৱা প্ৰচাৰৰ প্ৰতি লক্ষ্য ৰাখি চোৰাংচোৱাই কাৰাগাৰৰ বন্দীৰ গোপন পৰিকল্পনাৰ তথ্য আহৰণ কৰিছিল আৰু ইয়াৰ পাছতে কাৰাগাৰ প্ৰশাসনে নিৰাপত্তা কটকটীয়া কৰি তোলে। তিহাৰ কাৰাগাৰত বন্দী হৈ থকা পাঁচজন গেংষ্টাৰে সতীৰ্থৰ সহযোগত কাৰাগাৰৰ পৰা পলায়নৰ বাবে গোপনে পৰিকল্পনা যুগুত কৰিছিল। চোৰাংচোৱাৰ পৰা এই তথ্য লাভৰ পাছত উক্ত পাঁচ গেংষ্টাৰক কাৰাগাৰৰ নিৰাপত্তাৰক্ষীয়ে বিশেষ নজৰত ৰাখিছে।





## ভাৰতত ২৪.৮ শতাংশ লোকৰ সম্পন্ন হ'ল সম্পূৰ্ণ টিকাকৰণ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** ভাৰতত অব্যাহত থকা কৰ'না প্ৰতিৰোধী টিকাকৰণ অভিযানে মঙলবাৰে এক নতুন অভিলেখ ৰচনা কৰিলে। ভাৰতত মুঠ জনসংখ্যাৰ ২৪.৮ শতাংশ নাগৰিকে ক'ভিডৰ দুপালি প্ৰতিষেধক লাভ কৰিলে। চৰকাৰী পৰিসংখ্যা অনুসৰি, দেশৰ ৪৩.৫ শতাংশ নাগৰিকে প্ৰতিষেধকৰ কমেও এপালি ইতিমধ্যে লাভ কৰিছে। মঙলবাৰে বিয়লিবেলা প্ৰকাশিত পৰিসংখ্যা অনুসৰি ভাৰতত ৬৪.২৫ কোটি নাগৰিকে কৰ'নাৰ ৮৭.৬২ পালি প্ৰতিষেধক ইতিমধ্যে লাভ কৰিছে। চীনৰ পাছত ভাৰত হৈছে বিশ্বৰ ভিতৰতে সৰ্বাধিক টিকাকৰণ সম্পন্ন হোৱা দ্বিতীয়খন ৰাষ্ট্ৰ।

## দ্বিতীয় বিশ্বযুদ্ধৰ পাছত এয়ে প্ৰথম কৰ'নাৰ সংক্ৰমণৰ ফলত মানুহৰ আয়ুসকাল সৰ্বাধিক অৱনমিত হ'ল

# অক্সফ'ৰ্ডৰ অধ্যয়নৰ তথ্য ঃ কৰ'নাৰ ফলত হ্ৰাস পালে দুবছৰ আয়ুস

**নিউজ ব্যুৰ' লণ্ডন, ২৯ ছেপ্টেম্বৰ ঃ** কৰ'না ভাইৰাছৰ ব্যাপক সংক্ৰমণৰ পৰিণতিত মানুহৰ জীৱন কাল যথেষ্ট প্ৰভাৱিত হৈছে। অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ গৱেষকে এই সন্দৰ্ভত চলোৱা এক অধ্যয়নৰ তথ্য অনুসৰি কৰ'নাৰ আগমনৰ পাছত পৃথিৱীবাসীৰ আয়ুস ক্ৰমে হ্ৰাস পাইছে। সবাতোকৈ অধিক আমেৰিকাৰ পুৰুষৰ জীৱন কাল ২.২ বৰ্ষ হ্ৰাস পালে। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত এয়ে প্ৰথম কৰ'নাৰ সংক্ৰমণৰ ফলত মানুহৰ আয়ুসকাল সৰ্বাধিক অৱনমিত হ'ল। এই সমীক্ষাৰ তথ্যত উল্লেখ কৰা মতে, বিশ্বৰ ২৯ খন দেশৰ ২৭ খনত ২০১৯ৰ তুলনাত ২০২১ত মানুহৰ গড় আয়ুস নিম্নমুখী হ'ল। সমীক্ষাটোত ইউৰোপীয় দেশ, সংযুক্ত আমেৰিকা আৰু চিলিক সামৰি লোৱা হৈছিল। বৰ্তমানলৈকে বিশ্বত ৪৭ লাখৰো অধিক লোকৰ প্ৰাণকাঢ়িলে ক'ভিড-১৯ৰ ব্যাপক সংক্ৰমণে। কেৱল আমেৰিকাতে সাত লাখৰো অধিক লোকে কৰ'নাত প্ৰাণ হেৰুৱালে। গৱেষণামূলক অধ্যয়নটোৰ মতে, অধিকাংশ দেশত কৰ'না কালত মহিলাৰ তুলনাত পুৰুষৰ আয়ুস অধিক অৱনমতি হ'ল। ১৫ খন দেশত পুৰুষৰ গড় আয়ুস এবছৰৰ অধিক হ্ৰাস পালে। আনহাতে, ১১ খন দেশত মহিলাৰ গড় আয়ুস বিগত দুবছৰত অধিক হ্ৰাস পালে।





## পাকিস্তানী সেনাই খাইবাৰ পখটুনখাৱাত ধৰাশায়ী কৰিলে ১০ সন্ত্ৰাসবাদীক

**নিউজ ব্যুৰ' পেছোৱাৰ, ২৯ ছেপ্টেম্বৰ ঃ** পাকিস্তানৰ নিৰাপত্তা বাহিনীয়ে দেশখনৰ খাইবাৰ পখটুনখাৱাৰ দক্ষিণ বজিৰিস্তানত চাৰিজন বিদ্ৰোহী কমাণ্ডাৰসহ ১০ জন সন্ত্ৰাসবাদীক ধৰাশায়ী কৰিলে। নিৰাপত্তা বাহিনীয়ে গোপন সূত্ৰৰ আধাৰত উক্ত অঞ্চলত সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ বাতৰি লাখৰ পাছত অঞ্চলটোত অভিযান চলাই আটাইকেইজন সন্ত্ৰাসবাদীক হত্যা কৰে। স্থানীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, অভিযানৰ সময়ত সন্ত্ৰাসবাদী আৰু নিৰাপত্তা বাহিনীৰ মাজত দীৰ্ঘ সময় গুলীয়াগুলি হৈছিল আৰু সেনাই ১০ সন্ত্ৰাসবাদীক হত্যা কৰিবলৈ সফল হয়। সন্ত্ৰাসবাদীকেইজনৰ পৰা বৃহৎ পৰিমাণত অস্ত্ৰ-শস্ত্ৰ আৰু বোমা-বাৰুদ জব্দ কৰা হৈছে।

## কীমৰ অনুপস্থিতিত পুনৰ হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ উত্তৰ কোৰিয়াৰ



**নিউজ ব্যুৰ', পিয়ংইয়ং, ২৯ ছেপ্টেম্বৰ ঃ** উত্তৰ কোৰিয়াই জগংগ প্ৰদেশত এটা নতুনকৈ তৈয়াৰ কৰা হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ সম্পন্ন কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি, শেহতীয়াভাৱে কীম জং উনৰ দেশখনে পৰীক্ষা সম্পন্ন কৰা এই হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰটো পাৰমাণৱিক ক্ষমতাসমৃদ্ধ আছিল। অলপতে প্ৰতিৰক্ষা বিজ্ঞান একাডেমীত এই ক্ষেপণাস্ত্ৰটো তৈয়াৰ কৰা হৈছিল। দক্ষিণ কোৰিয়াৰ প্ৰতিৰক্ষা বিভাগে প্ৰকাশ কৰা অনুসৰি উত্তৰ কোৰিয়াই দেশখনৰ পূব উপকূলত সমুদ্ৰৰ দিশলৈ ক্ষেপণাস্ত্ৰটো নিক্ষেপ কৰিছিল। ইফালে, উত্তৰ কোৰিয়াৰ চৰকাৰী সংবাদ মাধ্যমে প্ৰকাশ কৰা অনুসৰি, এই ক্ষেপণাস্ত্ৰটো হৈছে দেশখনৰ বাবে এক ৰণনীতিক হাতিয়াৰ। উল্লেখ্য যে যি সময়ত উত্তৰ কোৰিয়াই এই ক্ষেপণাস্ত্ৰটোৰ পৰীক্ষণ চলাইছিল, সেই সময়ত উক্ত স্থানত উত্তৰ কোৰিয়াৰ শাসক কীম উপস্থিত নাছিল। উত্তৰ কোৰিয়াই চলিত মাহত তৃতীয়বাৰৰ বাবে ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ সম্পন্ন কৰিলে। মঙলবাৰেও দেশখনে সমুদ্ৰত এটা বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ সফলতাৰে পৰীক্ষা চলাইছিল।



## স্পেইনৰ পালমা দ্বীপপুঞ্জত জ্বালামুখীৰ বিস্ফোৰণ

**নিউজ ব্যুৰ', মাদ্ৰিদ, ২৯ ছেপ্টেম্বৰ ঃ** স্পেইনৰ পালমা দ্বীপপুঞ্জত থকা এটা আগ্নেয়গিৰিৰ বিস্ফোৰণ ঘটিল। জ্বালামুখীৰ উদ্গীৰণ ইমানে প্ৰৱল আছিল যে নিৰ্গত হোৱা লাভাই আটলাণ্টিৰ মহাসাগৰকো স্পৰ্শ কৰে। কেনেৰি আইলেণ্ডছ ভল্কেনিক ইনষ্টিটিউটে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, যোৱা ১৯ ছেপ্টেম্বৰতে আগ্নেয়গিৰিটোৰ প্ৰথম উদ্গীৰণ আৰম্ভ হৈছিল আৰু বৰ্তমানেও জ্বালামুখীৰ পৰা উত্তপ্ত লাভাৰ লগতে ধোঁৱা-ছাই ইত্যাদি নিৰ্গত হৈ আছে। আগ্নেয়গিৰিৰ বিস্ফোৰণৰ ফলত উক্ত অঞ্চলত থকা কমেও ৬০০ টা ঘৰ আৰু ২১ কিলোমিটাৰ পথ সম্পূৰ্ণৰূপে ধ্বংস হ'ল। তদুপৰি ৬৩৭ একৰৰ কৃষিভূমিও জ্বালামুখী বিস্ফোৰণৰ ফলত ক্ষতিগ্ৰস্ত হৈছে। ধাৰাবাহিকভাৱে বিস্ফোৰণ অব্যাহত থকাৰ ফলত অঞ্চলটোত বিষাক্ত গেছ বিয়পি পৰাৰ শংকায়ো দেখা দিছে। এতিয়ালৈকে ছহেজাৰৰো অধিক লোকক প্ৰশাসনে সুৰক্ষিত স্থানলৈ স্থানান্তৰিত কৰিলে।

# প্ৰথমবাৰ ভাৰতৰ স'তে যোগাযোগ তালিবানৰ, বিমানসেৱা মুকলিৰ আহ্বান

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** আফগানিস্তানত তালিবানৰ শাসন প্ৰৱৰ্তনৰ পাছত প্ৰথমবাৰ তালিবান চৰকাৰে আনুষ্ঠানিকভাৱে ভাৰত চৰকাৰৰ স'তে যোগাযোগ কৰিলে। উভয় দেশৰ মাজত বিমানৰ চলাচল পুনৰ আৰম্ভ কৰিবলৈ ভাৰত চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰিলে তালিবান চৰকাৰে। প্ৰকাশিত বাতৰি অনুসৰি, অসামৰিক বিমান পৰিবহণৰ সঞ্চালকপ্ৰধান (ডি জি চি এ) অৰুণ কুমাৰলৈ যোৱা সাত ছেপ্টেম্বৰত লিখা এখন পত্ৰত আফগানিস্তানৰ অসামৰিক বিমান পৰিবহণ বিভাগত ভাৰপ্ৰাপ্ত মন্ত্ৰী আলহাজ হামিদুল্লাহ আখুনজাদাই আফগানিস্তান আৰু ভাৰতৰ মাজত পুনৰ বিমান সেৱা আৰম্ভ কৰিবলৈ ভাৰত চৰকাৰক অনুৰোধ জনায়। এই পত্ৰত আখুনজাদাই উল্লেখ কৰা অনুসৰি, মাৰ্কিন সেনাই আফগানিস্তান ত্যাগৰ পূৰ্বে কাবুল বিমানকোঠটো পৰিবহণ অযোগ্য কৰি গৈছিল আৰু শেহতীয়াভাৱে কাটাৰৰ সহায়ত বিমানকোঠটো চলাচলৰ উপযোগী কৰি তোলা হৈছে। সেয়েহে তালিবানে আফগানিস্তানৰ স'তে ভাৰতক বিমানসেৱা পুনৰ আৰম্ভ কৰিবলৈ পত্ৰযোগে অনুৰোধ জনালে। উল্লেখ্য যে আফগানিস্তানত তালিবানে চৰকাৰ গঠন কৰিলেও বৰ্তমানলৈকে ভাৰতে এই চৰকাৰক স্বীকৃতি দিয়া নাই।





## তালিবান চৰকাৰক স্বীকৃতি নিদিয়ে, ভাৰতৰ কাষত জাৰ্মানী, তুৰস্ক, ৰাছিয়া

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** তালিবান চৰকাৰক স্বীকৃতি প্ৰদানৰ ক্ষেত্ৰত ভাৰতৰ মনোভাৱ প্ৰথমৰে পৰা স্পষ্ট আছিল। নতুন দিল্লীয়ে এই সন্দৰ্ভত প্ৰেৰণ কৰা বাৰ্তাত স্পষ্টভাৱে কৈছিল যে যোগ্যতা প্ৰমাণ নকৰালৈকে তালিবান চৰকাৰক ভাৰতে স্বীকৃতি নিদিয়ে। ইউৰোপৰ বৃহৎ শক্তি জাৰ্মানীয়ে প্ৰকাশ কৰা অনুসৰি তালিবান প্ৰসংগত তেওঁলোকে ভাৰতৰ স্থিতিক সমৰ্থন জনায়। ইফালে, তুৰস্ক আৰু ৰাছিয়াও ভাৰতৰ স্থিতিলৈ সমৰ্থন ব্যক্ত কৰি কয় যে তালিবানক এতিয়াই স্বীকৃতি প্ৰদান কৰা নহ'ব। তালিবানৰ কাম-কাজৰ প্ৰতি লক্ষ্য ৰাখি নতুন আফগান চৰকাৰক স্বীকৃতি প্ৰদানৰ কথা পৰৱৰ্তী সময়ত বিবেচনা কৰা হ'ব বুলি ইতিমধ্যে ভাৰতৰ লগতে জাৰ্মানী, তুৰস্ক আৰু ৰাছিয়াই স্পষ্ট কৰি দিলে।

# কামৰ অধিকাৰতকৈ জীৱনৰ মূল্য অধিক ঃ ফট্‌কা নিষেধাজ্ঞাক লৈ মত উচ্চতম ন্যায়ালয়ৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** সম্প্ৰতি দেশত আতচবাজীত নিষেধাজ্ঞা আৰোপ বিষয়ক এক গোচৰ উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ আছে। এই গোচৰৰ শুনানিত সৰ্বোচ্চ ন্যায়ালয়ে ক'লে যে কামৰ অধিকাৰতকৈ মানুহৰ জীৱনৰ মূল্য অধিক। মঙলবাৰে উচ্চতম ন্যায়ালয়ে আতচবাজী প্ৰস্তুতকাৰকক উদ্দেশি কয় যে ২০১৮ৰ আদালতৰ ৰায়ত ফটকা তৈয়াৰ আৰু বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰাৰ ক্ষেত্ৰত যিসকল লোক কৰ্মহীন হ'ল, তেওঁলোকৰ কামৰ অধিকাৰৰ তুলনাত নিৰীহ নাগৰিকৰ জীৱনৰ অধিকাৰ অধিক গুৰুত্বপূৰ্ণ। উল্লেখ্য যে আতচবাজী তৈয়াৰৰ ওপৰত আৰোপ কৰা নিৰ্দেশনাৰ বিৰোধিতাৰে ফটকা প্ৰস্তুতকাৰক কাৰখানাৰ স্বত্বাধিকাৰীয়ে সৰ্বোচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। গোচৰীয়াৰ হৈ অধিবক্তাই লক্ষাধিক লোকৰ কৰ্মসংস্থাপনৰ অধিকাৰৰ যুক্তি দৰ্শাইছিল। গোচৰৰ শুনানি সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ এম আৰ শ্বাহ আৰু এ এছ ব'পান্নাৰ বিচাৰপীঠে কয়, 'কৰ্মসংস্থাপনৰ অধিকাৰৰ যুক্তিৰে আমি আন নাগৰিকৰ জীৱনক লৈ হেতালি খেলিবলৈ দিব নোৱাৰো। আমি কৰ্মসংস্থাপনৰ অধিকাৰ আৰু নাগৰিকৰ জীৱন যাপনৰ অধিকাৰৰ মাজত ভাৰসাম্যতা বৰ্তাই ৰাখিব লাগিব। কিন্তু আমাৰ প্ৰধান লক্ষ্য হৈছে ফটকা ব্যৱহাৰৰ ফলত নিৰীহ নাগৰিকৰ জীৱনৰ অধিকাৰ ৰক্ষা কৰা।'

## সংক্ৰমণ ২০ হেজাৰৰ তলতে, কিন্তু মৃত্যুবৃদ্ধি ৩৭৮ জনলৈ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** মঙলবাৰৰ দৰে বুধবাৰেও দেশত কৰ'নাৰ দৈনিক সংক্ৰমণ ২০ হেজাৰৰ তলতে আছে। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ১৮,৮৭০ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বৰ্তমানলৈকে ভাৰতত মুঠ তিনি কোটি ৩৭ লাখ ১৬ হেজাৰ ৪৫১ জন লোক এই মাৰাত্মক ভাইৰাছত সংক্ৰমিত হ'ল। ছমাহ পাছত কালি ক'ভিডত মৃতকৰ সংখ্যা ২০০ৰ তললৈ নামিছিল। কিন্তু বুধবাৰে পুনৰ ভাৰতত ৩৭৮ জন লোকৰ প্ৰাণ কাঢ়িলে কৰ'নাৰ সংক্ৰমণে। অতিমাৰীৰ সমগ্ৰ পৰ্বটোত এতিয়ালৈকে চাৰি লাখ ৪৭ হেজাৰ ৭৯১ জন লোকৰ মৃত্যু হ'ল ভাৰতত। কেৰালা, মহাৰাষ্ট্ৰ, অন্ধ্ৰ প্ৰদেশ, মিজোৰাম, কৰ্ণাটক আৰু তামিলনাডুত বৰ্তমানে সৰ্বাধিকসংখ্যক ক'ভিড ৰোগী আছে।

## বাংগালুৰুৰ এখন বিদ্যালয়ত ৬০ ছাত্ৰ কৰ'নাত আক্ৰান্ত



**নিউজ ব্যুৰ', বাংগালুৰু, ২৯ ছেপ্টেম্বৰ ঃ** কৰ্ণাটকৰ বাংগালুৰুত এখন বিদ্যালয়ত ৬০ জন ছাত্ৰ-ছাত্ৰী ক'ভিড-১৯ত সংক্ৰমিত হ'ল। এই ঘটনাৰ পাছতে বিদ্যালয়খন সাময়িকভাৱে বন্ধ কৰি দিয়া হ'ল। বাংগালুৰুৰ ইলেকট্ৰ'নিক চিটিৰ এখন আৱাসিক স্কুলত ৬০ জন ছাত্ৰ-ছাত্ৰীৰ শৰীৰত কৰ'না ভাইৰাছৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। এজন ছাত্ৰ তীব্ৰ জ্বৰত আক্ৰান্ত হৈছিল আৰু পৰীক্ষা কৰাত তেওঁৰ শৰীৰত কৰ'না ভাইৰাছৰ সংক্ৰমণ নিশ্চিত হয়। সম্প্ৰতি আক্ৰান্ত ছাত্ৰজন লেডি কাৰ্জন এণ্ড বৰিংগ হাস্পতালত চিকিৎসাধীন হৈ আছে। আনসকল ছাত্ৰ-ছাত্ৰীক শ্ৰীচৈতন্য গাৰ্লছ ৰেচিডেন্সিয়েল স্কুলত নিভৃতবাসত ৰখা হৈছে।

# ফ্ৰান্সত ইছলামিক চৰমপন্থীক নিয়ন্ত্ৰণৰ কঠোৰ ব্যৱস্থা ঃ ছয় মছজিদ-সন্দেহজনক সংগঠন বন্ধৰ পদক্ষেপ



**নিউজ ব্যুৰ', পেৰিছ, ২৯ ছেপ্টেম্বৰ ঃ** ফ্ৰান্সে ইছলামিক চৰমপন্থী সংগঠনৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলে। দেশখনত থকা ছটা মছজিদ আৰু সন্দেহজনক সংগঠন বন্ধ কৰিবলৈকো ফ্ৰান্স চৰকাৰে ইতিমধ্যে প্ৰক্ৰিয়া আৰম্ভ কৰিছে। দেশখনৰ গৃহমন্ত্ৰী জেৰাৰ্ড ডাৰমেনিনে আজি এই কথা প্ৰকাশ কৰি কয় যে দেশখনত থকা ৮৯টা ধৰ্মীয় স্থানৰ এক-তৃতীয়াংশ ইছলামিক চৰমপন্থীৰ প্ৰভাৱ প্ৰত্যক্ষ হৈছে। মন্ত্ৰীজনে প্ৰকাশ কৰা অনুসৰি, এইসমূহ সন্দেহজনক ধৰ্মীয় স্থান তথা সংগঠনৰ ওপৰত চোৰাংচোৱাই অহৰহ দৃষ্টি ৰাখিছে। আগন্তুক এবছৰত ফ্ৰান্সত সন্দেহজনক ১০টা সংগঠন নিষিদ্ধ কৰাৰ লগতে আন চাৰিটা সংগঠনৰ বিৰুদ্ধে অহা মাহৰ পৰা তদন্ত আৰম্ভ কৰা হ'ব বুলিও ডাৰমেনিনে জানিবলৈ দিয়ে। ফ্ৰান্স চৰকাৰে ইছলামিক প্ৰকাশন সংস্থা নবা আৰু ব্লেক আফ্ৰিকান ডিফেন্স লীগকো বন্ধ কৰিবলৈ সিদ্ধান্ত লৈছে। ফ্ৰান্স চৰকাৰে ২০২০ত এজন শিক্ষকক ইছলামিক চৰমপন্থীয়ে হত্যা কৰাৰ পাছৰে পৰা চৰমপন্থীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছিল। উল্লেখ্য যে ২০২০ত ছেমুৱেল পেটি নামৰ শিক্ষকজনে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক এখন আলোচনীত ছপা হোৱা পয়গম্বৰ মহম্মদৰ বিবদিত কাৰ্টুন এখন প্ৰদৰ্শন কৰিছিল আৰু এই অপৰাধতে চৰমপন্থীয়ে পেটিৰ বিৰুদ্ধে অনলাইনত ব্যাপক প্ৰচাৰ চলাই তেওঁক হত্যা কৰিছিল।

## নিৰ্বাচনৰ পূৰ্বে পঞ্জাৱত ছন্নি চৰকাৰৰ ঘোষণা, দুই কিলোৱাটলৈকে বিদ্যুতৰ বিল দিয়া হ'ব ৰেহাই

**নিউজ ব্যুৰ', চণ্ডীগড়, ২৯ ছেপ্টেম্বৰ ঃ** পঞ্জাৱৰ নৱ নিযুক্ত মুখ্যমন্ত্ৰী চৰণজিত সিং ছন্নিয়ে ৰাজ্যখনৰ আগন্তুক বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে এক গুৰুত্বপূৰ্ণ ঘোষণা কৰিলে। ছন্নিয়ে আজি ঘোষণা কৰা অনুসৰি, পঞ্জাৱৰ দুই কিলোৱাটলৈকে বিদ্যুতৰ সংযোগ গ্ৰহণকাৰী উপভোক্তাসকলৰ অনাদায় হৈ থকা বিদ্যুতৰ বিল চৰকাৰে বহন কৰিব। মুখ্যমন্ত্ৰীজনে এই ঘোষণাৰ লগতে কয় যে চৰকাৰৰ সিদ্ধান্তৰ ফলত ৰাজ্যখনৰ ৫৩ লাখ পৰিয়াল উপকৃত হ'ব। পঞ্জাৱত বিদ্যুতৰ সমস্যা এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে বিবেচিত হৈ আহিছে আৰু আম আদমী পাৰ্টি (আপ) অলপতে ঘোষণা কৰি কৈছিল যে পঞ্জাৱত আপৰ চৰকাৰ গঠন হ'লে ৰাজ্যবাসীক তিনিশ ইউনিটলৈকে বিনামূলীয়া বিদ্যুৎ যোগান ধৰা হ'ব। আপৰ এই ঘোষণাৰ কেইদিনমান পাছতে পঞ্জাৱৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব লাভ কৰা ছন্নিয়ে আজি কেবিনেট বৈঠকত ৰাজ্যবাসীক বিদ্যুতৰ অনাদায় বিলৰ ক্ষেত্ৰত সকাহ দিবলৈ এই সিদ্ধান্ত ঘোষণা কৰিলে।



কেবিনেট বৈঠকৰ পাছত ছন্নিয়ে কয়, 'মই সমগ্ৰ পঞ্জাৱ ঘূৰি ফুৰি ৰাইজৰ মতামত গ্ৰহণ কৰিছো। পঞ্জাৱবাসীৰ সকলো সমস্যা দূৰ কৰিবলৈ মই কাম কৰিম। হিতৰ বাবে সকলো কাম কৰিম। বিদ্যুতৰ বিলৰ ক্ষেত্ৰতো ৰাইজক সকাহ দিম। ৫৫ হেজাৰৰ পৰা এক লাখলৈকে ঘৰৰ বিদ্যুতৰ সংযোগ কৰ্তন হৈছে। সেয়েহে দুই কিলোৱাটলৈকে বিদ্যুতৰ অনাদায় বিলৰ ধন চৰকাৰে আদায় দিব। ৰাজ্যত ৫৩ লাখ এনে পৰিয়াল আছে, যিসকলে বিদ্যুতৰ বিল আদায় দিয়া নাই। এইসকল পৰিয়াল উপকৃত হ'ব।' মুখ্যমন্ত্ৰীজনে প্ৰকাশ কৰা মতে, বিদ্যুতৰ বকেয়া বিল পৰিশোধৰ বাবদ চৰকাৰে ১২০০ কোটি টকা ব্যয় কৰিব লাগিব।

## সৰবৰহী যুৱকৰ মৃত্যুত বৰভাগত শোকৰ ছাঁ

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২৯ ছেপ্টেম্বৰ ঃ** বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত কালাগ গাঁও নিৱাসী সৰবৰহী যুৱক নৱজ্যোতি (পিংকু) শৰ্মাৰ অকাল মৃত্যুত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে অবিবাহিত নৱজ্যোতি পেংকাইটিছ ৰোগত আক্ৰান্ত হৈ জিএমচিএইছত চিকিৎসাধীন হৈ থকা অৱস্থাতে কালি পুৱতি নিশা মৃত্যুক আঁকোৱালি লয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৩৯ বছৰ। পেছাত গাড়ীচালক নৱজ্যোতিয়ে পিতৃ-মাতৃসহ এগৰাকী বিবাহিত ভগ্নীৰ লগতে গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

## মন্দিয়া শিশু উন্নয়ন প্ৰকল্পত ৰাষ্ট্ৰীয় পোষণ মাহ উদ্‌যাপন

**মন্দিয়া, ২৯ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্পত ৰাষ্ট্ৰীয় পোষণ মাহ উদ্‌যাপন কৰা হয়। কালি অনুষ্ঠিত কাৰ্যসূচী অনুসৰি শিশু, গৰ্ভৱতী, প্ৰসূতি মাতৃক যোগান ধৰা শাক-পাচলি, পিঠা-পনা আদি পুষ্টিকৰ খাদ্য সামগ্ৰী অংগনৱাড়ী কৰ্মীসকলে প্ৰদৰ্শন কৰে। তদুপলক্ষে মন্দিয়া সংহত উন্নয়ন প্ৰকল্প বিষয়া গীতাঞ্জলি তালুকদাৰৰ পৌৰোহিত্যত ৰাজহুৱা সভা অনুষ্ঠিত হয়। মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্পৰ অংগনৱাড়ী কৰ্মীসকলে অসমৰ জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ আৰম্ভ কৰে। অনুষ্ঠানত বৰপেটা জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূচালে পিছপৰা অঞ্চলৰ শিশু আৰু গৰ্ভৱতী মহিলাসকলৰ পুষ্টিহীনতাৰ সমস্যা দূৰীকৰণৰ লগতে সামাজিক ব্যাধি বাল্যবিবাহৰ ক্ষেত্ৰত সকলোকে সজাগ দৃষ্টি ৰাখিবলৈ আহ্বান জনায়। দিনজোৰা কাৰ্যসূচীত শোভাযাত্ৰা গছপুলি ৰোপণ, নাও খেলৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত স্থানীয় বিধায়ক শ্বেৰমান আলী আহমেদ, মন্দিয়া খণ্ড উন্নয়ন বিষয়া কিশোৰ কলিতা, বৰপেটা জিলা সমাজ কল্যাণ বিষয়া, মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্পৰ অংগনৱাড়ী মুখ্য সেৱিকা অংগনৱাড়ী কৰ্মী, সহায়িকা, সমাজ কল্যাণ বিভাগৰ বহু বিশিষ্ট ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## কামপুৰত কপিলীত যুৱক সন্ধানহীন

অগ্ৰদূত বাৰ্তা

**কামপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** কামপুৰত কালি এজন যুৱক কপিলী নদীত গা ধুবলৈ গৈ সন্ধানহীন হয়। ৰমেশ বেদিয়া নামৰ যুৱকজনে কপিলী দলঙৰ সমীপত গা ধুবলৈ নামে আৰু দুৰ্ভাগ্য বশতঃ পানীৰ সোঁতত উটি যায়। সন্ধানহীন যুৱকজনৰ ঘৰ যোৰহাটৰ আৰু কৰ্মসূত্ৰে কিছুদিন ধৰি কামপুৰত আছিল। ঘটনাৰ খবৰ পোৱা মাত্ৰকে এছ ডি আৰ এফ আৰু স্থানীয় লোকে যুৱকজনক বিচাৰি অভিযান চলাইছে যদিও কোনো সন্ধান লাব কৰা নাই।

## অনিয়মৰ বাবে অৱশেষত অপসাৰিত বাকাইটাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৯ ছেপ্টেম্বৰ ঃ** অৱশেষত ক্ষমতাৰ পৰা অপসাৰিত হ'ল গোৱালপাৰা জিলাৰ মাটিয়া আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত ৪৮ নম্বৰ বাকাইটাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী সুষমা নাথে। উল্লেখ্য যে বিভাগীয় নিয়ম উলংঘা কৰি আঁচনি ৰূপায়ণৰ নামত সভানেত্ৰীগৰাকীয়ে ব্যাপক দুৰ্নীতিত লিপ্ত হোৱা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছিল। দুৰ্নীতিগ্ৰস্ত সভানেত্ৰীগৰাকীক ক্ষমতাৰ পৰা অপসাৰিত কৰাৰ লক্ষ্যৰেই পঞ্চায়তটোৰ উপ-সভাপতি হিতেশ নাথৰ লগতে সদস্য-সদস্যা ক্ৰমে প্ৰফুল্ল কুমাৰ নাথ, ভক্তলাল নাথ, জিতেন নাথ, অৰ্চনা হাজং, ৰবীন নাথ লিলি বৰুৱা আৰু ৰীণা হাজঙে যোৱা ১০ আগষ্টত বিভাগীয় নিয়ম অনুযায়ী অনাস্থা প্ৰস্তাৱ উত্থাপন কৰি বিশেষ সভা আহ্বানৰ দাবীৰে পঞ্চায়তৰ সচিবক লিখিতভাৱে আবেদন কৰে।

ইপিনে, বিভাগীয় নিয়ম অনুযায়ী নিৰ্দিষ্ট সময়ৰ ভিতৰত সচিবে বিশেষ সভা আহ্বান কৰে যদিও সভানেত্ৰীগৰাকীয়ে অনুপস্থিত থাকে। পৰৱৰ্তী সময়ত বিভাগীয় নিয়ম মতে যোৱা দুই ছেপ্টেম্বৰত উক্ত অনাস্থা প্ৰস্তাৱ সন্দৰ্ভত মাটিয়া আঞ্চলিক পঞ্চায়তে এখন সভা অনুষ্ঠিত কৰে যদিও সভানেত্ৰীগৰাকীয়ে অনুপস্থিত থকাত এসপ্তাহ সময় দি পুনৰ ন ছেপ্টেম্বৰত সভা আহ্বান কৰে। কিন্তু মাটিয়া আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী আৰজুমা মমতাজৰ পৌৰোহিত্যত ন ছেপ্টেম্বৰত অনুষ্ঠিত সভাখনতো দুৰ্নীতিগ্ৰস্ত পঞ্চায়ত সভানেত্ৰী সুষমা নাথে অনুপস্থিত থাকে। পাছত উক্ত সভাতেই অনাস্থা প্ৰস্তাৱ উত্থাপনকাৰী আঠগৰাকীকৈ সদস্য-সদস্যাৰ উপস্থিতিত অনাস্থা প্ৰস্তাৱ গৃহীত কৰা হয় আৰু অনাস্থা প্ৰস্তাৱৰ অনুমোদন বিচাৰি ১৩ ছেপ্টেম্বৰত গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়ালৈ মাটিয়া আঞ্চলিক পঞ্চায়তৰ কাৰ্যবাহী বিষয়াই আবেদন জনায়। সেই মৰ্মে অনাস্থা প্ৰস্তাৱৰ অনুমোদন জনাই ইয়াৰ কাৰ্যকৰী কৰিবলৈ যোৱা ২৩ ছেপ্টেম্বৰত গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই মাটিয়া আঞ্চলিক পঞ্চায়তৰ কাৰ্যবাহী বিষয়াক এক নিৰ্দেশ দিয়ে। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ অনুমোদনৰ ভিত্তিত যোৱা ২৭ ছেপ্টেম্বৰত মাটিয়া আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী আৰজুমা মমতাজে এক পত্ৰযোগে সুষমা নাথক ক্ষমতাৰ পৰা অপসাৰণ কৰে।

## ধৰ্মপ্ৰাণা মহিলা নিয়তি চৌধুৰীৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** বিলাসীপাৰা মহকুমাৰ চাপৰৰ বাৰুণীতাৰা গাঁৰৰ ধৰ্মপ্ৰাণা মহিলা নিয়তি চৌধুৰী (৮৩)ৰ কালি বাৰ্ধক্যজনিত কাৰণত দেহাৱসান হয়। প্ৰায় ১৫ দিন ধৰি মহিলাগৰাকী শাৰীৰিকভাৱে কিছু দুৰ্বল হৈ পৰাৰ পাছত চিকিৎসকৰ পৰামৰ্শ মতে ভতিজা তথা ছাছলাপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হেৰম্ব কলিতাই পেহীয়েকৰ চিকিৎসাৰ ব্যৱস্থা কৰে যদিও কালি পুৱা মৃত্যু হয়। পাছত চাপৰৰ বৌমাৰীস্থিত ৰাজহুৱা শ্মশানত বহু সংখ্যক গুণমুগ্ধ আত্মীয়-স্বজন আৰু শুভাকাংক্ষীৰ উপস্থিতিত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। ধৰ্মপ্ৰাণ মহিলাগৰাকীৰ মৃত্যুৰ বাতৰি পাই চাপৰস্থিত জীৱনবীমা কাৰ্যালয়ৰ মেনেজাৰ কৰেন দাস, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ডালিমী দাস, চৈবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সনাতন সৰকাৰ, ৰক্ষামাটি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কামদেৱ সৰকাৰ, শিক্ষক সুকুমাৰ সিংহ, শিক্ষক ৰফিয়াল আলী, সাংবাদিক দিলীপ কুমাৰ দাস আদি ব্যক্তিসকল প্ৰয়াত মহিলাগৰাকীৰ বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধা জনায়।

■ কোনো আগতীয়া জাননী অবিহনেই কৰ্তন কৰা হ'ল ছয় শতাধিক পৰিয়ালৰ সংযোগ

■ বিভাগৰ বিৰুদ্ধে পাহাৰপাৰাত প্ৰতিবাদ ■ ১০ শতাংশ ৰাইজে দিয়া নাই বিল

## নগৰবেৰাৰ গাঁৱত বিদ্যুৎ বিভাগৰ বিৰুদ্ধে প্ৰতিবাদ



**আলোপতি, ২৯ ছেপ্টেম্বৰ ঃ** বিদ্যুৎ বিভাগত সংস্কাৰ সাধিবলৈ বিভাগীয় মন্ত্ৰী বিমল বড়াই চেষ্টা অব্যাহত ৰখাৰ সময়তে বিদ্যুৎ বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ মইমতালিত অতিষ্ঠ হৈ পৰিছে একাংশ লোক। সংস্কাৰৰ নামত নিজৰ খেয়ালখুচি মতে যি ইচ্ছা তাকেই কৰিছে একাংশ বিষয়া-কৰ্মচাৰীয়ে। শেহতীয়াকৈ কামৰূপ জিলাৰ বকো বিদ্যুৎ উপ-সংমণ্ডলৰ বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে এনে মইমতালিৰ অভিযোগ উত্থাপন কৰিছে বকো সমষ্টিৰ নগৰবেৰাৰ পাহাৰপাৰা গাঁৱৰ ৰাইজে। অভিযোগ মতে, গাঁওখনত থকা প্ৰায় ছয় শতাধিক পৰিয়ালক বিদ্যুৎ সংযোগ দিয়া হৈছে বকো উপ-সংমণ্ডলৰ পৰা।প্ৰতিমাহে প্ৰায় ৯০ শতাংশ গ্ৰাহকে নিয়মীয়াকৈ বিদ্যুৎ বিল আদায় দি আহিছে যদিও গাঁওখনৰ ১০ শতাংশ গ্ৰাহকে দীঘলীয়া ক'ভিড পৰিস্থিতিকে ধৰ বিভিন্ন কাৰণত আদায় দিব পৰা নাই বিদ্যুৎ বিল। গাঁওখনৰ মাত্ৰ ১০ শতাংশ পৰিয়ালে বিদ্যুৎ বিল আদায় নিদিয়াৰ অজুহাততে কালি সমগ্ৰ গাঁওখনৰে বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰি দিয়ে বিভাগৰ বকো উপ-সংমণ্ডলৰ বিষয়া-কৰ্মচাৰীসকলে। উৎকট গৰমৰ মাজতে বিদ্যুৎ বিভাগৰ এনে কৰ্ম কাণ্ডত হতভম্ব হৈ পৰে গাঁওবাসী। নিশাই একাংশ লোকৰ তৎপৰতাত অনাদায় বিলৰ ধন সংগ্ৰহ কৰি বিদ্যুৎ বিভাগক অৱগত কৰায় যদিও বিভাগটোৰ বিষয়া-কৰ্মচাৰীসকলে কোনো ধৰণে গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উত্থাপন কৰিছে একাংশ সচেতন লোকে। কোনো আগতীয়া জাননী নিদিয়াকৈ বিদ্যুৎ কৰ্মচাৰীসকলে সম্পূৰ্ণৰূপে মইমতালিৰে বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰাত অন্ধকাৰত ডুব যায় গাঁওখন। বিদ্যুৎ বিভাগৰ এনে হঠকাৰী কৰ্মকাণ্ডত সমস্যাত পৰিছে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ লগতে সৰ্বস্তৰৰ লোক। বিদ্যুৎ বিভাগৰ এনে কৰ্মকাণ্ডত অতিষ্ঠ হৈ গাঁওবাসীয়ে কালি বিভাগৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে শীঘ্ৰে গাঁওখনত বিদ্যুৎ সংযোগ দিবলৈ দাবী জনাইছে।

## ৰংজুলিত পৃথক পথ দুৰ্ঘটনাত নিহত এক ঃ আহত তিনি

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ২৯ ছেপ্টেম্বৰ ঃ** ৰংজুলিত বিগত ২৪ ঘণ্টাত সংঘটিত দুটা পৃথক দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে তিনিজন লোক গুৰুতৰভাৱে আহত হয়। প্ৰথমটো দুৰ্ঘটনা হয় যোৱা ২৭ ছেপ্টেম্বৰৰ নিশা প্ৰায় ১২-২০ বজাত। শ্বিলঙৰ পৰা তুৰা অভিমুখে আহি থকা এম এল-০৮ জি-০৯৭৫ নম্বৰৰ মিলেনিয়াম ৰেভ নামৰ নৈশ বাছখন ৰংজুলি চহৰৰ মাজমজিয়া পাওঁতে বিপৰীত দিশৰ পৰা অহা এ এছ-২৫ চি চি-৬০০৩ নম্বৰৰ টাটা এচিই বাহনৰ স'তে মুখামুখি সংঘৰ্ষ হয়। দুয়োখন বাহনৰ মাজত হোৱা প্ৰচণ্ড সংঘৰ্ষত টাটা এচিই বাহনখনৰ সন্মুখভাগ সম্পূৰ্ণ বিধ্বস্ত হয়। ফলত চালকজনক বাহনৰ বিধ্বস্ত অংশই চেপি ধৰে আৰু তেনে অৱস্থাতে মৃত্যু ঘটে। মৃত চালকজনক উদ্ধাৰ কৰিবৰ বাবে প্ৰায় দুঘণ্টা সময় লাগে। ক্ৰেণেৰে বাহনৰ বিধ্বস্ত অংশ টানিহে চালকজনক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মাজত সংঘটিত এই ভয়ংকৰ পথ দুৰ্ঘটনাৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰায় চাৰি ঘণ্টা ধৰি বন্ধ হৈ থাকে ফলত আৱদ্ধ হৈ পৰে যান-বাহনসমূহ। মৃত চালকজন ধূপধৰা থানাৰ অন্তৰ্গত তেলীপাৰাৰ দিগন্ত দাস (৩৫)। ইপিনে, সৌভাগ্য ক্ৰমে নৈশ বাছত অহা প্ৰায় ৪০ জন যাত্ৰী কোনো ধৰণৰ আঘাত নোপোৱাকৈ ৰক্ষা পৰে। দ্বিতীয়টো দুৰ্ঘটনা সংঘটিত হয় আবেলি চাৰিমান বজাত। ৰংজুলি থানাৰ অন্তৰ্গত পাটিয়াৰ পাৰাৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত তীব্ৰবেগী এ এছ-০১ এন-১৪০০ নম্বৰৰ আল্ট্ৰা বাছে এ এছ-১৮ জি-৫২১৬ নম্বৰৰ মটৰ চাইকেলখনক খুন্দিয়াই ধাননি পথাৰত নামি যায়। ফলত মটৰ চাইকেল আৰোহীজন গুৰুতৰভাৱে আহত হোৱাৰ লগতে বাছখনৰো দুজন যাত্ৰী গুৰুতৰভাৱে আহত হয়। আহত লোককেইজনক ততালিকে ৰংজুলি চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও মটৰ চাইকেল চালকজনৰ অৱস্থা সংকটজনক হেতুকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। আহত লোককেইজন ক্ৰমে মৰনৈৰ গাইদাৰ আলী, গৌৰীপুৰৰ ফজৰ আলী আৰু কোকৰাঝাৰৰ ববী দেউল আলী।

## তেজপুৰৰ মৰাভৰলীত উচ্ছেদ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** কৃত্ৰিম বানে ক্ৰমান্বয়ে ভাবুকি কঢ়িয়াই অনা তেজপুৰ তথা শোণিতপুৰৰ সকলো চৰকাৰী ভূমি বেদখলমুক্ত কৰা হ'ব বুলি প্ৰকাশ কৰিছে জিলা প্ৰশাসনে। ইয়াৰে অংশ হিচাপে কালি দিনৰ প্ৰায় ১১ বজাত শোণিতপুৰ জিলা প্ৰশাসনে উচ্ছেদ চলায় তেজপুৰ চহৰৰ কাষৰে মৰাভৰলী নৈৰ বুকুত তথা পাৰৰ চৰকাৰী ভূমিত। তেজপুৰ পৰোৱাস্থিত মৰাভৰলী নৈৰ বুকুত অবৈধভাৱে নিৰ্মাণ কৰা ঘৰৰ লগতে ভূমিত একাংশ লোকে অবৈধভাৱে গৃহ নিৰ্মাণ কৰা ঘটনাৰ বিষয়ে দীৰ্ঘদিন ধৰি সাংসদ মাধ্যমত প্ৰকাশ পোৱাৰ পাছত আজি তেনে চাৰিটা ঘৰ আৰু এখন অস্থায়ী হোটেল উচ্ছেদ কৰে। এনে হোটেলত মদ-ভাং-জুৱা আদিৰ দৰে অসামাজিক কাৰ্যকলাপো সংঘটিত হৈ আহিছিল। তেজপুৰ সদৰ ৰাজহ চক্ৰ বিষয়া পংকজ বৰাৰ নেতৃত্বত কালি উচ্ছেদ অভিযান চলাৰ উপৰি চক্ৰ বিষয়াই কোনো কাৰণতে চৰকাৰী মাটি কোনো লোকক বেদখল কৰিবলৈ দিয়া নহ'ব বুলি স্পষ্ট কৰি দিয়ে। তেওঁ শীঘ্ৰেই হোলা জলাশয়ত হোৱা বেদখলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰে। ইপিনে, মৰাভৰলীৰ পাৰত বেদখল কৰা একাংশ লোকক কালি উচ্ছেদৰ জাননী জাৰি কৰে।

## বিদ্যুৎ কৰ্তন কৰিব যোৱা কৰ্মচাৰীক আক্ৰমণ গ্ৰাহকৰ

■ মুকালমুৱাৰ বনপুৰাত অঘটন

**মুকালমুৱা, ২৯ ছেপ্টেম্বৰ ঃ** মুকালমুৱাৰ বনপুৰাত দুগৰাকী শক্তি বিভাগৰ কৰ্মচাৰীক আক্ৰমণ কৰে একাংশ উদণ্ড লোকে। বিদ্যুতৰ বিল পৰিশোধ নকৰা গ্ৰাহকৰ ঘৰত বিদ্যুৎ কৰ্তন কৰিবলৈ গৈছিল শক্তি বিভাগৰ চামতা উপ-সংমণ্ডলৰ এটা দলে। বনপুৰাৰ হানিফ আলীৰ ঘৰত বিদ্যুৎ কৰ্তন কৰিবলৈ যাওঁতে দুজন কৰ্মচাৰীক আক্ৰমণ কৰে একাংশ উদণ্ড লোকে। হানিফ আলীৰ অনাদায় বিল আছিল ১৩,৫৩৮ টকা, ছাৰিফুল আলী, ইলাচ আলী, হুছেইন আলী আৰু জিয়াউৰ ৰহমান নামৰ লোক কেইজনে আক্ৰমণ কৰে বিদ্যুৎ বিভাগৰ কৰ্মচাৰী দুজনক। আক্ৰমণত আতোৱাৰ ৰহমান আৰু দিলোৱাৰ হুছেইন নামৰ কৰ্মচাৰী দুজন আহত হয়। আহত দুয়োকে মুকালমুৱা চিকিৎসালয়ত ভৰ্তি কৰা হয়। ঘটনাৰ উচিত তদন্ত বিচাৰি চামতা উপ-সংমণ্ডলৰ বিষয়া দিব্যজ্যোতি কলিতাই দৌলাশাল আৰক্ষী চকীত এজাহাৰ দাখিল কৰে।

ইফালে, আহত কৰ্মচাৰী আতোৱাৰ ৰহমানে দোষীক কৰায়ত্ত কৰি উপযুক্ত শাস্তিৰ দাবী জনাই মুকালমুৱা আৰক্ষীয়ে থানাত নিজাববীয়াকৈ এজাহাৰ দাখিল কৰে।

## তেজপুৰত দুই বন্যহস্তীৰ উপদ্ৰৱ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** তেজপুৰৰ দপৰ্বতীয়া আৰু পাৰ্শ্বৱৰ্তী বাঁহবাৰীত দুটা বন্যহস্তীয়ে চলোৱা উপদ্ৰৱৰ বিপৰীতে বন বিভাগৰ চূড়ান্ত গাফিলতি প্ৰদৰ্শনক লৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে সোণাই ৰূপাই অভয়াৰণ্যৰ পৰা ওলাই এহা দুটা হাতীয়ে যোৱা সময়ছোৱাত ৰঙাপৰাৰ লগতে কাষৰীয়া বিভিন্ন অঞ্চলত কৃষিভূমি তহিলং কৰিছে। যোৱা নিশা প্ৰায় ৮-৩০ বজাত এই দুটা হাতীয়ে বাঁহবাৰী অঞ্চলৰ বহুকেইজন কৃষকৰ পথাৰত নামি সঁজাল ধৰা ধানখেতিৰ বিস্তৰ ক্ষতিসাধন কৰে। তদুপৰি, ইয়াৰ পূৰ্বে তেজপুৰৰ দপৰ্বতীয়াৰ মইনাচুবুৰিত প্ৰৱেশ কৰা হাতী দুটাই এটা পৰিয়ালৰ ভঁৰালঘৰৰ খিৰিকী ভাঙি ধানৰ বস্তা উলিয়াই নিয়ে। যোৱা নিশা দেৰীসিং ঘাট হৈ ডিপোটাৰে ৰাষ্ট্ৰীয় পথ অতিক্ৰম কৰি হাতী দুটাই ৰঙাপৰা দিশে আগবঢ়াৰ পথত বাঁহবাৰীত বৃহৎ পৰিমাণৰ ধানখেতি তহিলং কৰে। সঁজালধৰা ধান ভক্ষণ কৰাৰ লগতে পথাৰৰে নামি যোৱা হাতী দুটাৰ খোজত বহু পৰিমাণৰ ধান বিনষ্ট হোৱাত ক্ষোভিত হৈ পৰিছে কৃষকসকল। উল্লেখ্য যে দুয়োটা ঘটনাৰ বিষয়ে বন বিভাগক জনোৱা সত্ত্বেও বন বিভাগে কোনো গুৰুত্বই নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। উল্লেখ্য যে বাঁহবাৰী আৰু কাষৰীয়া অঞ্চলত বন্যহস্তীৰ উপদ্ৰৱ বছৰি কৃষকসকলে সহ্য কৰি আহিবলগীয়া হোৱাৰ লগতে বহু সংখ্যক কৃষকে খেতি কৰিবলৈকে এৰি দিছে। পক্ষীয়াঝাৰকে ধৰি তেজপুৰৰ একাধিক অঞ্চলত এনে ঘটনা সংঘটিত হৈছে। ক্ষতিগ্ৰস্ত কৃষকসকলৰ অধিকাংশই ক্ষতিপূৰণো লাভ নকৰা বুলি প্ৰকাশ কৰিছে।

## ভূৰাগাঁৱত বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ ঃ পলাতক সৰবৰাহকাৰী

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও থানাৰ আৰক্ষীয়ে অভিযান চলাই অঞ্চলটোৰ বটালিমাৰীৰ পৰা বৃহৎ পৰিমাণৰ গাঞ্জা উদ্ধাৰ কৰে। আৰক্ষীয়ে উদ্ধাৰ কৰা গাঞ্জাখিনিৰ পৰিমাণ ১১ কিলোগ্ৰামতকৈ অধিক। হাবিজুৰ ইছলাম নামৰ এজন সৰবৰাহকাৰীয়ে উক্ত গাঞ্জাখিনি মজিবুৰ ৰহমানৰ ঘৰত ৰখা বুলি আৰক্ষীয়ে তথ্য লাভ কৰিছে। আৰক্ষীয়ে গাঞ্জাখিনি জব্দ কৰে যদিও সৰবৰাহকাৰীজনে পলায়ন কৰে। অৱশ্যে আৰক্ষীয়ে এই সন্দৰ্ভত কাকো আটক কৰিবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে দীৰ্ঘদিন ধৰি দৰঙৰ পৰা ব্ৰহ্মপুত্ৰৰ বুকুৰে নাৱৰে ভূৰাগাঁৱলৈ দীৰ্ঘদিন গাঞ্জাৰ চোৰাং বেহা চলি আছে। ইফালে, অঞ্চলটোত একাংশ অসাধু ব্যৱসায়ীয়ে ড্ৰাগছ, গাঞ্জা বেহাৰ যোগেদি ভূৰাগাঁও অঞ্চলৰ যুৱ প্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। এই ক্ষেত্ৰত আৰক্ষীক কঠোৰ পদক্ষেপ ল'বলৈ স্থানীয় সচেতন মহলে দাবী জনাইছে।

## কোকৰাঝাৰত উপ-নিৰ্বাচনক লৈ তৎপৰ কংগ্ৰেছ-বিজেপি

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৯ ছেপ্টেম্বৰ ঃ** বিটিআৰত দুটাকৈ বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ কঁকালত টঙালি বান্ধিছে বিজেপি আৰু কংগ্ৰেছ। ইতিমধ্যে গোসাঁইগাঁও সমষ্টিৰ বাবে কংগ্ৰেছৰ দলীয় টিকট দাবীদাৰ হৈছে জুৱেল টুডু, মংগল টুডু আৰু হেলেন মূৰ্মু। আনহাতে, তামুলপুৰত কংগ্ৰেছৰ দলীয় টিকটৰ দাবীদাৰ হৈছে ভাস্কৰ দাহাল আৰু বিনাৰাম বড়ো। কালি এই তথ্য বিকাশ কৰিছে বিটিআৰ কংগ্ৰেছী নেতা গীৰ্জন মুছাহাৰীয়ে। মুছাহাৰীয়ে উপ-নিৰ্বাচনত দুয়োটা সমষ্টি কংগ্ৰেছৰ দখলত থাকিব বুলি দাবী কৰি কংগ্ৰেছ শ্ৰেষ্ঠ দল বুলি কয়। একেদৰে বিজেপিৰ জিলা সভাপতি ৰাজকুমাৰ ব্ৰহ্মই উপ-নিৰ্বাচনক লৈ বিজেপি যথেষ্ট শক্তিশালী বুলি কয়। অৱশ্যে হাইকমাণ্ডৰ সিদ্ধান্ত মৰ্মে তালিকা প্ৰকাশ কৰিব বুলি কয়। আনপিনে বিটিআৰৰ সদৰ কোকৰাঝাৰত কালি আৰজেপি ৰাজ্যিক সভাপতি শান্তনু ঘোষে সাংগঠনিক দিশ শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে।

## শহুৰেকৰ ঘৰত চিপ লোৱা অৱস্থাত উদ্ধাৰ জোঁৱায়েকৰ মৃতদেহ

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২৯ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলাৰ গোৰেশ্বৰ থানাৰ অন্তৰ্গত শুৱাগপুৰৰ চেনীগাঁৱত ৰহস্যজনকভাৱে গোৰেশ্বৰৰ গুৱমৌ গাঁৱৰ খনিন্দ্ৰ দাস (২৫) নামৰ লোকজনৰ মৃত্যু হোৱাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে খনিন্দ্ৰ দাস বিগত প্ৰায় এমাহ ধৰি চেনীগাঁৱৰ শহুৰেকৰ ঘৰতে আছিল। তাতেই যোৱা ২৫ ছেপ্টেম্বৰত চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হয় খনিন্দ্ৰৰ মৃতদেহ। ইয়াকে লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে আৰু এয়া আত্মহত্যা নহয় পৰিকল্পিত হত্যাকাণ্ড বুলি অভিযোগ উত্থাপিত কৰিছে খনিন্দ্ৰৰ পৰিয়ালৰ লোকে। গোৰেশ্বৰৰ গুৱমৌ গাঁৱৰ খনিন্দ্ৰৰ পত্নী তথা পত্নীৰ পৰিয়ালৰ লোকৰ স'তে কিছু সংঘাতৰ সৃষ্টি হোৱাৰ কথা পোহৰলৈ আহিছে। কিন্তু এতিয়া শহুৰেকৰ পৰিয়ালে সমগ্ৰ ঘটনাটোক আত্মহত্যাৰ ৰূপ দিবলৈ চেষ্টা কৰিছে।

**হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টাৰ অভিযোগ**

মৃতদেহত আঘাতৰ স্পষ্ট চিন থকালৈ চাই এয়া আত্মহত্যা নহয় হত্যাকাণ্ডৰ ঘটনা বুলি দাবী কৰিছে খনিন্দ্ৰৰ পৰিয়ালৰ লোকে। ইপিনে, চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হোৱা মৃতদেহটো গাঁৱৰ গাঁওবুঢ়া তথা স্থানীয় আৰক্ষীক অৱগত নকৰাকৈ চিকিৎসালয়লৈ নিয়াৰ অভিযোগ কৰিছে পৰিয়ালৰ লোকে। এই ঘটনাক সম্পূৰ্ণ পৰিকল্পিত হত্যাকাণ্ড বুলি অভিযোগ উত্থাপন কৰি যুৱকজনৰ পৰিয়ালৰ লোকে ইতিমধ্যে গোৰেশ্বৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। কিন্তু লক্ষ্যণীয়ভাৱে আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰাৰ বিপৰীতে হেমাহি কৰাৰ অভিযোগ উত্থাপন কৰিছে যুৱকজনৰ পৰিয়ালৰ লোকে। এই ঘটনাৰ এক উচিত তদন্ত দাবী কৰাৰ লগতে দোষীক শাস্তি বিহাৰ দাবী জনাইছে খনিন্দ্ৰৰ পৰিয়ালৰ লোকে।

## বৰভাগত কংগ্ৰেছ কৰ্মীৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২৯ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ কমাৰকুছি আৰক্ষী চকীৰ অন্তৰ্গত ৪৭(১) নম্বৰ মণ্ডলৰ ৰনাকুছি গাঁৱৰ হিতেশ কলিতা (৫০)ৰ কালি পুৱা আকস্মিকভাৱে মৃত্যু হয়। মৃত্যুৰ সময়লৈকে তেওঁ কংগ্ৰেছৰ নিষ্ঠাবান কৰ্মীৰূপে কাম কৰাৰ লগতে দলৰ সাংগঠনিক দিশত তেওঁৰ অৰিহণা যথেষ্ট আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে এজন পুত্ৰ সন্তানক এৰি যায়।

## হোজাইত ক'ভিড-১৯ৰ সজাগতামূলক অভিযান

অগ্ৰদূত বাৰ্তা

**লংকা, ২৯ ছেপ্টেম্বৰ ঃ** অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগিতা আৰু হোজাই জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত ক'ভিড-১৯ আচৰণৰ ওপৰত জনসাধাৰণৰ মাজত মুখাৱৰণৰ ব্যৱহাৰ আৰু সংবেদনশীলতা বৃদ্ধিৰ লক্ষ্যৰে আজি জোৰাপুখুৰীস্থিত অট' আস্থানৰ পৰা এক জনসচেতনতামূলক অভিযান আৰম্ভ কৰা হয়। অভিযানৰ উদ্বোধন কৰে অতিৰিক্ত উপায়ুক্ত জয়শংকৰ শৰ্মাই। উদ্বোধনী কাৰ্যসূচীত লংকা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ডিম্পী গগৈ আৰু হোজাই জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া হিমপৰ্ণা কলিতা প্ৰমুখ্যে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

## গোসাঁইগাৱঁত দুৰ্গা পূজাৰ প্ৰস্তুতি সন্দৰ্ভত প্ৰশাসনৰ সভা

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** সমাগত দুৰ্গা পূজাৰ প্ৰস্তুতি সন্দৰ্ভত মহকুমা প্ৰশাসনৰ উদ্যোগত কালি মহকুমাটোৰ বিভিন্ন প্ৰান্তৰ লগতে চহৰখনৰ বিভিন্ন দুৰ্গা পূজা সমিতিসমূহৰ কৰ্মকৰ্তা তথা লোক নিৰ্মাণ বিভাগ, বিদ্যুৎ বিভাগ, অগ্নি নিৰ্বাপন বিভাগৰ লগতে অন্যান্য কে'বাটাও বিভাগৰ বিষয়াবৰ্গৰ উপস্থিতিত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। গোসাঁইগাৱৰ মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত দিনৰ ১১ বজাত আয়োজিত সভাখনত ক'ভিডৰ ওপৰত দৃষ্টি ৰাখি ইতিমধ্যে প্ৰকাশ কৰা চৰকাৰী কঠোৰ নিৰ্দেশনাসমূহৰ ওপৰত বিতংকৈ আলোচনা কৰা হয়। মহকুমাধিপতি ৰাহুল কুমাৰ গুপ্তাৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা সভাখনত উপস্থিত থকা বিভিন্ন পূজা সমিতিৰ কৰ্মকৰ্তাসকলক চৰকাৰী নিৰ্দেশনাসমূহৰ ব্যাখ্যা আগবঢ়াই সহকাৰী আয়ুক্ত গৌতম প্ৰিয়ম মহন্তই। সেই অনুসৰি অহা পাঁচ অক্টোবৰৰ পূৰ্বে পূজা সমিতিসমূহে পূজা অনুষ্ঠিত কৰিবলৈ অনুমতিৰ বাবে আবেদন কৰিব লাগিব। পূজা মণ্ডপসমূহত পৃথকে পৃথকে সোমোৱা আৰু ওলোৱাৰ ব্যৱস্থা থাকিব লাগিব। মণ্ডপলৈ অহা ভক্তসকলে সামাজিক দূৰত্ব বজাই ৰখাৰ লগতে বেছি সময় ৰৈ থাকিব নোৱাৰিব। পূজা সমিতি, স্বেচ্ছাসেৱকৰ ক'ভিড প্ৰতিষেধক বাধ্যতামূলক আৰু কৰ'না পৰীক্ষাও বাধ্যতামূলক হ'ব। মণ্ডপত প্ৰৱেশ কৰিব বিচৰা প্ৰতিগৰাকী ভক্তই কমেও এটা প্ৰতিষেধক লোৱা বাধ্যতামূলক হ'ব। মণ্ডপৰ বাহিৰে ভিতৰে পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰাৰ লগতে, চি চি কেমেৰা আৰু অগ্নি নিৰ্বাপনৰ বাবে বালিৰ বেগ ৰখা বাধ্যতামূলক হ'ব। পূজাত কোনো মেলা বা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিব নোৱাৰিব। বিসৰ্জনৰ দিনা সীমিত সংখ্যক মানুহৰ উপস্থিতিত শোভাযাত্ৰা অবিহনে প্ৰতিমা বিসৰ্জন দিব লাগিব আৰু জোৰ-জুলুমকৈ বৰঙণি সংগ্ৰহ কৰিব নোৱাৰিব লগতে প্ৰতিখন মণ্ডপৰ ফিটনেছ প্ৰমাণ পত্ৰ প্ৰশাসনক দাখিল কৰা বাধ্যতামূলক হ'ব।

## নগাঁৱত হিন্দু জাগৰণ মঞ্চৰ ধন্যবাদ জ্ঞাপন সমদল

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** হিন্দু জাগৰণ মঞ্চ নগাঁও জিলা সমিতিৰ উদ্যোগত কালি অসমৰ বেদখলীকৃত ভূমি উচ্ছেদ, অসমক ড্ৰাগছ মুক্ত, গো-ধন সৰবৰাহত বাধা আৰোপ ক্ষেত্ৰত অসম চৰকাৰ আৰু অসম আৰক্ষীয়ে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰাৰ বাবে 'ধন্যবাদ জ্ঞাপন' শীৰ্ষক এক সমদল যাত্ৰা নগাঁও চহৰত উলিওৱা হয়। সমদলকাৰীসকলে 'অসম চৰকাৰ জিন্দাবাদ, অসম আৰক্ষী জিন্দাবাদ' আদি ধ্বনি দি ৰাজপথ উত্তাল কৰি তোলে। হিন্দু জাগৰণ মঞ্চই অবৈধ বেদখলকাৰীক উচটনি দিয়া পপুলাৰ ফ্ৰণ্ট অফ ইণ্ডিয়া আৰু আমছুক নিষিদ্ধ কৰাৰ দাবী তোলে।

■ কামতাপুৰ স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য গোকুল বৰ্মনক বৰপেটাৰোডত আদৰণি

## জনজাতিকৰণৰ দাবী ৯০ শতাংশ সম্পূৰ্ণ ঃ কামতাপুৰৰ দাবী ৰাজনৈতিক সমস্যা

অগ্ৰদূত বাৰ্তা

**বৰপেটাৰোড, ২৯ ছেপ্টেম্বৰ ঃ** কামতাপুৰ স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে দেওবাৰে শপত গ্ৰহণৰ পাছতে গোকুল বৰ্মনক বৰপেটাৰোড চহৰত আক্ৰাছুৰ লগতে একাংশ কোচ ৰাজবংশীয়ে দল-সংগঠনৰ নেতৃত্বই কালি আদৰণি জনায়। বঙাইগাঁও অভিমুখী যাত্ৰাৰ সময়তে বৰ্মনক এই আদৰণি জনোৱা হয়। বৰপেটাৰোডৰ শিলমাগুৰিৰ পৰা একাংশ সমৰ্থকে গোকুল বৰ্মনৰ লগতে পৰিষদৰ সদস্য প্ৰণৱ বৰ্মনকো এখন জিপচীত উঠাই মটৰ চাইকেলেৰে সমদলৰে চহৰখনলৈ আদৰি আনে। ইয়াৰ পাছতে বৰপেটাৰোডৰ দুৰ্গাবাড়ী-কালীবাড়ী মন্দিৰত সেৱা কৰি সেই স্থানতো ৰাইজৰ পৰা সম্বৰ্ধনা গ্ৰহণ কৰে। ইপিনে, ৰাইজৰ পৰা সম্বৰ্ধনা গ্ৰহণৰ পাছতেই বৰ্মনে কোচ ৰজা নৰনাৰায়ণ, মহাবীৰ চিলাৰায়ৰ আদৰ্শৰে কমতাপুৰৰ সকলো জাতি-জনগোষ্ঠীৰ হকে কাম কৰি যাব বুলি ঘোষণা কৰে। কমতাপুৰ ৰাজ্য নামকৰণৰে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ গঠন কৰি কমতাপুৰ ৰাজ্যৰ আক্ৰাছুৰ যি দাবী আছিল তাৰ মাইলৰ খুঁটা নিৰ্মাণ কৰা বুলি দাবী কৰি তেওঁ কমতাপুৰ ৰাজ্যৰ দাবী ৰাজনৈতিক সমস্যা বুলি কয়। তেওঁ কয় যে কমতাপুৰ ৰাজ্যৰ দাবী কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ আলোচনাৰ মাধ্যমৰ জৰিয়তে সমাধান হ'ব। অৱশ্যে কোচ ৰাজবংশীসকলৰ জনজাতিকৰণৰ যি মূল দাবী আছিল তাৰ ৯০ শতাংশ সম্পূৰ্ণ হোৱা বুলি তেওঁ দাবী কৰে। অচিৰেই কোচ ৰাজবংশীসকলৰ জনজাতিকৰণ হ'ব বুলি আশা ব্যক্ত কৰা বৰ্মনে কোচ ৰাজবংশীসকলৰ একাংশ স্বয়ম্ভূ নেতাৰ বাবে কোচ ৰাজবংশীসকল ভাগ ভাগ আছে আৰু ইয়াৰ ফলতেই জনজাতিকৰণ বাকী ১০ শতাংশ কাম হোৱা নাই বুলি কয়। অৱশ্যে বৰ্তমান কোচ ৰাজবংশী নেতাসকল একত্ৰ হৈছে বুলি তেওঁ প্ৰকাশ কৰে। ইপিনে, কোচ ৰাজবংশী আন্দোলনৰ স'তে জড়িত ছহিদ পৰিয়ালসমূহক ৰাজ্য চৰকাৰে পাঁচলাখ টকাৰ আৰ্থিক অনুদান আগবঢ়াব বুলি প্ৰকাশ কৰা বৰ্মনে অহা নৱেম্বৰত বঙাইগাঁও চহৰত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক কেবিনেটতে ছহিদ পৰিয়ালসমূহক এই আৰ্থিক অনুদান আগবঢ়াব বুলি কয়।



■ হাতীগড়, মেলেং, চেনিজান, চটাই, দিহা আদিত দপ্‌দপনি

# কঠোৰ স্থিতি সত্ত্বেও পূব যোৰহাটত ম্যাদি ভূমিও দালালৰ কবলত

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২৯ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ ভূমি আইন ভৰিৰে মোহাৰি পূব যোৰহাট ৰাজহ চক্ৰৰ অন্তৰ্গত চাহ ম্যাদি ভূমি এতিয়া দালালৰ কবলত পৰিছে। হাতীগড়, মেলেং, চেনিজান, চটাই, দিহা আদিত চাহ ম্যাদিৰ ভূমি দালালে ৰাজহ চক্ৰৰ বিষয়া-কৰ্মচাৰীৰ লগত বৃহৎ অংকৰ ধনৰ বুজাবুজিৰে চাহ ম্যাদি ভূমি সলনি কৰি ব্যক্তিগত ম্যাদিলৈ নি দালালে বিক্ৰী কৰিছিল। এই চাহ ম্যাদি ভূমিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া সময়ে ক'ব। উল্লেখ্য যে অসম চৰকাৰৰ ১৯৫৫ আৰু ১৯৭১ৰ ভূমি আইন মতে, চাহ ম্যাদি ভূমি কোনো কাৰণতে সলনি কৰিব নোৱাৰে। চাহ ম্যাদি ভূমিৰ পট্টা দিয়া নহয়। চাহ ম্যাদিৰ খাজনা সংগ্ৰহো কোষাগাৰতহে। তেনেস্থলত ভূমি আইনৰ সকলো নীতি-নিয়ম ভৰিৰে মোহাৰি ধনৰ বলত আইনৰ নীতি-নিৰ্দেশনা অৱলমাননা কৰি চাহ ম্যাদি ভূমি পূব যোৰহাটত দালাল চক্ৰই বিক্ৰী কৰি থকাৰ পাছতো যোৰহাট জিলা প্ৰশাসন মৌন থকাটোৱে ৰহস্যৰ সৃষ্টি কৰিছে।

# বিলাসীপাৰাত মণ্ডুল সমল কেন্দ্ৰৰ সমন্বয়কৰ বিৰুদ্ধে ধন আত্মসাতৰ অভিযোগ

বিশেষ সংবাদদাতা

**বিলাসীপাৰা, ২৯ ছেপ্টেম্বৰ ঃ** বিলাসীপাৰা শিক্ষা খণ্ডৰ অধীনস্থ মণ্ডুল সমল কেন্দ্ৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে সৰ্বশিক্ষা অভিযান মিছনে আবণ্টন দিয়া ধন আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন হোৱাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। শিক্ষা খণ্ডটোৰ অধীনস্থ ২৪গৰাকী মণ্ডুল সমন্বয়ক স্বাক্ষৰিত এক বিজ্ঞপ্তিত উল্লেখ কৰা মতে, শিক্ষা খণ্ডটোৰ প্ৰতিগৰাকী সমন্বয়ক লৈ মিছনে সমল কেন্দ্ৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে এক লাখ টকাকৈ আবণ্টন দিছে। বিভাগীয় নিৰ্দেশনা অনুসৰি প্ৰতিটো সমল কেন্দ্ৰত পঞ্জীয়নভুক্ত প্ৰতিষ্ঠানৰ পৰা নিবিদা বিচাৰি জাননী জাৰি কৰা হৈছিল। প্ৰাপ্ত নিবিদাসমূহৰ পৰা নিকাভাৱে তিনিখনকৈ যোগনীয়াৰ আবেদন যোৱা সাত ছেপ্টেম্বৰৰ পৰা পৰ্যায়ক্ৰমে ধুবুৰী জিলা তদাৰকী সমিতিলৈ প্ৰেৰণ কৰে। কিন্তু এটা স্বাৰ্থান্বেষী চক্ৰই নিজৰ স্বাৰ্থত ব্যাঘাত জন্মাত কেইজনমান সমন্বয়কৰ বিৰুদ্ধে ভুৱা অভিযোগ তুলি সামাজিক মাধ্যমত অপপ্ৰচাৰ চলায় বুলি অভিযোগ কৰে। কেইজনমান সমন্বয়কে মইমতালিৰে নিম্নমানৰ সামগ্ৰী যোগান ধৰে বুলি অপপ্ৰচাৰত লিপ্ত হোৱা কাৰ্যকো দুৰ্ভাগ্যজনক ঘটনা বুলি কয়। কিয়নো এই পৰ্যন্ত কোনো এটা মণ্ডুল সমল কেন্দ্ৰত সামগ্ৰী যোগান ধৰা হোৱা নাই। কোনো নিবিদা দাখিল নকৰাকৈ স্বাৰ্থান্বেষী চক্ৰটোই অনৈতিকভাৱে সামগ্ৰী যোগান ধৰাৰ বাবে প্ৰচেষ্টা চলাই ব্যৰ্থ হোৱাত এইদৰে অপপ্ৰচাৰত নামি পৰা বিষয়টোক সহজভাৱে ল'ব পৰা নাই সমন্বয়কসকলে।

■ দৰমহা লয় তিনিচুকীয়াত, কাম কৰে চাবুৱাত ■ বিভাগীয় মন্ত্ৰী তথা উৰ্ধতম কৰ্তৃপক্ষৰ চকুত ধূলি দি অনিয়মেৰে চলাইছে কাম-কাজ ■ গাঁওবুঢ়া সন্দৰ্ভত উপায়ুক্তক স্থিতি স্পষ্ট কৰিবলৈ আহ্বান ৰাইজৰ

# চাবুৱাৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত অনিয়ম



ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে সজাগতামূলত পুষ্টিকৰ আহাৰৰ প্ৰদৰ্শনী, ধুবুৰীত বুধবাৰে।

অগ্ৰদূত বাৰ্তা,

**চাবুৱা, ২৯ ছেপ্টেম্বৰ ঃ** ৰাজ্যত বিভিন্ন বিভাগ তথা কাৰ্যালয়ত অনিয়মৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা গ্ৰহণৰ সময়তে চাবুৱাত অনিয়মেৰে চলিছে কাম-কাজ। বিভাগৰ মন্ত্ৰী তথা উৰ্ধতন কৰ্তৃপক্ষৰ চকুত ধূলি দি অনিয়মেৰে কাম-কাজ চলাই থকা তথ্য পোহৰলৈ আহিছে চাবুৱা ৰাজহ চক্ৰ কাৰ্যালয়ত। আনকি কাৰ্যালয়ত কোনো তথ্য নথকাৰ পাছতো একাংশই দৰমহা সৰকোৱাৰ অভিযোগ উঠিছে। চাবুৱা ৰাজহ চক্ৰৰ অন্তৰ্গত পানীএৰা গাঁৱৰ নিবাসী শৈলেন্দ্ৰ ভৰালী নামৰ চৰকাৰী গাঁওবুঢ়াজনৰ নিয়োগ সম্পৰ্কে চাবুৱা ৰাজহ চক্ৰ কাৰ্যালয়ত কোনো ধৰণৰ তথ্য নাই। তিনিচুকীয়া জিলাৰ তিনিচুকীয়া ৰাজহ চক্ৰৰ অন্তৰ্গত এখন গাঁৱৰ লাট গাঁওবুঢ়া হিচাপে নিযুক্তি লাভ কৰিছিল যদিও বহু বছৰ পূৰ্বেৰে পৰা চাবুৱা ৰাজহ চক্ৰৰ অন্তৰ্গত দিনজয়, পানীএৰা আদি গাঁৱৰ গাঁওবুঢ়াৰ দৰে বহু কাম-কাজ কৰি অহা ৰাইজে জানে । তথাপি, কোনেও এই সন্দৰ্ভত জানিবলৈ সোধা-পোছা কৰাকে ধৰি অথবা বছৰ পাছত বছৰ কাৰ্যকাল চলাই যোৱা খোদ চাবুৱা ৰাজহ চক্ৰ বিষয়াসকলেও ভৰালীৰ সন্দৰ্ভত স্পষ্ট নহয়। বৰঞ্চ ডিব্ৰুগড় জিলা উপায়ুক্তকে ধৰি প্ৰশাসনীয় কামত, ৰাজহ বিভাগৰ বহু গুৰুত্বপূৰ্ণ দায়িত্ব লাভ কৰি আহিছে ভৰালীয়ে। চাবুৱা ৰাজহ চক্ৰৰ কাম-কাজৰ দায়িত্বশীল গাঁওবুঢ়া হিচাপে দেশৰ দ্বিতীয়খন ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ভূমি অধিগ্ৰহণৰ দৰে কাম-কাজ চলাই থকাত আচম্বিত হৈছে সচেতন মহল। অসম চৰকাৰৰ ঐতিহাসিক ফচল শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠাৰ বাবে চাবুৱা ৰাজহ চক্ৰৰ অন্তৰ্গত বগডুং মৌজাৰ মায়ামৰা দিনজয় সত্ৰৰ সমীপৰ পানীএৰা পথাৰখনৰ ভূমি অধীগ্ৰহণৰ যাৱতীয় কাম-কাজত সক্ৰিয় ৰূপত দেখা যায় ভৰালীক। কাৰ আশিস ধন্য হৈ সকলোকে অংগুষ্ঠ প্ৰৰ্দশন কৰি গাঁওবুঢ়াৰ দৰে গুৰু দায়িত্ব বহনকাৰীয়ে ডিব্ৰুগড় জিলাৰ চাবুৱাত কাম কৰি তিনিচুকীয়া জিলাৰ তিনিচুকীয়া ৰাজহ চক্ৰৰ পৰা দৰমহা লাভ কৰে সেয়া গভীৰ ৰহস্যৰ আৱৰ্তত। তদুপৰি ক্ৰীড়া বিশ্ববিদ্যালয়খনৰ বাবে অধিকৃত ভূমি 'দখলদাৰী' সকলৰ হৈ বিভিন্ন ধৰণে দালালগিৰী কৰাৰো অভিযোগ উত্থাপিত হৈছে। প্ৰশাসনীয় আৰু ৰাজহ বিভাগৰ কাম-কাজৰ বাবে দায়িত্ব প্ৰদান কৰা এইগৰাকী শৈলেন্দ্ৰ ভৰালী নামৰ গাঁওবুঢ়াৰ সন্দৰ্ভত জিলা উপায়ুক্তই স্পষ্ট কৰিবলৈ আহ্বান জনাইছে ৰাইজে। কাৰণ, দেশৰ ঐতিহাসিক প্ৰকল্প বিশ্ববিদ্যালয়খনৰ বাবে গাঁওবুঢ়া হিচাপে বিভাগীয় নিদেৰ্শনাৰ দ্বাৰা কৰ্তৃত্বশীল ব্যক্তি হিচাপে বাবে ভূমিৰ গৰাকীসকলে বিশ্বাসত ল'ব পাৰে তাৰেই কামনা কৰা হৈছে। আনহাতে, আজি দিনটোত অন্য এক অভিযোগত এজাহাৰকাৰীৰ গোচৰৰ ভিত্তিত চাবুৱা আৰক্ষীয়ে জিম্মাত লৈ আদালতলৈ প্ৰেৰণ কৰিছে।

# মাজুলী মহাবিদ্যালয়লৈ ক্ৰীড়া সামগ্ৰী দান

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৯ ছেপ্টেম্বৰ ঃ** মাজুলীৰ আগশাৰীৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান দক্ষিণ কমলাবাৰী আঞ্চলিক যুৱক সংঘই কালি মাজুলীৰ প্ৰাচীনতম উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়লৈ ভালেখিনি ক্ৰীড়া সামগ্ৰী দান কৰে। এই উপলক্ষে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° দেৱজিত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত ক্ৰীড়া সামগ্ৰীসমূহ আনুষ্ঠানিকভাৱে দান কৰে যুৱক সংঘৰ বিষয়ববীয়াসকলে। সামগ্ৰী দান কাৰ্যসুচীত উপস্থিত থাকি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়া, অৱসৰপ্ৰাপ্ত অধ্যাপক নীলমণি পাটিৰ, মুখ্য কাৰ্যালয় সহায়ক গোবিন বৰুৱা, কৰ্মচাৰী গোটৰ সম্পাদক পদ্মধৰ বৰুৱা, উৎপল বৰুৱা আদিয়ে আঞ্চলিক যুৱক সংঘই মাজুলীৰ ক্ৰীড়া তথা সাংস্কৃতিক উত্তৰণৰ ক্ষেত্ৰত যোগাই অহা বৰঙণিৰ কথা উল্লেখ কৰে। সভাপতিৰ ভাষণত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই দক্ষিণ কমলাবাৰী আঞ্চলিক যুৱক সংঘই শিক্ষাৰ্থী সমাজৰ শাৰীৰিক-মানসিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত গ্ৰহণ কৰা আদৰণীয় পদক্ষেপৰ শলাগ লয়। অনুষ্ঠানত উপস্থিত থাকি যুৱক সংঘৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক গুণ শইকীয়া আৰু সম্পাদক নিতুল হাজৰিকাই যুৱক সংঘৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে আলোকপাত কৰাৰ লগতে বিগত সময়ছোৱাত নদীদ্বীপটিৰ শৈক্ষিক, ক্ৰীড়া, আৰ্থিক আৰু সাংস্কৃতিক উন্নতিৰ ক্ষেত্ৰত ৰূপায়ণ কৰি অহা কাৰ্যসূচীৰ এক সংক্ষিপ্ত খতিয়ান দাঙি ধৰে।

# মৃত্যু বাৰ্ষিকীত সমাজসেৱক গণেশ মহন্তক স্মৰণ

অগ্ৰদূত বাৰ্তা,

**চাবুৱা, ২৯ চেপ্তেম্বৰ ঃ** চাবুৱা প্ৰেছ ক্লাৱ, প্ৰেছ গীল্ডৰ অন্যতম সদস্য গণেশ মহন্তৰ আজি একাদশ মৃত্যু তিথি পালন কৰা হয়। আজি চাবুৱাৰ এন ই ই আইত তেওঁৰ সংগী স্মৃতিৰেখা মহন্তৰ উপস্থিতিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰয়াত সাংবাদিকৰ প্ৰতিচ্ছবিত স্মৃতিৰেখা মহন্তই এগচি বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানত এন ই ই আইৰ অধ্যক্ষ প্ৰশান্ত ফুকন,চাবুৱা প্ৰেছ গীল্ডৰ সম্পাদক পুষ্ঠক ফুকন, শিক্ষক জগজীৱন গগৈ আৰু সাংবাদিক ক্ৰমে দিব্যজ্যোতি লাহন, বিশ্বজিত ফুকনে মাল্যাৰ্পন কৰে। চাবুৱাকে ধৰি ডিব্ৰুগড় জিলা খনৰ একালত উল্লেখনীয় সংবাদ কৰ্মী হিচাপে পৰিচিত আছিল প্ৰয়াত গণেশ মহন্ত। তদুপৰি চাবুৱাৰ আগশাৰী বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানক সন্মুখৰ পৰা নেতৃত্ব বহন কৰিছিল মহন্তই। তেওঁৰ প্ৰচেষ্টাতে চাবুৱা স্মৃতি সুৰক্ষা সমিতিয়ে 'চাবুৱাৰ ইতিবৃত্ত' নামেৰে এখন তথ্য সম্বলিত ইতিহাস গ্ৰন্থ প্ৰকাশৰ কাম আৰম্ভ হৈছিল যদিও মৃত্যুৰ পিছতে সমিতিখনে পুৰ্ণ ৰূপ দিয়ে। তেওঁ চাবুৱাৰ কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান নৰ্থ ইষ্টাৰ্ণ ইঞ্জিনিয়াৰিং ইঞ্চটিটিউটৰ প্ৰতিষ্ঠাপক সদস্য আছিল তেওঁ। এনে বহু উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰা এই সমাজ সেৱক তথা সাংবাদিক প্ৰয়াত মহন্তক সুঁৱৰি চাবুৱা মিডিয়া ফ'ৰামে মৃত্যু তিথিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

■ জনগোষ্ঠীটোৰ সমস্যা শীঘ্ৰে সমাধানৰ দাবী
■ চাওতালী ভাষাৰ পঠন-পাঠনৰ সুবিধা প্ৰদানৰ দাবী

# আজি আদিবাসী ছেংগেল অভিযানৰ চাৰিঘণ্টীয়া ধৰ্ণা

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ২৯ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ আদিবাসী জনগোষ্ঠীৰ বিভিন্ন সমস্যাৰ শীঘ্ৰে সমাধানৰ দাবীত আদিবাসী ছেংগেল অভিযানৰ অসম ৰাজ্যিক সমিতিয়ে কাইলৈ প্ৰতিখন জিলা সদৰত পুৱা ১০ বজাৰ পৰা বিয়লি দুই বজালৈ ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিব। আদিবাসী ছেংগেল অভিযানৰ ৰাজ্যিক সমন্বয়ক দানিয়েল হেম্ব্ৰমে জনোৱা মতে পশ্চিমবংগ, বিহাৰ আৰু ঝাৰখণ্ডৰ লেখীয়াকৈ অসমৰ আদিবাসীসকলকো শীঘ্ৰে জনজাতিৰ মৰ্যাদা প্ৰদান, আদিবাসীসকলৰ জাতীয় 'ছাৰণা' ধৰ্মক চৰকাৰী মান্যতাৰে কমল ক'ড প্ৰদান কৰি ২০২১ৰ লোকপিয়লত ছাৰণা ধৰ্মক চামিল, সাংবিধানিক স্বীকৃতিপ্ৰাপ্ত চাওতালী ভাষাৰ পঠন-পাঠনৰ সকলো সুবিধা প্ৰদান, আদিবাসী বহুল ৰাজ্য ঝাৰখণ্ডত অতি শীঘ্ৰে চাওতালী ভাষাক প্ৰথম ৰাজ্য ভাষা হিচাপে মান্যতা দি বাকী চাৰি ৰাজ্য পশ্চিমবংগ, বিহাৰ, ওড়িছা আৰু অসমত দ্বিতীয় ৰাজ্যিক ভাষা হিচাপে মান্যতা দি প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ চাওতালী ভাষা মাধ্যমত চাওতালী, 'অলচিকি' লিপিৰে শিক্ষাদানৰ ব্যৱস্থা প্ৰয়োগ কৰাকে ধৰি সাতদফীয়া দাবীৰ সমৰ্থনত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ধৰ্ণা কাৰ্যসূচীৰ অন্তত জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰও প্ৰেৰণ কৰা হ'ব।

■ আদৰ্শ গমাৰিত বজ্ৰপাতত কথমপি প্ৰাণৰক্ষা এটা পৰিয়ালৰ

# গোলাঘাটৰ দক্ষিণ অঞ্চলত বিজুলী-ঢেৰেকনিৰে বৃষ্টিপাত

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৯ ছেপ্টেম্বৰ ঃ** যোৱা নিশা গোলাঘাট জিলাৰ দক্ষিণ অঞ্চলত বিজুলী-ঢেৰেকনিৰে প্ৰবল বৃষ্টিপাত হয়। জিলাখনৰ ঘিলাধাৰী মৌজাৰ বিভিন্ন অঞ্চলত নিশা প্ৰায় ১২-৩০ বজাৰ পৰা অহা প্ৰবল বৃষ্টিপাতৰ লগতে প্ৰচণ্ড বিজুলী-ঢেৰেকনিত ৰাইজে উজাগৰী নিশা কটাব লগা হয়। প্ৰায় তিনিঘণ্টা জুৰি অব্যাহত থকা বৃষ্টিপাতৰ মাজে মাজে বজ্ৰপাতৰ ফলত ৰাইজৰ অনেক ইলেক্ট্ৰ'নিক সা-সামগ্ৰী নষ্ট হয়। ইফালে, এই বজ্ৰপাতৰ ফলত আদৰ্শ গমাৰি পঞ্চায়তৰ এক নম্বৰ আদৰ্শ গাঁৱৰ এটা পৰিয়াল কথমপিহে প্ৰাণৰক্ষা পৰে। গাঁওখনৰ ৰাজু গগৈ নামৰ ব্যক্তিজনৰ ঘৰৰ তেনেই কাষতে থকা এজাপা মাইফাক গছত বজ্ৰপাত পৰি গছজোপা ছিন্ন-ভিন্ন হৈ পৰাৰ লগতে তেওঁৰ বাসগৃহৰ সকলো ইলেক্ট্ৰ'নিক সা-সামগ্ৰী নষ্ট হয় আৰু ঘৰৰ এটা পকা খুঁটাৰ কিছু অংশ ছিগি পৰে। বজ্ৰপাতৰ ফলত তেওঁ ঘৰৰ ভিতৰত ধোঁৱাৰে আগুৰি ধৰাত পৰিয়ালৰ মাজত হাহাকাৰৰ সৃষ্টি হয়। অৱশ্যে সৌভাগ্যক্ৰমে পৰিয়ালটো কথমপি প্ৰাণৰক্ষা পৰে। ইফালে, প্ৰচণ্ড বজ্ৰপাতৰ শব্দত অঞ্চলটোৰ একাংশ ৰাইজে বিছনাৰ তলত আশ্ৰয় লৈ উজাগৰী নিশা পাৰ কৰিবলগা হয়।

# বিজেপিৰ শিৱসাগৰ জিলা সমিতিক সম্বৰ্ধনা

■অৰ্দ্ধশতাধিক দল-সংগঠনৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২৯ ছেপ্টেম্বৰ ঃ** বিজেপিৰ অসম প্ৰদেশৰ শিৱসাগৰ জিলাৰ নৱনিযুক্ত সভাপতি ময়ূৰ বৰগোহাঁইক নাজিৰাত প্ৰায় অৰ্ধশতাধিক দল-সংগঠনে সম্বৰ্ধনা জনায়। সেচ্ছাসেৱী সংগঠন আশ্ৰয়ৰ উদ্যোগত নাজিৰা মিলন মন্দিৰ প্ৰেক্ষাগৃহত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানটোত সভাপতিত্ব কৰে আশ্ৰয়ৰ সভাপতি গোপাল বৰুৱাই। স্বেচ্ছাসেৱী সংগঠনটোৰ হৈ মুনীন্দ্ৰ নাথ শইকীয়াই আঁতধৰা তথা অসমী গগৈ বৰুৱাই আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানটোত যুৱ নেতাজনক নাজিৰা মহকুমাৰ ৫০শৰো অধিক দল-সংগঠনে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা গ্ৰহণ কৰি যুৱনেতাজনে কয় যে নাজিৰাৰ উন্নয়নৰ ক্ষেত্ৰত তেওঁ সদায় প্ৰতিশ্ৰুতিবদ্ধ। ৰাজনৈতিক গণ্ডীৰ বাহিৰত থাকিও নাজিৰাৰ আৰ্থসামাজিক উন্নয়নৰ হেতু সদায় কাম কৰি যাব। ইফালে, ভাৰতীয় জনতা পাৰ্টিৰ শিৱসাগৰ জিলাৰ সভাপতি পদত অধিষ্ঠিত হোৱাৰ পাছতেই স্বেচ্ছাসেৱী সংগঠন আশ্ৰয়ৰ মুখ্য আহ্বায়ক পদৰ পৰা যুৱনেতাজনে উক্ত অনুষ্ঠানতে পদত্যাগ কৰে। স্বেচ্ছাসেৱী সংগঠনটোক সদায় ৰাজনৈতিক গণ্ডীৰ বাহিৰত থাকি নিকা আৰু স্বচ্ছতাৰে নাজিৰাবাসীৰ হৈ কাম কৰি যাবলৈ বৰগোহাঁইয়ে পৰামৰ্শ আগবঢ়ায়।

■ সম্পূৰ্ণ সাম্প্ৰদায়িক উদ্দেশ্য আগত ৰাখি এই উচ্ছেদ কৰা হৈছে ঃ চিপিআইএমএল

# ছিপাঝাৰৰ ধলপুৰ উচ্ছেদৰ প্ৰতিবাদত ৰাজগড়ত মানৱ শৃংখল

অগ্ৰদূত বাৰ্তা

**ৰাজগড়, ২৯ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰৰ ধলপুৰত পাঁচ-ছয় দশক ধৰি জীৱন নিৰ্বাহ কৰি থকা কৃষিজীৱী ৰাইজক চৰম অন্যায়ভাৱে উচ্ছেদ কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দি কালি চিপিআইএমএলৰ ডিব্ৰুগড় জিলা সমিতিয়ে ৰাজগড় তিনিআলিত মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰে। কোনো ধৰণৰ বিকল্প সংস্থাপনৰ ব্যৱস্থা নকৰাকৈ উচ্ছেদৰ মাত্ৰ এদিনৰ পূৰ্বে জাননী প্ৰেৰণ কৰি সম্পূৰ্ণ ষড়যন্ত্ৰমূলকভাৱে এই উচ্ছেদ কৰা হৈছে বুলি চিপিআইএমএল দলে অভিহিত কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৬০ ঘৰ মানুহৰ উচ্ছেদৰ ১০ হেজাৰ মানুহ ক'ৰ পৰা আহিল বুলি প্ৰশ্ন উত্থাপন কৰিছে? কিন্তু চিপিআইএমএলৰ তৰফৰ পৰা যোৱা সঁজাতী দলে পোৱা তথ্য অনুসৰি তিনিখন গাঁৱৰ ১৪০০ পৰিয়ালক উচ্ছেদ কৰা হৈছে বুলি দলে জানিব দিছে। সম্পূৰ্ণ সাম্প্ৰদায়িক উদ্দেশ্য আগত ৰাখি এই উচ্ছেদ কৰা হৈছে বুলি চিপিআইএমএলে বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে। চিৰিআইএমএল ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক বিতোপন বকলীয়ালে কাকতলৈ প্ৰেৰণ কৰা বিবৃতিত উল্লেখ কৰিছে যে মুছলমান হোৱাৰ বাবেই বিদেশী, বহিৰাগত আদি কৈ ইয়াক ন্যায্যতা দিবলৈ বিজেপি দল তথা চৰকাৰে উঠি পৰি লাগিছে বুলিও দাবী কৰিছে। তদুপৰি ধলপুৰত উচ্ছেদৰ পৰা বিজেপি চৰকাৰখনে সমগ্ৰ অসমতে য'তে মাটিৰ দৰকাৰ হ'ব তাতে লোৱা হ'ব, যদি বাধা দিয়ে তেন্তে গুলিওৱা হ'ব বুলি এক বাৰ্তা দিব বিচাৰিছে। আনহাতে, অসমৰ একাংশ দল-সংগঠন আৰু ৰাইজে উচ্ছেদিত সকল মিঞা মুছলমান হোৱাৰ বাবেই এই ঘটনাক সমৰ্থন জনোৱাটো দুৰ্ভাগ্যজনক আখ্যা দিছে। এই চৰকাৰেই বঢমপুৰৰ মিকিৰ-বামুণিৰ ৩০০ বিঘা মাটি কাৰ্বি আৰু আদিবাসীৰ ৰাইজৰ পৰা বিনা পইচাই আদায় কৰিব আজুৰ নামৰ এটা কোম্পানীক পাৱাৰ প্লেণ্ট বনাবলৈ গতাই দিয়ে বুলি অভিযোগ অনিছে। সেয়েহে চিপিআই দলে বিজেপি চৰকাৰে সমগ্ৰ অসমতে লোৱা বেআইনী উচ্ছেদৰ আঁচনিক প্ৰতিহত কৰিবলৈ আজিৰ কাৰ্যসূচীৰ জৰিয়তে সকলো ৰাইজৰ প্ৰতি আহ্বান জনাইছে।



ঢকুৱাখনাত এনেদৰে বিপদসংকুল যাত্ৰা অব্যাহত, বুধবাৰে।

# গোসাঁইগাঁৱৰ টেঙনাভিটা এম ই মাদ্ৰাছাৰ ছাত্ৰ নিৰুদ্দেশ

অগ্ৰদূত বাৰ্তা

**দোতমা, ২৯ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত টেঙনাভিটা এম ই মাদ্ৰাছাৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ আব্দুল মুন্নাফা (১২) যোৱা ২৫ ছেপ্টেম্বৰৰ পৰা নিৰুদ্দেশ হৈ আছে। মহকুমাটোৰ তুলসীবিল আৰক্ষী চকীৰ অধীনস্থ এক নম্বৰ টকীয়ামাৰী গাঁৱৰ নিৱাসী মৈনুদ্দিন শ্বেখ আৰু ৰূপ ভানু বিবিৰ কনিষ্ঠ পুত্ৰ আব্দুল মুন্নাফা মাদ্ৰাছা'ৰ পৰা উভতি অহাৰ পাছৰ পৰাই নিৰুদ্দেশ হোৱা বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে। ইতিমধ্যে ঘটনা সম্পৰ্কে আৰক্ষীক অৱগত কৰাৰ লগতে পৰিয়ালটোৱে আত্মীয় কুটুমৰ খোজ খবৰ লয় যদিও মুন্নফা'ৰ কোনো সন্ধান লাভ নকৰি শোকত পৰিয়ালটো ভাঙি পৰিছে। হাফপেন্ট আৰু টিছাৰ্ট পৰিহিত শাম বৰণৰ, নাকত টিল থকা ছাত্ৰজন নিৰুদ্দিষ্ট হোৱা সময়ত লগত এখন স্কুল বেগ আছিল। সদাশয় ব্যক্তিয়ে ছাত্ৰজনৰ কিবা সন্ধান লাভ কৰিলে ৯৯৫৭৮৫১৯৫২-৮৪৭৩৯৫৫৮৮০ ম'বাইল নম্বৰত পৰিয়ালৰ স'তে যোগযোগ কৰাৰ বাবে দুৰ্ভগীয়া পৰিয়ালটোৱে অনুৰোধ জনাইছে।

■ দুৰ্গা পূজাৰ প্ৰস্তুতি সন্দৰ্ভত নাজিৰা মহকুমা প্ৰশাসনৰে পূজা সমিতিৰ আলোচনা

# ক'ভিড নিয়ম মানি চলিবলৈ আহ্বান

অগ্ৰদূত বাৰ্তা

**নামতি, ২৯ ছেপ্টেম্বৰ ঃ** সমাগত শাৰদীয় দুৰ্গাপূজা উদ্‌যাপন সন্দৰ্ভত পালন কৰিবলগীয়া নীতি নিৰ্দেশনাসমূহৰ বিষয়ে অৱগত কৰাৰ উদ্দেশ্যে যোৱা ২৮ জুনত নাজিৰা মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত অতিৰিক্ত উপায়ুক্ত তথা ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপৰ অধ্যক্ষতাত এখন সভা অনুষ্ঠিত হয়। নাজিৰা মহকুমাৰ পূজা সমিতিসমূহৰ স'তে হোৱা সভাত মহকুমাধিপতিয়ে আগন্তুক দুৰ্গা পূজা উদ্‌যাপনৰ সময়ত ক'ভিড-১৯ ৰোগৰ গণসংক্ৰমণ ৰোধৰ বাবে চৰকাৰ আৰু স্বাস্থ্য বিভাগে জাৰি কৰা নীতি-নিৰ্দেশনাসমূহ সম্পূৰ্ণৰূপে মানি চলিবলৈ আহ্বান জনায়। তেওঁ পূজা সমিতিসমূহক পূজা অনুষ্ঠিত কৰিবৰ বাবে সংশ্লিষ্ট বিভাগসমূহৰ পৰা অনুমতি বিচাৰি আবেদন আগতীয়াকৈ জমা দিবলৈ কয়। পূজা সমিতিৰ বিষয়ববীয়াসকলক পূজাস্থলীসমূহ আহল-বহল আৰু সকলো ফালৰ পৰা মুকলি হোৱাৰ লগতে সামাজিক দূৰত্ব বৰ্তাই ৰাখি, প্ৰৱেশ আৰু প্ৰস্থান পথ পৃথক কৰিবলৈ নিৰ্দেশ দিয়ে। আনহাতে, পূজাস্থলীৰ সম্পূৰ্ণ অঞ্চল ছেনিটাইজ কৰাৰ লগতে প্ৰৱেশ পথত মাস্ক আৰু ছেনিটাইজাৰ ৰখাটো বাধ্যতামূলক। মহকুমাধিপতি সব্যসাচী কাশ্যপে কয় যে প্ৰসাদ বিতৰণ পূজা মণ্ডপৰ বাহিৰত হ'ব লাগিব আৰু কাগজেৰে তৈয়াৰ কৰা পেকেটত প্ৰসাদ দিব লাগিব। তদুপৰি পূজাৰ আগত, পূজাৰ সময়ত আৰু পূজাৰ পাছত কোনো ধৰণৰ সাংস্কৃতিক অনুষ্ঠান আৰু মেলাৰ আয়োজন কৰিব নোৱাৰিব। ইয়াৰ উপৰি পূজাস্থলীসমূহ দূৰৰ পৰা যাতে নিৰীক্ষণ কৰিব পাৰি তাৰ বাবে পৰ্যবেক্ষণ মিনাৰ নিৰ্মাণ কৰাৰ লগতে, সহায়ক কক্ষ গঠন কৰি, অনুভাষ যন্ত্ৰ স্থাপন কৰিবলৈ আয়োজকসকলক আদেশ দিয়ে। লগতে তেওঁ বিসৰ্জনৰ সময়ত কোনো সমদল বা শোভাযাত্ৰা উলিয়াব নোৱাৰিব বুলিও জনায়। তেওঁ পূজা সমিতি সমূহক পেণ্ডেলৰ চৌপাশে পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰাৰ লগতে জেনেৰেটৰৰ ব্যৱস্থা, অগ্নি নিৰ্বাপনৰ ব্যৱস্থা থকা বাধ্যতামূলক বুলি উল্লেখ কৰে। দৰ্শনাৰ্থীসকলক সহায় কৰাৰ উদ্দেশ্যে আয়োজকসকলে পূজাস্থলীৰ বিভিন্ন স্থানত স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব। পূজা সমিতিৰ বিষয়ববীয়া সকল, পুৰোহিত, ১৮ বছৰৰ ওপৰৰ ভক্ত সকল তথা স্বেচ্ছাসেৱীসকলেও ক'ভিড-১৯ প্ৰতিষেধক লোৱাটো বাধ্যতামূলক আৰু পূজা সমিতিসমূহে সেয়া নিশ্চিত কৰিব লাগিব বুলিও মহকুমাধিপতিয়ে অৱগত কৰে। লগতে তেওঁ পূজা মণ্ডপত অহা ভক্ত তথা দৰ্শনাৰ্থীসকলৰ বাবে হাত ধোৱাৰ তথা ছেনিটাইজাৰৰ ব্যৱস্থা নিশ্চিত কৰাৰ লগতে তেওঁলোকে মাস্ক পিন্ধা তথা সামাজিক দূৰত্ব বজাই ৰখাটো নিশ্চিত কৰিবলৈও নিৰ্দেশ দিয়ে। তদুপৰি পূজাস্থলীসমূহ ন বজাৰ আগত বন্ধ কৰিব লাগিব আৰু সান্ধ্য আইনৰ পাছত স্বেচ্ছাসেৱীসকলৰ বাহিৰে বেলেগ কোনো ব্যক্তি যাতে উপস্থিত নাথাকে তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ কয়। সভাত পূজা সমিতিৰ বিষয়-ববীয়াসকলে নাজিৰা মহকুমা প্ৰশাসনৰ নিৰ্দেশনাসমূহ পালন কৰাৰ আশ্বাস প্ৰদান কৰে। সভাত পূজা সমিতিৰ প্ৰতিনিধিসকলৰ উপৰি নাজিৰা ৰাজহ চক্ৰ বিষয়া ভনলাল লিম্পুই নাম্পুই বিয়াটে, সহকাৰী আয়ুক্ত প্ৰীতম গগৈ, ৰুবি কুমাৰী ৰয়, তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্ত, নাজিৰা মহকুমাৰ অন্তৰ্গত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসকল আৰু বিভিন্ন বিভাগৰ মূৰব্বীসকল উপস্থিত থাকে।

# বৰপথাৰত বজ্ৰপাত পৰি ওৰে নিশা জ্বলি থাকিল এজোপা পুৰণি গছ

**বৰপথাৰ, ২৯ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ বৰপথাৰ নগৰৰ মাজমজিয়াত যোৱা নিশা ঘটিল এক অঘটন। নিশা প্ৰায় ১২.৩০ বজাত প্ৰচণ্ড ধুমুহা-গাজনিৰ লগতে অহা বজ্ৰপাত পৰে এজোপা প্ৰকাণ্ড গছত। ফলত দাউ দাউকৈ জ্বলি উঠিল গছজোপা। বৰপথাৰ নগৰৰ কালীবাৰীৰ মূল পথৰ কাষতে থকা প্ৰায় ডেৰশ বছৰ পুৰণি চতিয়না গছজোপা জীৱিত অৱস্থাত নাছিল যদিও শুকাই থকাৰ বাবেই গছজোপাত বজ্ৰপাত পৰি দাউ দাউকৈ জ্বলি উঠে। জুই দেখি কাষৰে ব্যক্তি এজনে অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে। নিশাই অগ্নিনিৰ্বাপক বাহিনী আহে যদিও গছজোপা যথেষ্ট ওখ আৰু ওপৰৰ অংশৰ পৰা জুই জ্বলি থকা বাবে গোটেই নিশা চেষ্টা চলায়ো জুই নুমুৱাবলৈ সক্ষম নহ'ল। জুইৰ প্ৰকোপ দেখি ওচৰৰ ব্যৱসায়ীসকলে দোকান খুলিবলৈ সাহস কৰা নাছিল আৰু লগতে অঘটনৰ আশংকাত পথচাৰীয়েও উক্ত পথেৰে যোৱাৰ পৰা বিৰত থাকে। শেষত প্ৰশাসনৰ সহযোগত গছজোপা কাটি পেলোৱাৰ পাছতহে জুই নুমুৱাবলৈ সক্ষম হয়।

# বৃহত্তৰ আগছিয়া-মাজিৰগাঁও শাখা ছাত্ৰ সন্থাৰ অধিবেশন-অভিনন্দন অনুষ্ঠান

■ দাবী কৰাৰ দৰে ■ দাবী কৰাৰ দৰে

## ক'ভিডৰ বাবে অসমৰ শিক্ষা ব্যৱস্থা শ'লঠেকত পৰিছে

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৮ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ অন্তৰ্গত বৃহত্তৰ আগছিয়া-মাজিৰগাঁও শাখা ছাত্ৰ সন্থাৰ দ্বিতীয় বাৰ্ষিক অধিবেশনখন তথা অভিনন্দন অনুষ্ঠান যোৱা ২৭ ছেপ্টেম্বৰত পশ্চিম গুৱাহাটী সমষ্টিৰ আগছিয়াৰ পলাশবাৰী আঞ্চলিক হাইস্কুলত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়।

সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে বৃহত্তৰ আগছিয়া-মাজিৰগাঁও শাখা সন্থাৰ সভাপতি ধনমণি বৰাই, বন্তি প্ৰজ্বলন কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক সমীৰণ দাসে, ছহিদ তৰ্পণ কৰে সাহিত্য সম্পাদক ৰাহুল ঠাকুৰীয়াই। সভাৰ আঁত ধৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক বেদব্ৰত দাসে। ইয়াৰ লগে লগে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বৃহত্তৰ আগছিয়া-মাজিৰগাঁও শাখা সন্থাৰ সম্পাদক মানসজ্যোতি কাকতিয়ে। অভিনন্দন অনুষ্ঠানত কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা নিৰোদ কুমাৰ দাসে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি বক্তব্য ৰাখে। ক'ভিড মহামাৰীৰ বাবে বৰ্তমান অসমৰ শিক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে শ'লঠেকত পেলোৱা বুলি মন্তব্য কৰে। গতিকে চৰকাৰে এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ ভৱিষ্যৎ যাতে কোনো কাৰণতে বিনষ্ট নহয় সেই বিষয়েও চৰকাৰক স্পষ্টভাৱে জনায় দিয়ে। লগতে ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে দেশৰ এগৰাকী সুনাগৰিক হ'বলৈ নিয়মিত পাঠদান কৰাটো দৈনন্দিন জীৱনৰ আহিলাৰূপে গ্ৰহণ কৰিবলৈও আহ্বান জনাই। ইয়াৰ পাছত ২০২১ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অঞ্চলটোৰ পলাশবাৰী আঞ্চলিক হাইস্কুল আৰু পশ্চিম ৰামছাৰণী হাইস্কুলৰ ১৪ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক এখন মানপত্ৰ আৰু ফুলাম গামোচাৰে অভিনন্দন প্ৰদান কৰা হয়। সভাৰ শেষত বিষয় বাছনি সভা অনুষ্ঠিত কৰি বিদ্যুৎ কলিতাক সভাপতি আৰু হীৰক দাসক সাধাৰণ সম্পাদকৰূপে লৈ ৪১ জনীয়া বৃহত্তৰ আগছিয়া-মাজিৰগাঁও শাখা ছাত্ৰ সন্থাৰ নতুন সমিতিখন গঠন কৰা হয়।






পৃথিৱীখনতে এনে বহু ৰহস্য আছে, যিবোৰ আজিও মানুহৰ বাবে অজ্ঞাত হৈ আছে। অৱশ্যে উন্নত প্ৰযুক্তিৰ সহায়ত বিজ্ঞানীসকলে বিভিন্ন সময়ত এইবোৰ ৰহস্যৰ ভেদ কৰিছে। অলপতে এক ৰহস্য ভেদ কৰি এদল বিজ্ঞানীয়ে আৱিষ্কাৰ কৰিলে, আমাৰ পৃথিৱীতে ইমানদিনে মানুহৰ দৃষ্টিৰ অগোচৰ হৈ থকা এক নতুন ভূখণ্ড। যাৰ বাবে আনকি পৃথিৱীৰ মানচিত্ৰও সলনি হৈ পৰিব পাৰে।

# বিশ্বৰ নতুন ভূখণ্ড 'দ্য নৰ্দাৰ্ণমʼষ্ট আইলেণ্ড'

**আমাৰ** পৃথিৱীখন অনেক ৰহস্যৰে ভৰা। আজিৰ বিজ্ঞানে উন্নতিৰ শিখৰত আৰোহণ কৰিছে। মানুহে গৈ মহাকাশত উপস্থিত হৈ অনন্ত ৰহস্য ভেদ কৰিবলৈ চেষ্টা কৰি আছে। অথচ আমাৰ পৃথিৱীখনতে এনে বহু ৰহস্য আছে, যিবোৰ আজিও মানুহৰ বাবে অজ্ঞাত হৈ আছে। অৱশ্যে উন্নত প্ৰযুক্তিৰ সহায়ত বিজ্ঞানীসকলে বিভিন্ন সময়ত এইবোৰ ৰহস্যৰ ভেদ কৰিছে। অলপতে এক ৰহস্য ভেদ কৰি এদল বিজ্ঞানীয়ে আৱিষ্কাৰ কৰিলে, আমাৰ পৃথিৱীতে ইমানদিনে মানুহৰ দৃষ্টিৰ অগোচৰ হৈ থকা এক নতুন ভূখণ্ড। যাৰ বাবে আনকি পৃথিৱীৰ মানচিত্ৰও সলনি হৈ পৰিব পাৰে।

ডেনমাৰ্কৰ এদল বিজ্ঞানীয়ে অলপতে ডাঠ বৰফৰ আৱৰণেৰে ঢাকি ৰখা গ্ৰীণলেণ্ডৰ দুৰ্গম ওডাক দ্বীপত উপস্থিত হোৱাৰ বাবে ৰাওনা হৈছিল। সেই যাত্ৰাতেই তেওঁলোকে নিজৰ অজানিতে আৱিষ্কাৰ কৰিলে এক নতুন ভূ-খণ্ডক, যাৰ নাম ৰখা হৈছে 'দ্য নৰ্দাৰ্ণ আইলেণ্ড'।

বিজ্ঞানীৰ দলটোৱে এই কথা সপোনতো ভবা নাছিল। তেওঁলোকে বৰফাবৃত ওডাক দ্বীপলৈ গৈছিল কিছু নমুনা সংগ্ৰহ কৰিবলৈ। মন কৰিবলগীয়া যে ওডাক দ্বীপটোও ১৯৭৮ তহে মানুহে আৱিষ্কাৰ কৰিছিল। এই যাত্ৰাকালতে বিজ্ঞানীৰ দলটোৱে দেখিলে যে অক্ষাংশ, দ্ৰাঘিমাংশৰ হিচাপত চালে তেওঁলোক পৃথিৱীৰ একেবাৰে উত্তৰৰ স্থলভাগত থিয় হৈ আছে। তেতিয়ালৈকে সেই স্থানত কোনো মানুহৰ ভৰি পৰা নাছিল। বিজ্ঞানী দলটোৰ মুৰব্বী মʼৰ্টেন ৰাস্কে জনোৱা মতে, তেওঁলোকে 'মেৰু অঞ্চলৰ গৱেষণা'ৰ বাবে ওডাক দ্বীপলৈ গৈছিল। অথচ সেই ঠাইলৈ গৈহে বুজিব পাৰিলে যে তেওঁলোক আচলতে আন এটা দ্বীপতহে উপস্থিত হৈছে। সেই নতুন দ্বীপটো ওডাকৰ পৰা ৭৮০ মিটাৰ দূৰত্বত অৱস্থিত। এই দ্বীপটো সাগৰপৃষ্ঠৰ পৰা প্ৰায় তিনি-চাৰি মিটাৰ ওখ। সাগৰৰ পলস, পাথৰৰ টুকুৰা আদিৰে দ্বীপটো সৃষ্টি হৈছে। অৱশ্যে সমগ্ৰ দ্বীপটো বৰফৰ ডাঠ আৱৰণেৰে আবৰা। নতুনকৈ আৱিষ্কৃত দ্বীপটোৰ নাম ৰখা হৈছে কুৱেকাৰ্টাক এভানাৰলেক; গ্ৰীণলেণ্ডৰ স্থানীয় ভাষাত যাৰ অৰ্থ 'সবাতোকৈ উত্তৰৰ দ্বীপ।'

সম্প্ৰতি পৃথিৱীৰ উত্তৰ মেৰুৰ একেবাৰে শেষ ভূমি এই দ্বীপটোৱেই। অৱশ্যে গৱেষকৰ দলটোৱে জনাইছে যে দ্বীপৰ মৰ্যাদা পাবলৈ হʼলে এই ভূ-খণ্ডই সকলো সময়তে সাগৰপৃষ্ঠৰ ওপৰত থাকিব লাগিব। ডুবি গʼলে দ্বীপৰ মৰ্যাদা নাপাব।

## কবিতা

### সেউজীয়া ধৰণী

**বন্তি দাস চৌধুৰী**

পুৱাৰ ৰʼদত কাঁচন কাঁচি
ৰং খেলি ভাল পাওঁ,
ন-সাজেৰে ধৰণী সজাই
আপোন পাহৰা হওঁ।

বুকুৰ উমেৰে গুণগুণকৈ
পাৰ হৈ যাওঁ নৈৰ সুঁতি,
সেউজীয়া ধৰণীৰ পৰশ লাগি
লিৰিকি চাওঁ ৰহণীয়া সৃষ্টি।

তোমাৰ ছাঁতে জিৰণি লৈ
ৰচি যাওঁ সেউজীয়া সপোন,
আমি যে অকণি সন্তান তোমাৰ
গৌৰৱেৰে ৰাখিম মান।

হাতে হাতে ধৰি যাম আগুৱাই
নহওঁ কাৰো অধীন,
ভাষা-সংস্কৃতিৰ গৰিমাৰে আমি
গাই যাম তোমাৰ জয়গান।

### ৰচকী পখিলা

**হৰেণ দাস**

অʼ পখিলা অʼ পখিলা
তুমি ইমান ধুনীয়া
কালৈকো ভ্ৰূক্ষেপ নকৰা
উৰি যোৱা কʼলৈ এতিয়া?
লাহী পাখি দুখনি
নানা বৰণৰ ৰংলানি,
কোনে দিলে আঁকি
ৰং-চঙীয়া কৰি পখিলাজনী
উলাহতে নাচি-বাগি
ফুলৰ ওপৰত পৰি
ৰংমনে মৌ চুহি
আকৌ উৰি যোৱা
বৰষুণৰ বতৰত তুমি
কʼলৈ নো যোৱা
ঘৰ কʼত বাৰু তোমাৰ
কʼবানে প্ৰকৃতিৰ ৰাণী
ৰচকী পখিলাজনী?



# পূজাত বন্তি প্ৰজ্বলনৰ তাৎপৰ্য

**হিন্দু** ধৰ্মৰ ৰীতি-নীতিসমূহৰ অন্যতম হৈছে বন্তি প্ৰজ্বলন। পূজাৰ উপৰি যিকোনো শুভকাৰ্যৰ আৰম্ভণিতে বন্তি বা চাকি জ্বলোৱা হয় বুলি আমি জনো। অৱশ্যে পূজাত কিয় বন্তি জ্বলোৱা হয়, সেয়া তোমালোকে জানানে? ইয়াৰ বাৰু কোনো বেলেগ মাহাত্ম্য আছে নে সাধাৰণ এক প্ৰথাহে। সেই কথাও তোমালোকে জনা উচিত।

হিন্দু ধৰ্মৰ কোনো পূজা মানেই জ্বলি উঠে প্ৰদীপৰ শিখা। কঁপি থকা বন্তিৰ শিখা, ধূপৰ সুবাস আৰু মন্ত্ৰৰ উচ্চাৰণে পূজাৰ সময়ত এক আধ্যাত্মিক তথা আনন্দকৰ পৰিৱেশৰ সৃষ্টি কৰে। এই উপকৰণৰ মাধ্যমেৰেই আমাৰ মন-প্ৰাণ ঈশ্বৰৰ প্ৰতি সমৰ্পিত হোৱাৰ পৰিৱেশ সৃষ্টি হয়। সেইবাবেই পূজাৰ সময়ত চাকি জ্বলোৱাটো এক আৱশ্যকীয় কাম। অৱশ্যে এইটো জানো কেৱল এক প্ৰথা? আচলতে এই প্ৰথাৰ এক তাৎপৰ্যও আছে। আমি এটা কথা মনত ৰাখিব লাগিব যে প্ৰথা বা ৰীতি বা পৰম্পৰা আদিবোৰ মানুহৰ দীৰ্ঘদিনৰ আভিজাত্যৰ পৰাই আহিছে। সেয়ে পূজাৰ সময়ত যি দীপ জ্বলোৱা হয়, তাৰো নিৰ্দিষ্ট কাৰ্যকাৰিতা আছে।

বহু যুগৰ আগতে পূজা-অৰ্চনাৰ সময়ত চাকি জ্বলোৱাৰ ৰীতি নাছিল। আগতে পূজাৰ স্থানত জুই জ্বলোৱাৰ প্ৰথা তেতিয়াও আছিল। যজ্ঞবেদীত জ্বলি উঠিছিল পবিত্ৰ অগ্নি। ঈশ্বৰক তেতিয়া নিৰাকাৰৰূপেই উপাসনা কৰা হৈছিল। কৰা হৈছিল হোম-যজ্ঞ। পাছলৈ মানুহে ঈশ্বৰক সাকাৰ ৰূপত কল্পনা তেতিয়াৰ পৰাই কিছুমান প্ৰথাও তাৰ লগত যুক্ত হʼল। যেনে- উপাস্য দেৱতাক প্ৰসাদ দিয়া, পোছাক সলোৱা, স্নান কৰোৱা ইত্যাদি। তাৰ লগতে সুগন্ধীৰ ব্যৱহাৰ তথা ধূপ আৰু দীপ প্ৰজ্বলনো পূজাৰ অংগ হৈ পৰিল। যেন সেই হোমকুণ্ডৰ অগ্নিয়ে নতুন ৰূপত ধৰা দিলে।

বিশেষজ্ঞৰ মতে, পুৰণি কালত মানুহে নিজৰ প্ৰয়োজনত বন্তি জ্বলাইছিল। ঘৰৰ বাহিৰত বন্তি জ্বলাইছিল অন্ধকাৰত ঘৰটো চিনি পোৱাৰ বাবে। সেই প্ৰথা আজিকালিও দেখা যায়। আজিও বহু লোকে ঘৰৰ সন্মুখত, পদূলিত বা চোতালৰ তুলসীৰ তলত চাকি জ্বলায়। ঈশ্বৰৰ প্ৰতি চাকি জ্বলোৱাৰ ক্ষেত্ৰতো মানুহৰ সেই প্ৰথাৰো চাপ পৰিছে বুলিও বহুতে ধাৰণা কৰে। আকৌ কোনো সকলো কলুষৰ পৰা মানুহক মুক্ত কৰে। জুই হৈছে মানৱ সভ্যতাৰ এক গুৰুত্বপূৰ্ণ আৱিষ্কাৰ। সেয়ে মানুহৰ ঈশ্বৰ উপাসনা বা পৌৰাণিক বিশ্বাসৰ দৰে জুই সংপৃক্ত হৈ আছে। জুই হৈছে ক্ষুধাৰ প্ৰতীক, সেইদৰে কেতিয়াবা জুই জীৱনৰো প্ৰতীক। তাৰ লগতে জুইক বহুতে জ্ঞান বা প্ৰজ্ঞাৰ প্ৰতীকৰূপেও গণ্য কৰে। সেইবাবেই আমাৰ উপাসনাত অগ্নিৰ ভূমিকা চিৰকালৰ। সেই



কোনোৱে কয় যে দীপ জ্বলালে অন্ধকাৰ দূৰ হয় আৰু সেই ধাৰণাৰ পৰাই মানুহে ঈশ্বৰৰ উপাসনা কৰিবলৈ বন্তি জ্বলায়। দীপ জ্বলোৱা ৰীতিৰ সʼতে পোহৰৰ পূজাৰ ৰীতিও আছে, যি পোহৰে পবিত্ৰ অগ্নিয়েই এসময়ত জ্বলিছিল যজ্ঞবেদীত। সেয়াই আজি দেখা যায় বন্তিত। সেয়ে পূজা-অৰ্চনাত প্ৰদীপ জ্বলোৱাৰ যি ৰীতি, সেয়া যেনেকৈ প্ৰাচীন, তেনেকৈ অৰ্থবহও।

## গান্ধীজীৰ সততা



**তোমালোকে** নিশ্চয় জানা যে জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰকৃত নাম আছিল মোহনদাস কৰমচান্দ গান্ধী। অহা দুই অক্টোবৰত গান্ধীজীৰ জন্মদিন। সেই দিনটোক ভাৰতে গান্ধী জয়ন্তীৰূপে পালন কৰে। তেওঁৰ সাত বছৰ বয়সত দেউতাকে পোৰবন্দৰৰ পৰা ৰাজকোটলৈ উঠি আহিছিল। ৰাজকোটতে মোহনদাসৰ প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল। ছাত্ৰ হিচাপে গান্ধীজী মধ্যমীয়া স্তৰৰ আছিল। কিন্তু তেওঁৰ ডাঙৰ সম্পদ আছিল সততা আৰু নিষ্ঠা। শ্ৰেণীকোঠাত তেওঁ কাৰো সʼতে কথা নাপাতিছিল। বৰঞ্চ নিজৰ কিতাপ পঢ়ি পাঠবোৰ মুখস্থ কৰাতে ব্যস্ত থাকিছিল। গান্ধীজীয়ে হাইস্কুলত পঢ়ি থকাৰ সময়ত এদিন শিক্ষা বিভাগৰ পৰিদৰ্শক এজনে তেওঁলোকৰ স্কুল পৰিদৰ্শন কৰিবলৈ আহিল। পৰিদৰ্শকে গান্ধীজীৰ শ্ৰেণীৰ সকলোকে পাঁচটা ইংৰাজী শব্দৰ সঠিক উচ্চাৰণেৰে বানান লিখিবলৈ দিলে। সেই শব্দকেইটাৰ এটা আছিল Kettle (কেট্‌লী)। কিন্তু গান্ধীজীয়ে সঠিকভাৱে শব্দটো উচ্চাৰণ কৰিব নোৱাৰিলে। শ্ৰেণীত উপস্থিত থকা শিক্ষকজনে চকুৰ ইংগিতেৰে সহপাঠীৰ পৰা চাই লিখিবলৈ তেওঁক জোৰ দিলে। কিন্তু গান্ধীজীয়ে নকল কৰাৰ চেষ্টা নকৰি মনে মনে থিয় হৈ থাকিল। সকলো ছাত্ৰই সঠিক উচ্চাৰণ কৰিলে আৰু সোধা প্ৰশ্নৰ শুদ্ধ উত্তৰ দিলে। অথচ গান্ধীজীয়ে সেয়া কৰিব নোৱাৰিলে। পৰিদৰ্শক যোৱাৰ পাছত শিক্ষকজনে যেতিয়া গান্ধীজীক ধমক দিলে, তেতিয়া তেওঁ উত্তৰ দিলে, 'আমি যিমানখিনি জানো, সিমানখিনিয়েই উত্তৰ দিয়া উচিত। নকল কৰি শুদ্ধ উত্তৰ দিয়াতকৈ নিজে যিখিনি শিকিছো, সেইখিনিৰ উত্তৰ দিয়াই ভাল।'



## আদিম মানৱৰ পোছাক

**কথাতে** কয় যে মানুহক জীয়াই থাকিবলৈ প্ৰয়োজন হোৱা প্ৰধান বস্তুকেইটা হৈছে 'অন্ন-বস্ত্ৰ-বাসস্থান'। অৰ্থাৎ খাদ্য আৰু বাসস্থানৰ সমানেই গুৰুত্বপূৰ্ণ বস্ত্ৰও। এই বস্ত্ৰ মানুহক একাধিক কাৰণত প্ৰয়োজন হয়। ইয়াৰ ভিতৰত অন্যতম হৈছে লজ্জা নিবাৰণ। শৰীৰটো ঢাকি ৰখাৰ বাবেই মানুহে পোছাক পৰিধান কৰে। অথচ প্ৰাচীন কালত মানুহ যেতিয়া সভ্য হোৱা নাছিল, তেতিয়া মানুহে কাপোৰ নিপিন্ধিছিল। আচলতে তেতিয়া মানুহৰ জ্ঞান-বুদ্ধি নাছিল। ভাল-বেয়া, উচিত-অনুচিত বা লজ্জাবোধ কি বস্তু একো বুজি নাপাইছিল। সভ্যতাৰ পোহৰ তেতিয়া মানৱ সমাজে দেখা নাছিল। তেতিয়া মানুহৰ মুখত ভাষা নাছিল। বন্যপ্ৰাণীৰ দৰেই তেতিয়া মানুহে জীৱন কটাইছিল। সভা সমাজত এই এটা প্ৰশ্ন বাৰে বাৰে উঠি আহিছিল। মানুহে বাৰু কেতিয়াৰ পৰা পোছাক পৰিধান কৰিবলৈ লʼলে? এই বিষয়ত বিভিন্নজনে বিভিন্ন সময়ত নানা মন্তব্য কৰি আহিছে। শেহতীয়াকৈ এক গৱেষণাত এই বিষয়টোৰ এক সমাধান পোৱা গৈছে।

গৱেষণাৰ মতে, প্ৰায় এক লাখ ২০ হেজাৰ বছৰৰ পূৰ্বে মানুহে বস্ত্ৰ পৰিধান কৰিবলৈ আৰম্ভ কৰে। কাৰণ এই সংক্ৰান্তত যিবোৰ সাজ-সৰঞ্জাম মৰক্কোৰ এটা অতি প্ৰাচীন গুহাৰ পৰা আৱিষ্কাৰ হৈছিল, সেইবোৰ হেনো ৯০ হেজাৰৰ পৰা এক লাখ ২০ হেজাৰ বছৰ পুৰণি। এই সন্দৰ্ভত জাৰ্মানীৰ এগৰাকী বিজ্ঞানী ডʼ এমিলি হেলেটে কয়, 'মৰক্কোৰ আটলাণ্টিক উপকূলৰ কণ্ট্ৰেবেণ্ডিয়াৰ্ছ গুহাৰ পৰা যিবোৰ সাজ-সৰঞ্জাম উদ্ধাৰ হৈছে, সেইবোৰ হাড়েৰে তৈয়াৰী আৰু পৰীক্ষা কৰি জনা গৈছে যে সেই বস্ত্ৰ তৈয়াৰ কৰা আৰু পৰিধানৰ কামতে লাগিছিল।'

অৱশ্যে এটা কথা ঠিক যে অৰণ্য মানৱ বা আদিম মানুহবোৰ 'সভ্য' হৈ উঠাৰ কথাটো এদিনতে হোৱা নাছিল। প্ৰাথমিকভাৱে কেৱল পশু হত্যা কৰিয়ে মানুহে আগতে নিজৰ ক্ষুধা নিবাৰণ কৰিছিল। লাহে লাহে তেওঁলোকে শস্যৰ আৱিষ্কাৰ কৰি যাযাবৰী জীৱনৰ অন্ত পেলায়। সেইদৰে মানুহৰ শৰীৰলৈ পোছাকো আহে পৰ্যায়ক্ৰমে। ধাৰণা কৰা হয় যে এসময়ত মানুহৰ শৰীৰো আন প্ৰাণীৰ দৰে নোমেৰে আবৃত আছিল। লাহে লাহে কোনো কাৰণত সেই দীঘল নোম সৰু হʼবলৈ ধৰে। ফলত মানুহে শীত অনুভৱ কৰিবলৈ আৰম্ভ কৰে। শীতৰ পৰা ৰক্ষা পাবলৈ মানুহে প্ৰথমে গছৰ বাকলি বা পাতেৰে তৈয়াৰী পোছাক পিন্ধিছিল। পৰৱৰ্তী সময়ত জন্তুৰ ছালৰ পৰাও পোছাক তৈয়াৰ কৰিবলৈ লয়। তাৰ পাছত লাহে লাহে আহিল আন প্ৰক্ৰিয়াৰে পোছাক পৰিধান। এতিয়া সেইদৰে পোছাক পৰিধান কৰিবলৈ আৰম্ভ কৰা সময়খিনিও পোহৰলৈ আহিল।





# বন্দুকে মানুহক ধ্বংস কৰে

**জয়া দাস**

**নেইনা** আৰু নিলীম ভাই-ভনী। সিহঁত দুয়োজনে মাক-দেউতাকক পূজা চাবলৈ যোৱাৰ কাৰণে লগ ধৰি আছে। নিলীমে আকৌ দেউতাকক এটা বন্দুক কিনি দিয়াৰ কাৰণে বৰকৈ লাগি আছে। তাৰ লগৰ মহৰ্ষি, গীতাৰ্থ, নীৰৱহঁতৰ দেউতাকে সিহঁতক ডাঙৰ বন্দুক কিনি দিছে। গতিকে তাকো এটা ডাঙৰ বন্দুক কিনি দিব লাগে। নেইনাৰ কথা আকৌ বেলেগ। তাই দেউতাকৰ বৰ মৰমৰ সেই সুবিধাটো তাই সদায় আদায় কৰিব বিচাৰে। তাই অৱশ্যে দেউতাকক বন্দুক খুজি আমনি দিয়া নাই যদিও তাইৰ বাজেটত নিলীমতকৈ আৰু বহুতো অলাগতিয়াল বস্তু বিচৰা বাবে দেউতাকৰ সিহঁতৰ ওপৰত খং উঠিছে। দেউতাকে সিহঁতক কʼলে যে দুৰ্গা পূজাত সৰু লʼৰা-ছোৱালী বেলুন, পেঁপা বজাই ফূৰ্তি কৰে সঁচা কথা। সেই বুলি যিহকে-তিহকে কিনি টকা-পইচা নষ্ট কৰাটো একেবাৰে বেয়া কথা। ভাল লʼৰা-ছোৱালীয়ে পূজাত বন্দুক নলয়। বন্দুক এটা হাতত লৈ পূজা চাবলৈ গʼলেহে আনন্দ কৰা হয়নে? বন্দুক এটাই মানুহক কোনো জ্ঞান দিব নোৱাৰে। বন্দুকে মানুহক ধ্বংস কৰিব পাৰে। দেউতাকৰ কথাত সিহঁত দুটাৰ কোনো ধৰণৰ পৰিৱৰ্তন নাই। মাথোঁ সিহঁতে সেইবোৰ নাজানে সিহঁতক বিচৰা বস্তুকেইটা দিবই লাগিব বুলি সিহঁতে আঁকোৰগোঁজ কৰি থকা দেখি দেউতাকে দুইটাকে পূজা চাবলৈ গʼল আৰু সিহঁতে বিচৰা বস্তুকেইপদ কিনি দিলে। নিলীমে বন্দুক পাই পূজা থলীত অন্য লʼৰা-ছোৱালীৰ গাত বন্দুক মাৰি বন্দুকৰ খেল আৰম্ভ কৰিলে। সি তেনেকুৱা কৰা কাৰণে অন্য লʼৰা-ছোৱালীবোৰেও ইজনে-সিজনলৈ বন্দুক মাৰি আনন্দ পাইছে। সিহঁতৰ উৎপাত দেখি দেউতাকে দুইতাকে সোনকালে ঘৰলৈ লৈ আহিল। সিহঁতে ঘৰলৈ আহি থাকোতে পিছফালৰ পৰা কোনোবা এজন দুষ্ট লʼৰাই নেইনাৰ গাত বন্দুক মাৰি দিয়াত তাইৰ নতুন ফ্ৰকত বন্দুকৰ ফিৰিঙটি লাগি ফ্ৰকটো পুৰি গʼল। তাইৰ ফ্ৰকটো পোৰা কাৰণে মাকে গালি দিব বুলি তাই যেতিয়া কান্দিব ধৰিলে, তেতিয়া নিলীমে সেই লʼৰাজনক মাৰিব খেদি গʼল। দেউতাকে তেতিয়া নিলীমক বাধা দি কʼলে যে মই তোমালোকক আগতেই কৈছিলো, এইবোৰ ভাল বস্তু নহয়। এইবোৰে মানুহক জ্ঞান দিব নোৱাৰে মাথোঁ ধ্বংসহে কৰে। আজি যদি তোমালোকে বন্দুক হাতত লৈ বন্দুকৰ খেল নেখেলিলা হয় তেনেহʼলে সিহঁতেও এইদৰে তোমালোকৰ লগত বন্দুকেৰে খেল নেখেলিলেহেঁতেন। তোমালোকে কৰা কামটোহে সিহঁতেও কৰিছে। গতিকে এতিয়া হাই-কাজিয়া কৰি একো লাভ নাই। মোৰ যদি কথা শুনি তোমালোকে বন্দুক নিকিনিলা হয় তেনেহʼলে আজি নেইনাৰ নতুন ফ্ৰকটো এইদৰে পুৰি নগʼলহেঁতেন। দেউতাকৰ কথা শুনি সিহঁত দুইটাই বৰ লাজ পালে। নেইনাই তেতিয়া কান্দিয়ে আছিল মাকে তাইক খং কৰিব বুলি। তাই ভয়ে ভয়ে দেউতাকক কʼলে, ছʼৰী দেউতা আজিৰ পৰা আমি তোমাৰ অবাধ্য কেতিয়াও নহও। সঁচাকৈয়ে নিজৰ মনটো সলনি কৰিব পাৰিলে জীৱনটোও নিজে সলনি কৰিবলৈ সহজ হৈ পৰে।

## এলেহুৱা হেমষ্টাৰ

**সংলগ্ন** ফটো দেখিলে প্ৰাণীবিধ কেৰ্কেটুৱা, নিগনি বা শহাপহু বুলিয়েই হয়তো ভাবিবা। কিন্তু এইবিধ প্ৰাণী নাম আচলতে হেমষ্টাৰ। এইবিধ ৰʼডেণ্ট প্ৰজাতিৰ প্ৰাণী। কেৰ্কেটুৱা, নিগনি, গিনিপিগ আদিও ৰʼডেণ্ট প্ৰজাতিৰ সদস্য। বিশ্বৰ সবাতোকৈ এলেহুৱা প্ৰকৃতিৰ প্ৰাণীবোৰৰ ভিতৰত হেমষ্টাৰ অন্যতম। দিনটোৰ কমেও ১৪ ঘণ্টা ইহঁতে শুই অতিবাহিত কৰে। শুই থকা অৱস্থাত আনে আমনি কৰিলেও হেমষ্টাৰে সচৰাচৰ উঠিবলৈ টান পায়।



টোপনি ক্ষতিও ইহঁতে সহ্য কৰিব নোৱাৰে। সেই কাৰণেই হেমষ্টাৰে অকলে থাকিবলৈহে অধিক পছন্দ কৰে। কোনো স্থানত যদি কেʼবাটাও হেমষ্টাৰ একেলগে ৰখা হয়, তেন্তে সিহঁতৰ মাজত কাজিয়া লগাৰ প্ৰচুৰ সম্ভাৱনা থাকে। নিদ্ৰাত ব্যাঘাত জন্মাৰ আশংকাতে ইহঁতে দল বান্ধি নাথাকে। কিবা কাৰণত দল বান্ধি থাকিবলৈ বাধ্য হʼলে হেমষ্টাৰ ইমানেই উত্তেজিত হৈ পৰে যে হতাশগ্ৰস্ততা আৰু ওজন বৃদ্ধিৰ সমস্যাতো পৰিব পাৰে। হেমষ্টাৰে সচৰাচৰ বিভিন্ন ফল, ফলৰ গুটি আৰু ঘাঁহ আদি খায় জীৱন নিৰ্বাহ কৰে। ইহঁতৰ গালত এক বিশেষ প্ৰকাশ মোনা থাকে। সেই মোনাত খাদ্য জমা কৰি ৰাখি নিশ্চিন্তমনে শুই থাকে।



*তুষাৰ উপমান্য, পঞ্চম শ্ৰেণী, ব্লু বেল স্কুল, গুৱাহাটী।*

# বলিৰামৰ বল

**প্ৰদীপ নাৰায়ণ ভট্ট**



**মোহনপুৰ** গাঁৱৰ বলিৰাম দাস এগৰাকী আদৰ্শবান কৃষক। তেওঁ সহজ-সৰল আৰু জটিলতা ভাল নোপোৱা ব্যক্তি। বলিৰামৰ ঘৈণীয়েক দীপাও ধৰ্মপৰায়ণা পতিব্ৰতা নাৰী। তেওঁ মাতৃ হিচাপেও যোগ্য। বলিৰাম আৰু দীপাৰ পৰিয়ালত অজস্ৰ ধন-সম্পদ নাই। অভাৱ-অনাটনে কোঙা কৰা পৰিয়ালটোত বলিৰাম সেই কাৰণেই বহুত দুৰ্বলী। তেওঁ বহুতৰে টান কথা শুনে, কিন্তু কাকো টান কথা নকয়। কাৰণ তেওঁ নিঃকিন আৰ্থিকত দুৰ্বল। তথাপিও বলিৰামে আশা এৰা নাই। তেওঁৰ দৃঢ় বিশ্বাস যে এদিন তেওঁ বিচৰা বল শক্তি ঘূৰাই পাবই। তেওঁ ঘৈণীয়েকক বুজাই দিছে যে সিহঁতে নাখাই-নিপিন্ধি হʼলেও লʼৰা তিনিটাক ডাঙৰ মানুহ কৰিবই। সেই কাৰণে বলিৰামে লাজ নকৰে আৰু ভাল কামৰ বাবে ভয়ো নকৰে। বলিৰামৰ মতে কামত সৰু-বৰ নাই। চৰকাৰৰ বিনামূলীয়া চাউলকেইটাক আশা নকৰি তেওঁ দাইল, তেল, মা-মচলা আদিৰ কথাও চিন্তা কৰে। কিতাপ-পত্ৰ, কাগজ-কলম আদিৰ অভাৱ তেওঁ হʼবলৈ নিদিয়ে। পুতেকহঁতেও দেউতাকৰ দুখ-দৈন্যৰ কথা ভাবে। সিহঁতে প্ৰায়ে মাক-দেউতাকৰ দুখত দুখী, সুখত সুখী হয়। বিচৰা বয়-বস্তু সময়মতে নাপালেও সিহঁতে অসুখ-অশান্তি প্ৰকাশ নকৰে। সেই কাৰণে বলিৰাম বহু ক্ষেত্ৰত সুখী। বলিৰামৰ পত্নী দীপাই পুতেকহঁতক প্ৰায়ে নিজৰ লক্ষ্যত স্থিৰ থাকিবলৈ বুজনি দিয়ে। সেই কাৰণে তিনিওজনে কেতিয়াও সুযোগৰ অপব্যৱহাৰ নকৰে আৰু নিজৰ নিজৰ পাঠ্যপুথিত সুযোগ পালেই গভীৰ মনোযোগ প্ৰদান কৰে। এজন সাধাৰণ খেতিয়কৰ লʼৰা বুলি সিহঁতে কেতিয়াও নাভাবে আৰু সকলোতে প্ৰয়োজনীয় শ্ৰদ্ধা ভক্তিখিনি ব্যৱহাৰ কৰে। চাওতে চাওতে এদিন সিহঁতে নিজৰ নিজৰ যোগ্যতা প্ৰদৰ্শৰ সময় আহিল। বলিৰামৰ ডাঙৰ পুত্ৰ গোপাল কৃষ্ণই এজন যোগ্য চিকিৎসক হৈ গাঁওখনত পদাৰ্পণ কৰিলে। দুবছৰ পাছত মাজু পুত্ৰ মৃণ্ময়ে গাঁৱৰ প্ৰথমজন এ চি এছ বিষয়া হৈ গৌৰৱ কঢ়িয়াই আনিলে আৰু সৰু পুত্ৰ কৃপা সিন্ধুই অতি কম দিনৰ ভিতৰত এগৰাকী যোগ্য অধ্যাপক ৰূপত গাঁৱত চিনাকি দিবলৈ সমৰ্থ হʼল। আজি বলিৰামৰ পৰিয়ালত তিনি পুত্ৰই উজ্জ্বল নক্ষত্ৰ ৰূপত আবিৰ্ভাৱ হৈ দুখীয়া গাঁওখনত সুনাম কঢ়িয়াই আনিবলৈ সমৰ্থ হʼল। গাঁওবাসীয়ে বলিৰাম আৰু দীপাক গাঁৱৰ শ্ৰেষ্ঠ পিতৃ-মাতৃৰ সন্মান যাঁচিলে। সভাৰ উপস্থিত গাঁওবাসীক বলিৰামে তেওঁৰ চমু ভাষণত কেইটামান বৰ গুৰুত্বপূৰ্ণ কথা কʼলে। তেওঁ কʼলে, 'মই ধন-টকা-পইচাত বহুত গৰীব। প্ৰয়োজনত মই কাৰোবাক এশ টকা এটা দিওঁ সহায় কৰিব নোৱাৰো। বহুতৰ মনত মই বৰ দুৰ্বল, নিঃকিন আৰু অসহায়। বহুতে মোক সহায় বিচাৰি গʼলে কঠুৱা মাত মাতে আৰু টান কথা কয়। মই প্ৰতিবাদ নকৰো। মোৰ তিনিওজন পুত্ৰ মোৰ বাবে শ্ৰেষ্ঠ সম্পাদ আৰু সিহঁত মোৰ বাবে সাহস আৰু বল। সিহঁতক লৈ মই গৌৰৱ কৰো। তেতিয়া মই মনত প্ৰচুৰ বল পাওঁ। আজি সিহঁতে মোৰ মান ৰাখিলে। মোৰ দুৰ্বল দেহ-মনত বল প্ৰদান কৰিলে। সিহঁতৰ বলত মই বলি হʼলো।' সঁচাই লোকে নিজৰ টকা-পইচা, ধন-সম্পদক লৈ গৌৰৱ কৰাটো কোনো সাৰ্থকতাৰ পৰিচায়ক নহয়। পিতৃ-মাতৃ, সমাজ, অভিভাৱক আদিৰ বাবে সঁচা গৌৰৱ হʼল সিহঁতৰ সন্তান, সিহঁতৰ লʼৰা-ছোৱালীবোৰহে। সিহঁতৰ উপযুক্ততাইহে সমাজ এখন উন্নত আৰু চহকী কৰে। সিহঁতৰ বলেহে সমাজৰ বল, পৰিয়ালৰ বল।



*কৃতাক্ষী শৰ্মা, ব্লু বিল স্কুল, প্ৰথম শ্ৰেণী।*

# আজিৰে পৰা ভাৰত-অষ্ট্ৰেলিয়া মহিলাৰ দিবা-নৈশ টেষ্ট

**কেনবেৰা, ২৯ ছেপ্টেম্বৰ ঃ** অষ্ট্ৰেলিয়া ভ্ৰমণলৈ যোৱা ভাৰতীয় মহিলা ক্ৰিকেট দল কাইলৈ এক ঐতিহাসিক ঘটনাৰ সাক্ষী হ'ব। উল্লেখ্য যে কাইলৈৰ পৰা ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মহিলা ক্ৰিকেট দলৰ মাজত অনুষ্ঠিত হ'ব দিবা-নৈশ টেষ্ট মেচ। প্ৰথমবাৰৰ বাবে গোলাপী বলৰে খেলিব ভাৰতীয় মহিলা ক্ৰিকেট দলে। উল্লেখ্য যে চলিত অষ্ট্ৰেলিয়া ভ্ৰমণত ভাৰতীয় মহিলা ক্ৰিকেট দলে এখনে টেষ্ট খেলিব আৰু সেয়া দিবা-নৈশ। মিতালী ৰাজে নেতৃত্ব দিব লগা ভাৰতীয় মহিলা ক্ৰিকেট দলৰ বাবে এয়া ঐতিহাসিক ঘটনা। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দল সদ্য সমাপ্ত তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথম দুখন এদিনীয়া মেচত পৰাস্ত হৈ শৃংখলা হেৰুৱাইছিল যদিও তৃতীয় তথা অন্তিমখন মেচত দুই উইকেটত জয়ী হৈ আত্মবিশ্বাস ঘুৰাই আনিছে। উল্লেখ্য যে পোনতে বেটিং কৰা অষ্ট্ৰেলিয়া মহিলা ক্ৰিকেট দলে ন উইকেটত 264 ৰাণ কৰে। গাৰ্ডিনাৰে 67 আৰু ম'নীয়ে 52 ৰাণ কৰাৰ বিপৰীতে ভাৰতৰ হৈ ঝুলন গোস্বামী আৰু পূজাই তিনিটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত ভাৰতীয় মহিলা ক্ৰিকেট দলে তিনিটা বল বাকী থাকোতেই আঠ উইকেটত 266 ৰাণ কৰি জয় অৰ্জন কৰে। শ্বেফালী বাৰ্মাই 56, য়াষ্টিকাই 64, দিপ্তী শৰ্মাই 31 আৰু স্নেহে 30 ৰাণ কৰে। উল্লেখ্য যে এই মেচ ভাৰতীয় মহিলা দলৰ বাবে সন্মান ৰক্ষাৰ খেল আছিল। জয়লাভ অৰ্জন কৰি প্ৰথম দিবা-নৈশ টেষ্ট আৰু টি-20 ৰ বাবে মানসিক শক্তি লাভ কৰিছে ভাৰতীয় মহিলা দলে। উল্লেখ্য যে তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথম দুখন মেচত ভাৰতীয় মহিলা দল পৰাস্ত হৈছিল। অষ্ট্ৰেলিয়া মহিলা ক্ৰিকেট দলে দ্বিতীয় মেচত পাঁচ উইকেটত ভাৰতক পৰাস্ত কৰি 2-0 ৰ অগ্ৰগতিৰে শৃংখলা জয় নিশ্চিত কৰিছিল। মেচখনত পোনতে বেটিং কৰা ভাৰতে সাত উইকেট 274 ৰাণ কৰে। দলৰ স্মৃতি মান্ধানাই 86 ৰাণ আৰু ৰিছাই 44 ৰাণ কৰে। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়া মহিলা ক্ৰিকেট দলে 52 ৰাণত চাৰিটা উইকেট হেৰুওৱাৰ পাছতো ম'নীৰ (125 ৰাণ) অপৰাজিত শতক তথা মেগ্ৰাৰ 74 ৰাণৰ সহায়ত পাঁচ উইকেটত 275 ৰাণ কৰি মেচত জয়লাভ অৰ্জন কৰে লগতে শৃংখলা দখল নিশ্চিত কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰথমখন এদিনীয়া মেচত ন উইকেটত জয়ী হৈছিল অষ্ট্ৰেলিয়া মহিলা ক্ৰিকেট দল। প্ৰথম মেচত পোনতে বেটিং কৰা ভাৰতীয় দলে নিৰ্ধাৰিত অভাৰত আঠ উইকেট হেৰুৱাই সংগ্ৰহ কৰিছিল 225 ৰাণ। দলৰ হৈ সৰ্বাধিক 63 ৰাণ কৰে অধিনায়িকা মিতালী ৰাজে। প্ৰত্যুত্তৰত, 226 ৰাণৰ বিজয়লক্ষ্য ঘৰুৱা দলে 41 অভাৰত পূৰ্ণ কৰে এক উইকেট হেৰুৱায়। অষ্ট্ৰেলিয়া মহিলা দলে 2-1 ত শৃংখলা দখল কৰিছে। এতিয়া দৃষ্টি থাকিব দিবা-নৈশ টেষ্টত।





## বিশ্বৰ প্ৰথম ক্ৰিকেটাৰ টি-২০ ত তিনিশ উইকেট,১০ হেজাৰ ৰাণ প'লাৰ্ডৰ

**ডুবাই, ২৯ ছেপ্টেম্বৰ ঃ** ৱেষ্ট ইণ্ডিজৰ ক্ৰিকেটাৰ কাইৰণ প'লাৰ্ডে বিশ্বৰ প্ৰথম খেলুৱৈ হিচাপে টি-20 ক্ৰিকেটত তিনিশ উইকেট আৰু 10 হেজাৰ ৰাণ কৰাৰ গৌৰৱময় সফলতা লাভ কৰিছে। চলিত আই পি এলৰ যোৱানিশাৰ মুম্বাই ইণ্ডিয়ানছ আৰুপঞ্জাছ কিংছৰ মেচত এই সফলতা লাভ কৰে ৱেষ্ট ইণ্ডিজৰ ক্ৰিকেটাৰ কাইৰণ প'লাৰ্ডে। উল্লেখ্য যে মুম্বাই ইণ্ডিয়ানছৰ অলৰাউণ্ডাৰ প'লাৰ্ডে যোৱানিশাৰ মেচখনত পঞ্জাছ কিংছৰ ক্ৰিছ গেইল আৰু লোকেছ ৰাহুলৰ উইকেট দখল কৰি তিনিশটা উইকেট লাভ কৰে। ইয়াৰপূৰ্বে তেওঁ টি-20 ক্ৰিকেটত 10 হেজাৰ ৰাণ পূৰ্ণ কৰিছিল। উল্লেখ্য যে চলিত আই পি এলত ক্ৰমাগত তৃতীয় পৰাজয়ৰ সন্মুখীন হোৱাৰ পাছত বিগত বৰ্ষৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ দলে যোৱানিশাৰ মেচত পঞ্জাছ কিংছক ছয় উইকেটত পৰাস্ত কৰি এতিয়াও প্লে-অফৰ আশা সজীৱ কৰি ৰাখিছে। উল্লেখ্য যে মেচত পোনতে বেটিং কৰি পঞ্জাছ কিংছ দলে ছয় উইকেটত 135 ৰাণ কৰে। দলৰ হৈ মাৰ্কৰামে 42, হুদাই 28 আৰু ৰাহুলে 21 ৰাণ কৰে। প্ৰত্যুত্তৰত, মুম্বাই দলে এক অভাৰ বাকী থকাত চাৰি উইকেটত 137 ৰাণ কৰি গুৰুত্বপূৰ্ণ জয় অৰ্জন কৰে। দলৰ হৈ সৌৰভ তিৱাৰীয়ে 45, হাৰ্দিক পাণ্ডিয়াই 40 আৰু ডিক'কে 27 ৰাণ কৰে।

## চেম্পিয়নছ লীগত এ চি মিলান পৰাস্ত, ইণ্টাৰৰ ড্ৰ

**ৰোম, ২৯ ছেপ্টেম্বৰ ঃ** চেম্পিয়নছ লীগৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত ইটালীৰ ক্লাব এ চি মিলান পৰাস্ত হোৱাৰ বিপৰীতে ড্ৰ খেলে ইণ্টাৰ মিলানে। উল্লেখ্য যে এথলেটিকো মাদ্ৰিদৰ হাতত অন্তিম ক্ষণত পেনাল্টি গ'ল হজম কৰি 2-1 গ'লৰ ব্যৱধানত পৰাস্ত হয় এ চি মিলান। মেচত প্ৰথমে এ চি মিলানে গ'ল কৰিছিল যদিও 29 মিনিটৰ পৰা দলে 10 জনৰে খেলে আৰু 84 মিনিটলৈ আগবাঢ়ি থাকে। কিন্তু গ্ৰীজমান আৰু ছুৱাৰেজে গ'ল কৰি বিজয় দিয়ে এথলেটিকো মাদ্ৰিদক। চেম্পিয়নছ লীগত এয়া এ চি মিলানৰ দ্বিতীয় পৰাজয়। উল্লেখ্য যে ইটালীৰ ক্লাব এ চি মিলানে আত্মঘাটী গ'ল হজম কৰাৰ বাবেই ইংলিছ ক্লাব লিভাৰপুলৰ হাতত প্ৰথমখন মেচত 3-2 গ'লত পৰাস্ত হৈছিল। ইফালে, চেম্পিয়নছ লীগৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত ইণ্টাৰ মিলানে গ'লশূণ্য ড্ৰ খেলে ছাখতাৰৰ লগত। প্ৰথম মেচত স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল ইণ্টাৰ মিলানক। উল্লেখ্য যে ইটালিয়ান ফুটবল লীগৰ অন্তিম মেচত এ চি মিলানে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেজয়াক। কিন্তু আন এখন মেচত ইণ্টাৰ মিলানে 2-2 গ'লত ড্ৰ খেলিছিল আটলাণ্টাৰ লগত। উল্লেখ্য যে অন্তিম মেচত জুভেণ্টাজৰ লগত 1-1 গ'লত ড্ৰ খেলিছিল এ চি মিলানে। ইয়াৰপূৰ্বে এ চি মিলানে 2-0 গ'লত পৰাস্ত কৰিছিল ভেনেজিয়াক।



কাৰাটেত সাতটা পদক লাভ কৰা হোজাইৰ তিনি খেলুৱৈ।

**ফৰাচী ক্লাবৰ হৈ খেলি চতুৰ্থ মেচত সফল হ'ল আৰ্জেণ্টিনাৰ তাৰকা**

## অপেক্ষাৰ অন্ত, মেছিৰ গ'ল-পি এছ জিৰ জয়

**পেৰিছ, ২৯ ছেপ্টেম্বৰ ঃ** পি এছ জিৰ অনুৰাগীৰ অপেক্ষাৰ অন্ত পৰিল। চাৰিখন মেচ খেলাৰ পাছত পি এছ জিৰ নৱতাৰকা আৰ্জেণ্টিনাৰ লিয়নেল মেছিয়ে গ'ল কৰিবলৈ সক্ষম হ'ল। চেম্পিয়নছ লীগৰ যোৱানিশাৰ মেচত পি এছ জিয়ে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ চিটীক। মেচখনত দলৰ হৈ দ্বিতীয়টো গ'ল কৰে মেছিয়ে (74 মিনিট)। উল্লেখ্য যে চলিত ফৰাচী লীগ ফুটবলত পি এছ জি ক্ৰমাগত অষ্টম মেচত জয়ী হৈ অপৰাজেয় ধাৰা অব্যাহত ৰাখিছে। পি এছ জিয়ে আঠ খন মেচত 24 পইণ্ট লাভ কৰি শীৰ্ষ স্থানো অক্ষুন্ন ৰাখিছে। উল্লেখ্য যে পি এছ জিৰ হৈ অন্তিম দুখন মেচত অংশ লোৱা নাছিল দলৰ তাৰকা আৰ্জেণ্টিনাৰ লিয়নেল মেছিয়ে। উল্লেখ্য যে আঘাতৰ বাবে চিকিৎসকৰ পৰামৰ্শ অনুসৰি খেলপথাৰৰ পৰা আঁতৰি আছিল মেছি। কিন্তু যোৱানিশা সফল প্ৰত্যাৱৰ্তন কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে পি এছ জিয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল মেটজক। দলৰ হৈ গ'ল দুটা দিয়ে হাকিমিয়ে। উল্লেখ্য যে ফৰাচী লীগত পূৰ্বৰ মেচত পি এছ জিয়ে খেলিছিল লিয়নৰ বিৰুদ্ধে। এই মেচতে আঘাত পাই মেছিয়ে। সেয়ে দ্বিতীয়াৰ্ধত খেলপথাৰ ত্যাগ কৰিছিল আৰ্জেণ্টিনাৰ তাৰকাগৰাকীয়ে। স্মৰ্তব্য যে বাৰ্চিলোনাৰ পৰা আহি ফ্ৰান্সৰ ক্লাবত যোগ দিয়া মেছিয়ে পি এছ জিৰ হৈ তিনিখন মেচ খেলাৰ পাছতো গ'ল কৰাত ব্যৰ্থ হৈছিল। ফৰাচী লীগৰ পূৰ্বৰ এখন মেচত পি এছ জিয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল লিয়নক। ইফালে, চেম্পিয়নছ লীগৰ ছিজনৰ প্ৰথমখন মেচত কিন্তু ই পি এলৰ দল মানচেষ্টাৰ চিটীয়ে হেলাৰঙে 6-3 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ফৰাচী ক্লাব লেইপজিগক। কিন্তু নেইমাৰ, মেছি আৰু এমবাপ্পে থকাৰ পাছতো যোৱা মেচত পি এছ জিয়ে 1-1 গ'লত ড্ৰ খেলিবলৈ বাধ্য হৈছিল ক্লাব ব্ৰুগেছৰ লগত।



## এথলেটিকোৰ জয়, ৰিয়াল পৰাস্ত



**মাদ্ৰিদ, ২৯ ছেপ্টেম্বৰ ঃ** চেম্পিয়নছ লীগৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত স্পেইনৰ ক্লাব এথলেটিকো মাদ্ৰিদ জয়ী হোৱাৰ বিপৰীতে পৰাস্ত হয় ৰিয়াল মাদ্ৰিদ। উল্লেখ্য যে এথলেটিকো মাদ্ৰিদৰ হাতত অন্তিম ক্ষণত পেনাল্টি গ'ল হজম কৰি 2-1 গ'লৰ ব্যৱধানত পৰাস্ত হয় এ চি মিলান। মেচত প্ৰথমে এ চি মিলানে গ'ল কৰিছিল যদিও 29 মিনিটৰ পৰা দলে 10 জনৰে খেলে আৰু 84 মিনিটলৈ আগবাঢ়ি থাকে। কিন্তু গ্ৰীজমান আৰু ছুৱাৰেজে গ'ল কৰি বিজয় দিয়ে এথলেটিকো মাদ্ৰিদক। চেম্পিয়নছ লীগৰ প্ৰথম মেচত এথলেটিকো মাদ্ৰিদে গ'লশূন্য ড্ৰ খেলিছিল এফ চি প'ৰ্টোৰ বিৰুদ্ধে। কিন্তু চেম্পিয়নছ লীগৰ প্ৰথম মেচত স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদে একমাত্ৰ গ'লত ইণ্টাৰ মিলানক হৰুৱাই সুন্দৰ আৰম্ভণি কৰিছিল যদিও যোৱানিশা অপ্ৰত্যাসিত 1-2 গ'লৰ ব্যৱধানত পৰাস্ত হয় টিৰাছপ'লৰ বিৰুদ্ধে। উল্লেখ্য যে চলিত লা-লিগাৰ অন্তিম মেচত বিগত বৰ্ষৰ চেম্পিয়ন ৰিয়াল মাদ্ৰিদে গ'লশূণ্য ড্ৰ খেলিছিল ভিল্লাৰিয়ালৰ লগত। আনহাতে, এলাভেজৰ বিৰুদ্ধে 1-0 গ'লৰ ব্যৱধানত পৰাস্ত হয় এথলেটিকো মাদ্ৰিদ। উল্লেখ্য যে পূৰ্বৰ মেচত ৰিয়াল মাদ্ৰিদে 6-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল মাল'ৰ্কাক। দলৰ হৈ হেট্ৰিক অৰ্জন কৰিছিল মাৰ্কো এছেনছিঅ'ই (24, 29, 55 মিনিট)। আনহাতে, কৰিম বেনজেমাই (3, 78 মিনিট) দুটা গ'ল কৰে। ৰিয়ালে সাত খন মেচৰ পৰা 17 পইণ্ট লাভ কৰি শীৰ্ষত উপনীত হৈছে। আনহাতে, সাত খন মেচৰ পৰা 14 পইণ্ট লাভ কৰি দ্বিতীয়ত আছে এথলেটিকো মাদ্ৰিদ।

**এ' ডিভিজন লীগ**

## ফাইনেলত জংগলী ক্লাব-সত্যকাম সংঘ

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ২৯ ছেপ্টেম্বৰ ঃ** ৰঙিয়া ক্ৰীড়া সন্থাৰ 'এ' ডিভিজন ফুটবলৰ ফাইনেল অনুষ্ঠিত হ'ব জংগলী ক্লাব আৰু সত্যকাম সংঘৰ মাজত। ছেমিফাইনেলত জংগলী ক্লাবে টাইব্ৰেকাৰত 4-3 গ'লত ট্ৰাইবেল সংঘক পৰাস্ত কৰে। নিৰ্ধাৰিত সময়ত মেচখন 1-1 গ'লত ড্ৰ হৈছিল। ইফালে, আনখন ছেমিফাইনেলত সত্যকাম সংঘই টাইব্ৰেকাৰত 5-4 গ'লত পৰাস্ত কৰে ৰঙিয়া টাউন ক্লাবক। নিৰ্ধাৰিত সময়ত মেচখন 2-2 গ'লত ড্ৰ হৈছিল।

## ব্যৰ্থতাৰ হেট্ৰিকৰ পাছত আশাৰ জয় মুম্বাই ইণ্ডিয়ানছৰ

**ডুবাই, ২৯ ছেপ্টেম্বৰ ঃ** চলিত আই পি এলত ক্ৰমাগত তৃতীয় পৰাজয়ৰ সন্মুখীন হোৱাৰ পাছত বিগত বৰ্ষৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ দলে যোৱানিশাৰ মেচত পঞ্জাছ কিংছক ছয় উইকেটত পৰাস্ত কৰি এতিয়াও প্লে-অফৰ আশা সজীৱ কৰি ৰাখিছে। উল্লেখ্য যে মেচত পোনতে বেটিং কৰি পঞ্জাছ কিংছ দলে ছয় উইকেটত 135 ৰাণ কৰে। দলৰ হৈ মাৰ্কৰামে 42, হুদাই 28 আৰু ৰাহুলে 21 ৰাণ কৰে। প্ৰত্যুত্তৰত, মুম্বাই দলে এক অভাৰ বাকী থকাত চাৰি উইকেটত 137 ৰাণ কৰি গুৰুত্বপূৰ্ণ জয় অৰ্জন কৰে। দলৰ হৈ সৌৰভ তিৱাৰীয়ে 45, হাৰ্দিক পাণ্ডিয়াই 40 আৰু ডিক'কে 27 ৰাণ কৰে। উল্লেখ্য যে মুম্বাই ইণ্ডিয়ানছ দলে যোৱা মেচত 54 ৰাণত পৰাস্ত হৈছিল আৰ চি বিৰ বিৰুদ্ধে। মেচখনত পোনতে বেটিং কৰি আৰ চি বিয়ে বিৰাট কোহলিৰ 51, মেক্সৱেলৰ 56 আৰু শ্ৰীকৰ ভৰতৰ 32 ৰাণৰে ছয় উইকেটত 165 ৰাণ কৰে। বুমৰাহে তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত, মুম্বাই দলে 18.1 অভাৰত 111 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ৰোহিত শৰ্মা (43] আৰু ডিক'কৰ (24] বেটিঙৰে দলে সুন্দৰ আৰম্ভনি কৰাৰ পাছতো 32 ৰাণত পৰবৰ্তী নটা উইকেট হেৰুৱাই মুম্বাই দলে। আৰ চি বিৰ হাৰ্চল পেটেলে চাৰিটা আৰু চাহলে তিনিটা উইকেট পায়। ইয়াৰপূৰ্বে চেন্নাই ছুপাৰ কিংছ দলৰ বিৰুদ্ধে 20 ৰাণত পৰাস্ত হৈছিল মুম্বাই ইণ্ডিয়ানছ। পোনতে বেটিং কৰা চেন্নাই ছুপাৰ কিংছ দলে 20 অভাৰত ছয় উইকেট হেৰুৱাই সংগ্ৰহ কৰে 156 ৰাণ। প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে জয়ৰ বাবে 157 ৰাণ অনুসৰণ কৰি গৈ 20 অভাৰত আঠ উইকেটত 136 ৰাণ কৰে। আনহাতে, কলকাতা নাইট ৰাইডাৰ্ছ দলে [159-7 ৰাণ) সাত উইকেটত পৰাস্ত কৰিছিল মুম্বাই ইণ্ডিয়ানক (155-6 ৰাণ)।



## আঠ অক্টোবৰৰ পৰা যোৰহাটত সদৌ অসম আন্তঃজিলা টেনিছ প্ৰতিযোগিতা

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** অসম টেনিছ সন্থাই অহা আঠৰ পৰা 10 অক্টোবৰলৈ যোৰহাটত আয়োজন কৰিব সদৌ অসম আন্তঃজিলা টেনিছ প্ৰতিযোগিতা। উল্লেখ্য যে অসম টেনিছ সন্থাৰ সহযোগত যোৰহাট টেনিছ ক্লাবে 27 সংখ্যক সদৌ অসম আন্তঃজিলা টেনিছ প্ৰতিযোগিতাখন আয়োজন কৰিব। তিনিদিনীয়া প্ৰতিযোগিতাত 14 আৰু 18 বছৰ অনূৰ্ধ শাখাৰ ল'ৰা-ছোৱালীৰ দলীয় শাখা তথা পুৰুষ-মহিলাৰ দলীয় শাখাৰ মেচ অনুষ্ঠিত হ'ব। অহা চাৰি অক্টোবৰৰ পূৰ্বে জিলাসমূহে নিজৰ অংশগ্ৰহণ নিশ্চিত কৰিব লাগিব বুলি অবগত কৰিছে যোৰহাট টেনিছ ক্লাবে। উল্লেখ্য যে কৰ'নাৰ সময়তে সৰ্বভাৰতীয় টেনিছ ফেডাৰেছনে এইবাৰ অসমত দুখনকৈ আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা (14 বছৰ অনূৰ্ধ আৰু 16 বছৰ অনূৰ্ধ) আয়োজনৰ দায়িত্ব দিছিল অসম টেনিছ সন্থাক। ৰাজ্যিক সন্থাটোৱে দুয়োখন ৰাষ্ট্ৰীয় প্ৰতিযোগিতা অইল ইণ্ডিয়া লিমিটেডৰ সহায়ত সুকলমে কৰ'নাৰ নীতি-নিৰ্দেশনা মানি চলি আয়োজন কৰি প্ৰত্যাসিত সফলতা লাভ কৰিছে। উল্লেখ্য যে কৰ'না ত্ৰাসৰ পাছত প্ৰথমবাৰৰ বাবে অসমত অনুষ্ঠিত হ'ল কোনো ৰাষ্ট্ৰীয় প্ৰতিযোগিতা। স্বাভাৱিকতে এয়া অসম টেনিছ সন্থাৰ সফলতা আৰু দৃঢ়তা। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই আন্তঃজিলা প্ৰতিযোগিতাও সুকলমে আয়োজন কৰিব বুলি কয়।

## পৰাজয়ৰ পাছতো শীৰ্ষ চাৰিত কিংছ

**ডুবাই, ২৯ ছেপ্টেম্বৰ ঃ** আই পি এলৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত পঞ্জাৱ কিংছ পৰাজয়ৰ সন্মুখীন হয়। উল্লেখ্য যে বিগত বৰ্ষৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছ দলে পঞ্জাছ কিংছক ছয় উইকেটত পৰাস্ত কৰে। পোনতে বেটিং কৰি পঞ্জাছ কিংছ দলে ছয় উইকেটত 135 ৰাণ কৰিছিল। দলৰ হৈ মাৰ্কৰামে 42, হুদাই 28 আৰু ৰাহুলে 21 ৰাণ কৰে। প্ৰত্যুত্তৰত, মুম্বাই দলে এক অভাৰ বাকী থকাত চাৰি উইকেটত 137 ৰাণ কৰি গুৰুত্বপূৰ্ণ জয় অৰ্জন কৰে। দলৰ হৈ সৌৰভ তিৱাৰীয়ে 45, হাৰ্দিক পাণ্ডিয়াই 40 আৰু ডিক'কে 27 ৰাণ কৰে। উল্লেখ্য যে যোৱা মেচত পঞ্জাছ কিংছ দলে পাঁচ ৰাণত পৰাস্ত কৰিছিল ছানৰাইজাৰ্ছ হায়দৰাবাদক। পোনতে বেটিং কৰা কিংছে সাত উইকেটত সংগ্ৰহ কৰে 125 ৰাণ। দলৰ হৈ মাৰ্কৰামে 27 আৰু লোকেছ ৰাহুলে 21 ৰাণ কৰে। প্ৰত্যুত্তৰত, ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে সাত উইকেটত 120 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ জেছন হ'ল্ডাৰে 47 আৰু ঋদ্ধিমান সাহাই 31 ৰাণ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে এখন ৰোমাঞ্চকৰ মেচত ৰাজস্থান ৰয়েলছে দুই ৰাণত পৰাস্ত কৰিছিল পঞ্জাৱ কিংছক। উল্লেখ্য যে জয়ৰ বাবে অন্তিম অভাৰত পঞ্জাৱ কিংছক প্ৰয়োজন হৈছিল চাৰি ৰাণ। হাতত আছিল আঠটা উইকেট। তথাপি দলে পৰাজয়ৰ সন্মুখীন হয়। ৰাজস্থান ৰয়েলছৰ হৈ অন্তিমটো অভাৰ দিয়া কাৰ্তিক ত্যাগিয়ে এক ৰাণ খৰছ কৰি দুটা উইকেট দখল কৰে আৰু দলক ৰোমাঞ্চকৰ বিজয় দিয়ে। মেচত পোনতে বেটিং কৰা ৰাজস্থান ৰয়েলছ দলে 20 অভাৰত সকলো উইকেট হেৰুৱাই সংগ্ৰহ কৰে 185 ৰাণ। দলৰ হৈ মহিপালে 43 ৰাণ আৰু জয়ছোৱালে 49 ৰাণ কৰে। পঞ্জাৱ কিংছৰ হৈ আকাশদ্বীপে পাঁচটা আৰু মহম্মদ ছামিয়ে দুটা উইকেট পায়। বিজয়ৰ বাবে 186 ৰাণ অনুসৰণ কৰা পঞ্জাৱ কিংছ দলক দুই অপেনাৰ ময়াংক আগৰৱাল (67 ৰাণ) আৰু লোকেছ ৰাহুলে (49 ৰাণ) সুন্দৰ আৰম্ভণি দিয়াৰ পাছত প'ৰান (32 ৰাণ) আৰু মাৰ্কৰামে (26 ৰাণ) জয়ৰ কাষলৈ নিয়ে যদিও অন্তিম অভাৰত কাৰ্তিকৰ বলিঙে দলৰ আশাত চেচাপানী ঢালে। 183-4 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে পঞ্জাৱ দলে। অৱশ্যে পঞ্জাৱ দল এতিয়াও পইণ্ট তালিকাৰ শীৰ্ষ চাৰিত আছে।





## একপক্ষীয় মেচত জয়লাভ লিভাৰপুলৰ, চিটীৰ পৰাজয়

**লণ্ডন, ২৯ ছেপ্টেম্বৰ ঃ** চেম্পিয়নছ লীগৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত মানচেষ্টাৰ চিটী পৰাস্ত হয় যদিও লিভাৰপুলে সহজ জয় অৰ্জন কৰিছে। এখন একপক্ষীয় মেচত চেম্পিয়নছ লীগৰ পূৰ্বৰ চেম্পিয়ন লিভাৰপুলে 5-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে এফ চি প'ৰ্টোক। দলৰ হৈ মহম্মদ ছালাহ আৰু ফাৰ্মিনোই দুটাকৈ তথা মানে এটা গ'ল কৰে। চলিত চেম্পিয়নছ লীগত এয়া ইংলণ্ডৰ ক্লাব লিভাৰপুলৰ ক্ৰমাগত দ্বিতীয় বিজয়। উল্লেখ্য যে ইটালীৰ ক্লাব এ চি মিলানে আত্মঘাটী গ'ল হজম কৰাৰ বাবেই ইংলিছ ক্লাব লিভাৰপুলে নিজৰ প্ৰথমখন মেচত 3-2 গ'লত জয়লাভ কৰিছিল। ইফালে, চেম্পিয়নছ লীগৰ যোৱানিশাৰ মেচত পি এছ জিয়ে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ চিটীক। ছিজনৰ প্ৰথমখন মেচত কিন্তু ই পি এলৰ দল মানচেষ্টাৰ চিটীয়ে হেলাৰঙে 6-3 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ফৰাচী ক্লাব লেইপজিগক।

## গুৱাহাটী টেনিছ দল ঘোষণা

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** অহা আঠৰ পৰা 10 অক্টোবৰলৈ যোৰহাটত অনুষ্ঠিত হ'ব সদৌ অসম আন্তঃজিলা টেনিছ প্ৰতিযোগিতা। তিনিদিনীয়া প্ৰতিযোগিতাত 14 আৰু 18 বছৰ অনূৰ্ধ শাখাৰ ল'ৰা-ছোৱালীৰ দলীয় শাখা তথা পুৰুষ-মহিলাৰ দলীয় শাখাৰ মেচ অনুষ্ঠিত হ'ব। উক্ত প্ৰতিযোগিতাৰ বাবে গুৱাহাটী দলটো ঘোষণা কৰা হৈছে। ঘোষিত দলটো হ'ল ঃ 14 বছৰ অনূৰ্ধ শাখাৰ ল'ৰাৰ 'এ' ঃ ৰিয়ান কাশ্যপ, আলমাছ ইবন আহমেদ, প্ৰাচুৰ্য বৰা, পাৰ্থিৱ কলিতা, 'বি' ঃ বৰ্ণিল বিহান বৰা, আয়ান শৰ্মা, অভিলাষ বৰ্মন, ৰৌণক কাশ্যপ। 18 বছৰ অনূৰ্ধ শাখাৰ ল'ৰা ঃ কৃতান্ত শৰ্মা, জিজ্ঞাসমান হাজৰিকা, হৰ্যদ বৰা আৰু বেদ আদিত্য কলিতা। পুৰুষ 'এ' ঃ অম্লানজ্যোতি বৰুৱা, অঞ্চিত গগৈ, শিৱ কুমাৰ প্ৰজাপতি, প্ৰিয়ানুজ দত্ত লহকৰ, 'বি' ঃ উদয়জ্যোতি দাস, শুভম কুমাৰ পাত্ৰ আৰু আদিত্য প্ৰতিম ভাগৱতী। ইফালে ছোৱালীৰ 14 বছৰ অনূৰ্ধ শাখাৰ 'এ' ঃ বিষ্ণুপ্ৰিয়া বৰগোহাঁই, উৰ্ছিতা পাঠক, অৰ্ণবী দেৱনাথ, ৰোছনী ভৰদ্বাজ, 'বি' ঃ নিকিতা কান্দ, অংকিতা শুক্লা, নয়ীম হুছেইন, শিৱালী গগৈ। 18 বছৰ অনূৰ্ধ শাখাৰ ছোৱালী 'এ' ঃ নম্ৰতা দাস, জাষ্টিনা বৰগোহাঁই, নয়নিকা ডেকা, তানিষ্কা পাতৰ। 'বি' ঃ তানিয়া কুমাৰী, অনন্যা বৰঠাকুৰ, ৰুদ্ৰাণী বেনাৰ্জী আৰু কত্যায়ানী বশিষ্ঠ।



দিবা-নৈশ ভলীবলত চেম্পিয়ন ট্ৰফী লাভ কৰা কৰ্দৈগুৰী ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ খেলুৱৈসকল।

দৈনিক অগ্ৰদূত

Regn No. RNP/GH-085/2021-2023



## বিলাসনন্দন চ'ৰা



# লাইক, শ্বেয়াৰ এণ্ড কমেণ্ট

ঃ অ'ই মইনা, পূজাৰ পাছতে তহঁত যাব লাগিব।
ঃ ক'লৈ?
ঃ স্কুললৈ।
ঃ সেইটো আকৌ কি বস্তু মা?

**বেছিভাগ** ঘৰতে বেছিভাগ ল'ৰা-ছোৱালীৰে এইটোৰে ৰিয়েকছন। ক্লাছ টেন-ইলেভেন বা টুৱেলভ্‌ৰ ষ্টুডেণ্টবোৰ বাৰু অলপ জনা-বুজা, বিদ্যা-বুদ্ধি থকা। তেওঁলোকে কি অনলাইন, কি অফলাইন ভালকৈ বুজি পায়। কিন্তু সৰুবোৰেতো এইবোৰৰ বৰ এটা তলা-মুধা পোৱা নাই। সিহঁতে এইকেইটা দিনত কেৱল এটা কথাই শিকিছে যে সদায় ম'বাইল চাই চাই পঢ়িব লাগে। আগতে কিতাপ মেলি মেলি পঢ়িব লাগিছিল; কিন্তু কৰ'না মহোদয়ে আহি বুজাই থৈ গ'ল যে এইবোৰ ভুল কথা। কিতাপ মেলি পঢ়িব নালাগে। পঢ়িব লাগে সদায় ম'বাইল চাই চাই। আগতে মাক-বাপেকে লোকৰ আগত কমপ্লেইন কৰিছিল— 'নাইহে, আমাৰ ল'ৰা-ছোৱালীয়ে একেবাৰে নপঢ়ে। অনবৰতে ম'বাইল চাই থাকে।' কৰ'না মহাশয়ৰ পৰা ট্ৰেইনিং লোৱাৰ পাছত সেই মাক-বাপেকেই এতিয়া কৌশলী অহংকাৰ প্ৰদৰ্শন কৰি কয়— 'ল'ৰা-ছোৱালীকেইটাই একেবাৰে সময় নোপোৱা হৈছে জানেনে? ম'বাইলৰ আগৰ পৰা উঠিবলৈ আজৰিয়ে নাপায়।' সৌসিদিনালৈকে সকলোৰে ম'বাইল চাইছিল বা শুনিছিল। কিন্তু কৰ'না মহাশয়ে বুজাই দিলে যে কনচেপ্টটো ভুল। ম'বাইল নাচায় বা নুশুনে। ম'বাইল পঢ়িবহে পাৰি। এইকেইটা দিন ম'বাইল পঢ়ি পঢ়ি ল'ৰা-ছোৱালীবোৰৰ জীৱনৰ লক্ষ্য-উদ্দেশ্যলৈও বহু ফড়ক আহি পৰিছে। যিবোৰে সৌসিদিনালৈকে কৈ আছিল যে ডাঙৰ হৈ ডাক্তৰ হ'ম বা ইঞ্জিনীয়াৰ হ'ম, সিহঁতৰ বেছিভাগে এতিয়া ক'বলৈ লৈছে— ডাঙৰ হৈ ইউ টিউবাৰ হ'ম বা ব্লগাৰ হ'ম। যিবোৰে সৌসিদিনালৈ নিজৰ কেৰিয়াৰটো কেনেকৈ হেণ্ডেল কৰিব পাৰি, তাকে লৈ




মূৰ ঘমাই আছিল, সিহঁতে এতিয়া মাথা মাৰিছে টুইটাৰ একাউণ্ট কেনেকৈ হেণ্ডেল কৰিব পৰা যায়। কোনোবাই যদি ডাঙৰ হৈ ষ্টৰীবুক লিখি চেতন ভগত হ'ম বুলি ভাবিছিল, সেইবোৰ ধান্দা এৰি এতিয়া সিহঁতে ফেচবুক কৰাত ব্যস্ত হৈ পৰিছে। কিমান গ্ৰামত এক কিলোগ্ৰাম, সেইবোৰ অংকক দূৰতে বিদূৰ কৰি কনচেনট্ৰেট কৰিছে কেৱল ইনষ্টাগ্ৰামত। কিতাপ পঢ়ি যিমান ডাঙৰ মানুহ হ'ব পাৰি, দুখনমান ফটো আপলোড দি যে নিমিষতে তাৰ তিনিগুণ ডাঙৰ মানুহ হ'ব পাৰি সেই কথা সিহঁতে শিকি গৈছে। আগতে গান্ধীৰ তিনিটা বান্দৰে কোৱা কথা ক্ৰমে বেয়া নুশুনিবা, বেয়া নাচাবা আৰু বেয়া নক'বাকে সাৰোগত কৰি ল'ৰা-ছোৱালীবোৰ আগবাঢ়িছিল। এতিয়া ল'ৰা-ছোৱালীবোৰৰ লাইফক হেণ্ডেল কৰাৰ ফৰ্মূলা চেঞ্জ হৈছে। বৰ্তমানো সিহঁতৰ জীৱনৰ মূল মন্ত্ৰ তিনিটাই। আৰু সেই তিনিটা মন্ত্ৰ হ'ল— লাইক, শ্বেয়াৰ এণ্ড কমেণ্ট। এই তিনিটা ফৰ্মূলাৰ বাহিৰত সিহঁতে কোনো কথাই ভাবিবও নোৱাৰে বা ভাবিব নোখোজেও। আগতে ল'ৰা-ছোৱালীবোৰৰ মাজত কাজিয়া লাগিছিল বেট ধৰিব নিদিয়াক লৈ বা বল কৰিব নিদিয়াক লৈ। কিন্তু এতিয়া ল'ৰা-ছোৱালীবোৰৰ মাজত প্ৰবল সংঘাতৰ সৃষ্টি হয় মূলতঃ লাইক কৰা নকৰাক লৈ। কাৰ মাজত কিমান বন্ধুত্ব আছে, কিমান লিলিমাই আছে বা কিমান চেনিমাই আছে, সেইবোৰ টোটেলী ডিপেণ্ড কৰে লাইক কৰা বা নকৰাক লৈ। আগতে ল'ৰাবোৰে সপোন দেখিছিল— 'মোৰ লাইফত এন্ট্ৰি মৰা ছোৱালীজনী হাইফাই হ'ব লাগিব।' বা ছোৱালীবোৰে কৈছিল— 'হাছবেণ্ডজন হাইফাই হ'বই লাগিব। লাগিলে মই বিয়াই নহওঁ।' কিন্তু কৰ'না মহাশয়ে সিহঁতৰ মগজত আঙুলি থৈ বুজাই দিছে— 'হেৰৌ, হাইফাই নালাগে। ৱাইফাই থাকিলে হ'ল। ৱাইফাই থাকিলে আপোনা আপুনি হাইফাই হৈ যাব।'

সেই ল'ৰা-ছোৱালীবোৰক যেতিয়া কোৱা হৈছে যে তহঁতৰ স্কুল খুলিব, সিহঁতে প্ৰশ্ন কৰিবলৈ বাধ্য হৈছে— 'স্কুল! সেইটো আকৌ কি বস্তু?' পাছত যেনিবা বহু ভাবি-চিন্তি সিহঁতে স্কুলৰ স্মৃতি ওভতাই আনি চিঞৰি উঠিছে— 'নাই, মই স্কুল নাযাওঁ। ঘৰতে ক্লাছ কৰিম।' কৰিবইতো! ঘৰত এচিটো চলাই বিছনাত বাগৰি বাগৰি ম'বাইলত লাইক বা শ্বেয়াৰ কৰি জ্ঞান অৰ্জন কৰা যি মজা, সেই মজা স্কুলত ক'ত পোৱা যাব!' সেই ভঙা-ছিগা ৰুম, চলো-নচলোকৈ থকা ফেন, ক্লাছলৈ যাওঁ নাযাওঁকৈ থকা মাষ্টৰ, টিফিনটো এই খাওঁ এই খাওঁকৈ থকা সহপাঠী, সেইবোৰৰ মাজলৈ যাবলৈ কাৰোৰে ইচ্ছা নাই। কিন্তু মাক-বাপেকৰ হেঁচাত স্কুললৈ যাবতো লাগিবই! ল'ৰা-ছোৱালীবোৰে ইটোৱে সিটোৰ লগত খংবোৰ শ্বেয়াৰ কৰি কৰি কমেণ্ট কৰিব ধৰিছেই— 'ছাৰ-মেডামে আহি যিহকে নপঢুৱাওক কিয়, একেবাৰে লাইক নকৰিবি দেই!'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# বিবৃতিৰে জনালে মাৰ্কিন সংবাদপত্ৰই

## 'দ্য নিউ য়ৰ্ক টাইমছ'ৰ নাম ব্যৱহাৰৰে মোদীৰ আমেৰিকা ভ্ৰমণৰ ভুৱা প্ৰচাৰ




**নিউজ ব্যুৰ'**
**নিউ য়ৰ্ক, ২৯ ছেপ্টেম্বৰ ঃ** জ' বাইডেন ৰাষ্ট্ৰপতি হোৱাৰ পাছত প্ৰথমবাৰ আমেৰিকা ভ্ৰমণ কৰি স্বদেশলৈ উভতিল ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। এই ভ্ৰমণত আমেৰিকাৰ ৰাষ্ট্ৰপতি বাইডেন, উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছৰ লগতে দেশৰ কে'বাটাও বৃহৎ প্ৰতিষ্ঠানৰ মুৰব্বীক সাক্ষাৎ কৰাৰ লগতে কোৱাড বৈঠকতো অংশ লৈছিল মোদীয়ে। কৰ'নাৰ সংক্ৰমণৰ মাজতে দীৰ্ঘদিনৰ পাছত ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে কৰা এই বিদেশ যাত্ৰাক লৈ দেশ-বিদেশৰ সংবাদ মাধ্যমেও নানা বাতৰি প্ৰচাৰ কৰিছিল। এই সূত্ৰেই ইণ্টাৰনেটৰ জৰিয়তে বিভিন্ন সামাজিক মাধ্যমত এখন মাৰ্কিন সংবাদপত্ৰৰ প্ৰচ্ছদৰ ছবি বহুলভাৱে প্ৰচাৰিত হৈছিল। এই প্ৰচ্ছদত প্ৰধানমন্ত্ৰী মোদীৰ ছবিসহ প্ৰশস্তিসূচক শিৰোনামা লিখা আছিল। কিন্তু সংবাদপত্ৰৰ নামত সামাজিক মাধ্যমত প্ৰচাৰিত এই ছবি সত্য নহয় বুলি স্পষ্টীকৰণ দিলে আমেৰিকাৰ এখন আগশাৰীৰ সংবাদপত্ৰই। সামাজিক মাধ্যমত মোদীৰ প্ৰশস্তিৰে সংবাদপত্ৰৰ বাতৰিৰ যিখন ছবি বহুলভাৱে প্ৰচাৰিত হৈছিল, সেই সংবাদপত্ৰখন হৈছে আমেৰিকাৰ দৈনিক বাতৰি কাকত, 'দ্য নিউ য়ৰ্ক টাইমছ'। উক্ত সংবাদপত্ৰৰে প্ৰথম পৃষ্ঠাৰ বাতৰিত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ এখন ফটোসহ 'বিশ্বৰ অন্তিম, সৰ্বোৎকৃষ্ট ভৰসাৰ স্থল' বুলি শিৰোনামা দিয়া হৈছিল। আমেৰিকাৰ জনপ্ৰিয় সংবাদপত্ৰত ভাৰতৰ প্ৰধানমন্ত্ৰীক এইদৰে ভূয়সী প্ৰশংসা কৰাত স্বাভাৱিকতে ভাৰততো সামাজিক মাধ্যমৰ জৰিয়তে উক্ত সংবাদপত্ৰৰ এই বাতৰি ভাইৰেল হৈছিল। বিশেষকৈ হোৱাটছএপৰ জৰিয়তে বহুলভাৱে প্ৰচাৰ হৈছিল 'দ্য নিউ য়ৰ্ক টাইমছ'ৰ নামত প্ৰদৰ্শন কৰা এই বাতৰিৰ ছবি। কিন্তু শেহতীয়াভাৱে এই বাতৰি ভুৱা আছিল বুলি তথ্য নিশ্চিত কৰা হৈছে। স্বয়ং 'দ্য নিউ য়ৰ্ক টাইমছ' কাকতৰ কৰ্তৃপক্ষই বিবৃতি প্ৰকাশৰে দাবী কৰা অনুসৰি তেওঁলোকৰ কাকতৰ নাম ব্যৱহাৰ কৰি ভাৰতৰ প্ৰধানমন্ত্ৰী মোদীক লৈ সামাজিক মাধ্যমত এইদৰে ভুৱা প্ৰচাৰ চলোৱা হৈছে। মোদীক লৈ এনে ধৰণৰ কোনো সংবাদ কাকতখনে প্ৰকাশ কৰা নাছিল বুলি জানিবলৈ দিছে। সামাজিক মাধ্যমত মোদীৰ এইখন ছবি ভাইৰেল হোৱাৰ পাছতে সত্যতা পৰীক্ষণ কৰা হৈছিল। সেই সময়তে ধৰা পৰিছিল যে মোদীৰ ছবিসহ প্ৰচাৰিত 'দ্য নিউ য়ৰ্ক টাইমছ'ৰ প্ৰচ্ছদত তাৰিখৰ স্থানত ছেপ্টেম্বৰ বানানটো ভুলকৈ লিখা আছিল। তদুপৰি মোদীৰ যিখন ছবি ব্যৱহাৰ কৰা হৈছিল, সেইখন ছবি তেওঁৰ আমেৰিকা ভ্ৰমণৰ ছবি নাছিল। যোৱা ১২ মাৰ্চত সবৰমতী আশ্ৰমৰ পৰা গুজৰাটত 'আজাদী কী অমৃত মহোৎসৱ' আৰম্ভ কৰাৰ সময়ত লোৱা ফটো আছিল। আশ্ৰম পৰিদৰ্শনৰ পাছত দৰ্শনাৰ্থীৰ মন্তব্যৰ বহীত মোদীয়ে স্বাক্ষৰ কৰাৰ সময়ত এই ফটোখন তোলা হৈছিল। মোদীৰ আমেৰিকা ভ্ৰমণৰ প্ৰসংগত এইদৰে সামাজিক মাধ্যমত মাৰ্কিন সংবাদপত্ৰৰ বাতৰি বুলি ভুৱা বাতৰি প্ৰচাৰ কৰাক লৈ সম্প্ৰতি ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত আছে। একাংশ লোকে এনে কাৰ্যৰ বাবে বিজেপিক গৰিহণা দিয়াৰ লগতে মোদীকো সস্তীয়া প্ৰচাৰলোভী বুলি কঠোৰভাৱে সমালোচনা কৰিছে।

■ ৰাজ্য চৰকাৰে খিলঞ্জীয়াক সংস্থাপন দিয়াত ব্যৰ্থ হৈছে ■ লাইকা-দধিয়াৰ পৰিস্থিতিৰ বুজ ল'লে চি পি আই (এম-এল)ৰ ৰাষ্ট্ৰীয় নেত্ৰী কবিতা কৃষ্ণণে

# বিজেপি চৰকাৰে বিভাজনৰ ৰাজনীতি কৰিছে

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৯ ছেপ্টেম্বৰ ঃ** 'খিলঞ্জীয়া চৰকাৰ বুলি দাবী কৰা বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে খিলঞ্জীয়া মানুহক সংস্থাপনত চূড়ান্তৰূপে ব্যৰ্থ হৈছে। ছিপাঝাৰৰ গৰুখুঁটিত মুছলিম বসতি অঞ্চলৰ বাবে উচ্ছেদ চলোৱা চৰকাৰখনে লাইকা-দধিয়াৰ খিলঞ্জীয়া মানুহক উপেক্ষা কৰিছে, প্ৰতাৰণা কৰিছে। ব্ৰহ্মপুত্ৰৰ মাজত জীৱন মৰণৰ স'তে বছৰ বছৰ ধৰি যুঁজ দি আছে লাইকা-দধিয়াৰ বাসিন্দাসকলে।' এই অভিযোগ বাঁওপন্থী সংগঠন চি পি আই (এম-এল)ৰ পলিটব্যুৰ'ৰ সদস্য কবিতা কৃষ্ণণৰ। আজি বাঁওপন্থী সংগঠনটোৰ এটা প্ৰতিনিধিৰ দলে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গৃহ পঞ্চায়তৰ দধিয়াৰ অভাৱ-অভিযোগৰ বুজ লয়। সংবাদ মাধ্যমৰ আগত সংগঠনটোৰ কেন্দ্ৰীয় নেতা কৃষ্ণণে বিজেপি চৰকাৰে খিলঞ্জীয়া-অখিলঞ্জীয়াৰ নামত ৰাজনীতি কৰি অসমখনক অস্থিৰ কৰিব বিচাৰিছে বুলি অভিযোগ কৰি ছিপাঝাৰৰ গৰুখুঁটিৰ লোকসকল মুছলিম সম্প্ৰদায়ৰ বাবে বাংলাদেশী সজোৱা বুলি অভিযোগ কৰে। ৰাষ্ট্ৰীয় উদ্যানৰ নামত দধিয়াৰ লোকসকলৰ ওপৰতো গুলিচালনা চলোৱা হৈছিল বুলি বাঁওপন্থী নেত্ৰীগৰাকীয়ে কয় যে এইসকল লোকে দধিয়া ত্যাগ কৰিব বিচৰাৰ পাছতো সংস্থাপনৰ ব্যৱস্থা নকৰিলে। সাধাৰণ উপাৰ্জনৰে পৰিয়াল পোহপাল দিয়া দধিয়াৰ লোকসকলৰ মাজত এতিয়া চৰম অনিশ্চয়তা নামি আহিছে। যোৱা পাঁচটা বছৰ ধৰি কৃষি কাৰ্যও কৰিব পৰা নাই। বছৰত হোৱা চাৰি-পাঁচটাকৈ বানপানী আৰু খহনীয়াত উছন হৈছে কৃষিভূমি আৰু বাসগৃহ। অবৰ্ণনীয় পৰিস্থিতি চকুৰে নেদেখিলে অনুমান কৰিব নোৱাৰে বুলিও তেওঁ অভিযোগ কৰে। দলটোৰ কেন্দ্ৰীয় সমিতিৰ সদস্য তথা কৰ্ণাটকৰ ৰাজ্যিক সম্পাদক ক্লিফটন ডি ৰোজাৰিঅ' আৰু অসমৰ ৰাজ্যিক সমিতিৰ সদস্য বলীন্দ্ৰ শইকীয়াই অংশগ্ৰহণ কৰে। ইপিনে, বলীন্দ্ৰ শইকীয়াই গৰুখুঁটিৰ মুছলিম সম্প্ৰদায়ৰ লোকসকলে অসমীয়া ভাষা জীয়াই ৰখাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে বুলি দাবী কৰি কয় যে অঞ্চলটোৰ ৪৫ খন প্ৰাথমিক বিদ্যালয়ত মুছলিম সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰি আছে। সেয়ে অঞ্চলটোত বিজেপিয়ে বিভাজনৰ ৰাজনীতি কৰা বুলি অভিযোগ কৰে।

# মুখ্যমন্ত্ৰীৰ ভূমি দালাল-মণ্ডলৰ চাফাই অভিযানৰ মাজতে গোৱালপাৰাত উৎকোচৰ বজাৰ

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৯ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰৰ এজন মণ্ডলে কাৰ্যালয় চৌহদতে ভূমিৰ গৰাকীৰ স'তে দৰদাম কৰি মুকলিকৈ উৎকোচ লোৱাৰ এক ভিডিঅ' সম্প্ৰতি ভাইৰেল হৈ পৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ভাইৰেল হোৱা ভিডিঅ'টোত ৰাজহ চক্ৰটোৰ এক নম্বৰ লাটৰ মণ্ডল গোলাম মোস্তাফাই এগৰাকী লোকে পৰিয়ালৰ চাৰিজনৰ নামত ভূমি বাটোৱাৰাৰ বাবদ ২০ হেজাৰ টকা উৎকোচ আগবঢ়োৱাৰ লগতে লাট মণ্ডলজনে বিঘাই প্ৰতি আঠ হেজাৰকৈ টকা বিচাৰিছিল। লাট মণ্ডলজনে লোকজনৰ পৰা ২০ হেজাৰ টকা উৎকোচ লৈ ১০ হেজাৰৰ তলত বাটোৱাৰাৰ কাম নকৰে বুলি কৈ আহিছিল। কিন্তু লোকজনে এইখিনি লৈ কামখিনি কৰি দিয়াৰ বাবদ বাৰে বাৰে অনুৰোধ জনাইছে যদিও তেওঁ ৩২ হেজাৰৰ তলত নকৰে বুলি হুংকাৰ দিছে। উল্লেখ্য যে ৰাজহ চক্ৰটোত লাট মণ্ডল গোলাম মোস্তাফাৰ এই কাহিনী এটা মাত্ৰ উদাহৰণহে। ৰাজহ চক্ৰটোত কৰ্মৰত মণ্ডলজনে টকা নহ'লে কোনো কামে নকৰে বুলি অভিযোগ আছে। তদুপৰি ৰাজহ চক্ৰটোৰ প্ৰতিজন লাট মণ্ডলে বাটোৱাৰাৰ বাবে বিঘাই প্ৰতি আঠৰ পৰা ১০ হেজাৰ, নামজাৰিৰ বাবে ছয়ৰ পৰা ১০ হেজাৰ, খাচ ভূমি কম্পিউটাৰাইজ কৰাৰ নামত ১০ হেজাৰকৈ নিৰিখ বান্ধি লৈছে। ইয়াৰ বাবে ৰাজহ চক্ৰটোৰ কৰ্মৰত এজন লাটমণ্ডল তহিদুৰ ৰহমানে দুৰ্নীতিৰ অভিযোগত সম্প্ৰতি জেলত দিন কটাইছে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতে ৰাজ্যজুৰি ভূমিৰ দালাল আৰু মণ্ডলক গ্ৰেপ্তাৰৰ পাছতো কাৰ্যালয়টোত লাট মণ্ডল মোস্তাফাই এইদৰে ধন সংগ্ৰহৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত প্ৰশাসনে লাট মণ্ডলজনৰ লগতে ৰাজহ চক্ৰটোৰ কৰ্মৰত মণ্ডলসকলৰ বিৰুদ্ধে কি ব্যৱস্থা লয় সেয়া লক্ষ্যণীয় হৈ পৰিছে।



# ডিমৰীয়াত আমছুৰ দালালে সন্দেহজনক লোকৰ বসতি স্থাপনত সহায় কৰিছে ঃ বিধায়ক অতুল বৰা

**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** 'গৰুখুঁটিৰ পৰা টালি-টোপোলা লৈ ডিমৰীয়ালৈ অহা একাংশ সন্দেহজনক নাগৰিকক সংস্থাপিত কৰিবলৈ স্থানীয় একাংশ এজেণ্ট তথা দালালে সহযোগিতা আগবঢ়াই আহিছে। এই দালালসকলৰ সহযোগিতাতে সন্দেহযুক্ত নাগৰিকসকলে স্থানীয় একাংশ লোকৰ ঘৰত আশ্ৰয় গ্ৰহণ কৰিছে আৰু একাংশই আত্মগোপন কৰিছে।' দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰাই আজি সোণাপুৰত এই অভিযোগ কৰে। সোণাপুৰত এক ৰাজহুৱা অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ গৰুখুঁটিৰ উচ্ছেদৰ পাছতে দিছপুৰ সমষ্টিৰ কচুতলী, বৰটিলা, পাৰগমা আদি অঞ্চলত সন্দেহজনক নাগৰিকৰে ভৰি পৰা বুলি উল্লেখ কৰি তেওঁ কয়, 'বিগত কিছু বছৰৰ পৰা ডিমৰীয়ালৈ অতি উদ্বেগজনকভাৱে একাংশ সন্দেহজনক নাগৰিকৰ সোঁত বৈছে। শেহতীয়াকৈ গৰুখুঁটিৰ পৰা প্ৰব্ৰজন কৰা সন্দেহজনক নাগৰিকসকলকে নহয়, অঞ্চলটোত খোপনি পোতা সকলো সন্দেহজনক নাগৰিককে উচ্ছেদ কৰিব লাগিব। সেই বাবেই দালালসকলক চিনাক্ত কৰি প্ৰশাসনক কৰায়ত্ত কৰিবলৈ আমি আহ্বান জনাইছো।' সন্দেহজনক নাগৰিকক সংস্থাপিত কৰিবলৈ উঠিপৰি লগা এজন দালাল আমছুৰ জনৈক নাজিমুদ্দিন বুলিও অভিযোগ কৰে। জনজাতি বেল্ট-ব্লকত সন্দেহজনক নাগৰিকে কেনেকৈ বসতি কৰিব পাৰে বুলি প্ৰশ্ন কৰি বিধায়কজনে অতি শেহতীয়াকৈ তেতেলিয়া পঞ্চায়তৰ অন্তৰ্গত বিষ্ণুপুৰত আৰু চন্দ্ৰপুৰৰ পানীখাইতিত ৪৫টা সন্দেহজনক পৰিয়ালে চৰকাৰী মাটি বেদখল কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। এই সন্দৰ্ভত বিধায়ক বৰাই পুনৰাই কামৰূপ মহানগৰ জিলা উপায়ুক্তলৈ পত্ৰ প্ৰেৰণ কৰিব বুলি সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে।

ইফালে, ডিমৰীয়াত সন্দেহজনক নাগৰিকৰ প্ৰব্ৰজনে অঞ্চলটোৰ জনগাঁথনিৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা বুলি অভিযোগ কৰিছে ডিমৰীয়া জিলা জনজাতি সংঘ আৰু ডিমৰীয়া আছুৱে। ইয়াৰ সমৰ্থনত আজি সংগঠন দুটাই পৃথকে পৃথকে স্থানীয় চক্ৰ বিষয়াৰ জৰিয়তে জিলা উপায়ুক্তলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰি অঞ্চলটোত একাংশ লোকে অবাধে বসতিস্থাপন কৰাৰ অভিযোগ কৰে।



# ডিব্ৰুগড়ত বিদ্যালয়, চিকিৎসালয় পৰিদৰ্শন মন্ত্ৰী হাজৰিকাৰ

**ধেমাজি, ২৯ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি কাইলৈ ধেমাজিত অনুষ্ঠিতব্য কেবিনেট বৈঠকলৈ অহাৰ বাটত মন্ত্ৰী তথা চৰকাৰৰ মুখপাত্ৰ পীযুষ হাজৰিকাই আজি ডিব্ৰুগড় জিলা ভ্ৰমণ কৰি জিলাখনৰ কে'বাটাও স্থানত ক'ভিড-১৯ৰ টিকাকৰণ কেন্দ্ৰ, অংগনৱাড়ী কেন্দ্ৰ, প্ৰাথমিক বিদ্যালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আদি পৰিদৰ্শন কৰে। বিধায়ক বিনোদ হাজৰিকা আৰু প্ৰশান্ত ফুকন আৰু জিলা উপায়ুক্ত তথা প্ৰশাসনৰ বিষয়াসকলৰ স'তে মন্ত্ৰী হাজৰিকাই আজি দিনৰ ভাগত প্ৰথমে আৰোগ্য ভৱন চিকিৎসালয়ত উপস্থিত হৈ ক'ভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কাৰ্যসূচীৰ বুজ লয়। ইয়াৰ পাছতে তেওঁ খনিকৰ চাহ বাগিচা প্ৰাথমিক বিদ্যালয় আৰু সংহত শিশু বিকাশ প্ৰকল্পৰ অধীনৰ অংগনৱাড়ী কেন্দ্ৰ পৰিদৰ্শন কৰে। তেওঁ উপায়ুক্তৰ উপস্থিতিত জিলাখনত আৰম্ভ কৰা জল জীৱন অভিযানৰ অধীনৰ পানী যোগান ব্যৱস্থাৰো বুজ লয়। পাছত মন্ত্ৰী হাজৰিকাই বৰবৰুৱা খণ্ড প্ৰাথমিক চিকিৎসালয়ত উপস্থিত হৈ চিকিৎসালয়খনত উপলব্ধ সুবিধা আৰু সমস্যাসমূহৰ বুজ লয়। তেওঁ কে'বাটাও অংগনৱাড়ী কেন্দ্ৰ পৰিদৰ্শন কৰি চৰকাৰী আঁচনিৰ উপযুক্ত ৰূপত কাৰ্যকৰী কৰাৰ ওপৰত গুৰুত্ব দিয়ে। পাছবেলালৈ মন্ত্ৰীজনে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ টিংখাং গাঁও পানী যোগান আঁচনি পৰিদৰ্শন কৰি আঁচনিখনৰ বুজ লয় আৰু স্থানীয় লোকৰ লগত মত বিনিময় কৰে।

# চিলা বনাঞ্চলৰ পাহাৰৰ পৰা শিল-ৰঙামাটি আহৰণৰ বন মাফিয়াৰ

## বিভাগৰ নিৰৱ সমৰ্থনত অবৈধ চক্ৰৰ তাণ্ডৱ

**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ২৯ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনৰ বন বিভাগৰ উত্তৰ কামৰূপ বন-সংমণ্ডলৰ অধীনস্থ চিলা বন আঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত কে'বাখনো পাহাৰে প্ৰাকৃতিকভাৱে লাভ কৰা চিৰসেউজ বৰণৰ পৰিৱৰ্তে এচাম বন মাফিয়াৰ তাণ্ডৱৰ ফলত ৰঙচুৱা বৰণৰ এক আজব পৰিচিতি লাভ কৰি নিশ্চিহ্ন হোৱাৰ দিশে অগ্ৰসৰ হৈছে। ইয়াৰ পাছতো সংমণ্ডল বিষয়া সমন্বিতে সংশ্লিষ্ট কৰ্মচাৰীসকল নিজৰ



দায়বদ্ধতাক লৈ সজাগ হোৱা পৰিলক্ষিত হোৱা নাই। বন মাফিয়াৰ ভয়াৱহ আগ্ৰাসন আৰু বন বিভাগৰ অতি দুৰ্ভাগ্যজনক ভূমিকাৰ বাবে গছ-গছনি আৰু জীৱ-জন্তুৰ লগতে পশু-পক্ষীহীন হৈ ইয়াৰ প্ৰায়বোৰ পাহাৰে নিজৰ চৰিত্ৰ হেৰুৱাই পেলাইছে। ফলত জৈৱ-বৈচিত্ৰ্যতো পৰি আহিছে মোক্ষম আঘাত। ক'বলৈ জোৰপুৰি হাত পোৱাৰ পাছতো বন বিভাগে ভাও দি থকা নিদ্ৰাৰ পৰা জাগি নুঠাৰ প্ৰৱণতাৰ ফলত পাহাৰৰ ৰঙামাটি কটা আৰু সৰবৰাহত লিপ্ত বন মাফিয়াবোৰৰ আগ্ৰাসনৰ মাত্ৰা নিতৌ বহুগুণে বৃদ্ধি হোৱাত অৱশিষ্ট পাহাৰবোৰৰো অৱস্থাও একে হোৱাৰ দিশে অগ্ৰসৰ হৈছে। অভিযোগ অনুসৰি উত্তৰ কামৰূপ বন সংমণ্ডলৰ চিলা বন আঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত পাহাৰসমূহ অবাধে পৈত্ৰিক সম্পত্তিৰ দৰে ব্যৱহাৰ কৰি উচ্চ প্ৰাবল্যৰ বিস্ফোৰণ ঘটাই পাহাৰৰ পৰা শিল-ৰঙামাটি আহৰণ কৰি ৰমৰমীয়া ক'লা ব্যৱসায় চলাই আছে এচামে। সম্প্ৰতি বন মাফিয়াৰ এই তাণ্ডৱ চলি আছে চিলা বনাঞ্চলৰ লক্ষীশিল অঞ্চলত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পূব দিশত থকা পাহাৰকেইখনত। তাৎপৰ্যপূৰ্ণ যে এইসমূহ পাহাৰ ৰাষ্ট্ৰীয় ঘাইপথটোৰ পৰাই প্ৰত্যক্ষ হয়। কিন্তু বিভাগৰ নীৰৱ সমৰ্থন লাভ কৰি গুৰু-গোসাঁই নমনা হৈ পৰা এই বন মাফিয়াই দিনে-নিশাই ইয়াৰ পাহাৰৰ পৰা এক্সকাভেটৰ, পকলেণ্ড আদিৰে অবৈধভাৱে ৰঙামাটি কাটি বহুসংখ্যক ডাম্পাৰেৰে নিজৰ ইচ্ছানুসৰি বিভিন্ন স্থানলৈ প্ৰেৰণ কৰি আছে। এইবোৰ ডাম্পাৰৰ দৌৰাত্ম্যৰ ফলত দিনটোৰ ২৪ ঘণ্টাই ইয়াত এক আতংকময় পৰিৱেশ বিৰাজমান হৈ থকাৰ উপৰি পাহাৰৰ নামনিৰ জনবসতি থকা অঞ্চললো প্ৰতিনিয়ত ধূলিময় হৈ থকাত ইয়াৰ পৰিয়ালৰ লোকসকল ঘৰৰ পৰা ওলাব নোৱৰা পৰিৱেশৰ সৃষ্টি হৈছে। অকল এয়াই নহয়, বন বিভাগৰ ৰহস্যজনক ভূমিকাৰ ফলত এই পাহাৰবোৰক নিজৰ অঘোষিত লুণ্ঠনৰ সাম্ৰাজ্যৰূপে গঢ়ি তুলিবলৈ সক্ষম হোৱা বন মাফিয়াৰ এই কাণ্ডৰ ফলত জৈৱ-বৈচিত্ৰ্যতো মোক্ষম আঘাত পৰাৰ লগতে ইয়াত থকা ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পথটোও বিধ্বস্ত হৈ পৰাত যাতায়াত ব্যৱস্থাও বিঘ্নিত হৈ আছে।

# জনতা ভৱনৰ কৰ্মচাৰীৰ আত্মহত্যাৰ ঘটনাৰ অতিৰিক্ত মুখ্য সচিব পৰ্যায়ত তদন্তৰ আশ্বাস মুখ্যমন্ত্ৰীৰ

## সচিবালয় সেৱা সন্থাৰ সহায়-সহযোগিতাৰ আশ্বাস ৰণজিৎ কুমাৰ দাসৰো

**ষ্টাফ ৰিপ'টাৰ**
**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** জনতা ভৱনৰ সাধাৰণ প্ৰশাসন বিভাগৰ কৰ্মচাৰী বিবেকানন্দ দাসৰ আত্মহত্যাৰ ঘটনাৰ তদন্তত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰত্যক্ষ হস্তক্ষেপ দাবী কৰিছে অসম সচিবালয় সেৱা সন্থাই। দাসৰ আত্মহত্যাৰ টোকাটোত একাংশ ঊৰ্ধ্বতন বিষয়াৰ হাৰাশাস্তিৰ বিষয় স্পষ্ট হোৱাত সন্থাই ঘটনাৰ নিৰপেক্ষ উচ্চস্তৰীয় তদন্ত দাবী কৰি মুখ্যমন্ত্ৰীক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে অতিৰিক্ত মুখ্য সচিব পৰ্যায়ত ঘটনাৰ তদন্তৰ আশ্বাস দিয়ে। ইয়াৰ লগতে কালি সন্ধিয়া সন্থাই বিভাগীয় মন্ত্ৰী ৰণজিৎ কুমাৰ দাসকো সাক্ষাৎ কৰি তদন্তৰ দাবী উত্থাপন কৰে। সচিবালয় সেৱা সন্থাৰ সাধাৰণ সম্পাদক পাৰ্থ হাজৰিকাই জনায় যে সাক্ষাতৰ সময়ত মন্ত্ৰী দাসে নিৰপেক্ষ তদন্তৰ লগতে মৃতকৰ পৰিয়ালক সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। বিবেকানন্দ দাসৰ মৃত্যুত অসম সচিবালয় সেৱা সন্থাৰ কালি এখন কাৰ্যনিৰ্বাহক সভাও অনুষ্ঠিত হয়। সভাই দাসৰ মৃত্যুত শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে।



*মৰিগাঁৱত প্ৰশাসনৰ উদ্যোগত জব্দ কৰা ড্ৰাগছ জ্বলাই দিয়াৰ দৃশ্য।*

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com